# দক্ষিণ কামৰূপৰ ৰাভা-সংস্কৃতিত এভুমুকি



শ্ৰী সূৰ্য্য কুমাৰ মজুমদাৰ

# দক্ষিণ কামৰূপৰ ৰাভা সংস্কৃতিত এভুমুকি

শ্ৰীসূৰ্য্য কুমাৰ মজুমদাৰ

সৰপাৰা ঃ কামৰূপ, অসম
১৯৮৯ চন

'*DAKSHIN KAMRUPAR RAVA SANSKRITIT ABHUMUKI*'—*a collection of folk culture of the Pati Ravas of South Kamrup by Sri Surjya Kumar Mazumdar and published by the writer with the financial assistance of the Tribal Research Institute, Assam, Guwahati-781023.*

প্ৰকাশক ঃ

প্ৰগতি গ্ৰন্থপীঠ

সৰপাৰা, কামৰূপ

নিৰ্দ্দেশনা ঃ

ড° বীৰেন্দ্ৰ নাথ দত্ত

লোক-সংস্কৃতি বিভাগ

গুৱাহাটী বিশ্ববিদ্যালয়

প্ৰথম প্ৰকাশ ঃ ১৯৮৯ চন

বেটুপাতৰ শিল্পী ঃ

শ্ৰীমঞ্জয় কুমাৰ ৰাজবংশী

সৰ্বস্বত্ত সংৰক্ষিত

মূল্য ঃ দহ টকা মাত্ৰ

মুদ্ৰক ঃ

শৰাইঘাট প্ৰিণ্টাৰ্ছ,

গুৱাহাটী-৭৮১০০৩

পৰিবেশক ঃ দত্ত বৰুৱা এণ্ড কোম্পানী

গুৱাহাটী-৭৮১০০১

## উচৰ্গা

পৰম আৰাধ্য পিতৃদেৱ স্বৰ্গীয়

চন্দ্ৰধৰ মজুমদাৰৰ

পূণ্য স্মৃতিত

# আগকথা

অসমীয়া সমাজখনৰ এটা গুৰুত্বপূৰ্ণ আৰু আকৰ্ষণীয় বৈশিষ্ট্য হৈছে এয়ে যে ইয়াত জনজাতীয় আৰু অজনজাতীয়ৰ মাজৰ সীমাৰেখাডাল বহু ক্ষেত্ৰত ক্ষীণ আৰু অস্পষ্ট। বিশেষকৈ ভৈয়াম অঞ্চলত জনজাতীয় গোষ্ঠীৰ বহু লোক দীৰ্ঘদিন ধৰি এটা সহজ আৰু নিমজ প্ৰক্ৰিয়াৰে অসমীয়া হিন্দু সমাজৰ 'জাতি' শ্ৰেণী-ভুক্ত হৈছে। লগে লগে জনজাতীয় সম্প্ৰদায়ৰ বুজন অংশই জনজাতীয় পৰিচয় অক্ষুণ্ন ৰাখিও ধৰ্মীয় বিশ্বাস, ৰীতি-নীতি আৰু মাত-কথাত অসমীয়া জীৱন-ধাৰাৰ লগত নিজৰ নিজৰ সংস্কৃতিৰ সুঁতি মিলাই দিছে। আনহাতে বৰ্ণ হিন্দু অসমীয়া সমাজখনৰো ধ্যান-ধাৰণা, আচাৰ-আচৰণত জনজাতীয় সমলৰ উপস্থিতি সন্দেহাতীতভাৱে উপস্থিত। সেয়েহে অসমীয়া সমাজ আৰু সংস্কৃতিৰ সামগ্ৰিক ৰূপৰ উপলব্ধিৰ বাবে এই সমাহৃত আৰু প্ৰান্তস্থ জন-জাতীয় উপাদানসমূহৰ স্থান অপৰিহাৰ্য্য।

নামনি অসমৰ, বিশেষকৈ দক্ষিণ কামৰূপ আৰু দক্ষিণ গোৱালপাৰাৰ জন সমষ্টিৰ এক বুজন অংশ গঠিত হৈছে পাতি-ৰাভা সম্প্ৰদায়ৰ দ্বাৰা। জনজাতীয় বুলি চিহ্নিত হ'লেও তেওঁ-লোকে সংশ্লিষ্ট অঞ্চলসমূহৰ অসমীয়া সাংস্কৃতিক বিশিষ্ট ৰূপ দিয়াত আৰু তাক ৰক্ষণ আৰু বহন কৰাত অতি গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। ফলত পাতিৰাভা সমাজৰ সাংস্কৃতিক সমলৰ বুজ লোৱাটো অকল সংশ্লিষ্ট সমাজখনক জানিবৰ কাৰণেই নহয়, সামগ্ৰিকভাৱে অসমীয়া লোক-সংস্কৃতিৰ স্বৰূপ হৃদয়ঙ্গম কৰিবৰ কাৰণেও প্ৰয়োজনীয়।

পাতিৰাভা সমাজৰ সমলকে ধৰি দক্ষিণ কামৰূপৰ লোক-সংস্কৃতিৰ বিভিন্ন দিশত ক্ষেত্ৰ-ভিত্তিক অধ্যয়নেৰে যি কেইগৰাকী ব্যক্তিয়ে নিষ্ঠা আৰু ঐকান্তিকতাৰে আলোকপাত কৰিবৰ যত্ন কৰি আহিছে সেইসকলৰ ভিতৰত শ্ৰীসূৰ্য্য কুমাৰ মজুমদাৰ অন্যতম। যোৱা কিছু দিন ধৰি কাকতে-পত্ৰই প্ৰকাশিত হোৱা তেখেতৰ ৰচনা-পাতিৰ মাজেৰে তেখেতৰ অধ্যয়ন-কৰ্মৰ লগত মোৰ পৰিচয় ঘটিছে। সম্প্ৰতি পাতিৰাভা সমাজ আৰু সংস্কৃতিৰ ভিত্তিত ৰচিত তেনে ধৰণৰ প্ৰবন্ধৰ সঙ্কলন কৰি শ্ৰীমজুমদাৰে যুগুত কৰিছে "দক্ষিণ কামৰূপৰ ৰাভা সংস্কৃতিত এভুমুকি" নামৰ গ্ৰন্থখন। হাতে-লিখা অৱস্থাতে মোক দেখুৱাই বিচৰামতে কিছু দিহা-পৰা-মৰ্শ আগবঢ়াইছিলোঁ। প্ৰকাশিত গ্ৰন্থখনিৰ বাবে আগকথাখিনি লিখি শ্ৰীমজুমদাৰৰ কামৰ লগত ৰাইজক পৰিচয় কৰাই দিবলৈ পাই আনন্দ পাইছোঁ, সন্মানিতও বোধ কৰিছোঁ। অসমীয়া লোক-সংস্কৃতিৰ ভেঁটিৰ অধ্যয়নৰ দিশত এনে ধৰণৰ গ্ৰন্থ ৰচনাৰ প্ৰচেষ্টা যিদৰে আদৰণীয় সেইদৰে এনে গ্ৰন্থ প্ৰকাশৰ বাবে আৰ্থিক সাহায্য আগবঢ়াই উৎসাহ দান কৰাত অসম জনজাতীয় গৱেষণা প্ৰতিষ্ঠানৰ ভূমিকাও প্ৰশংসনীয়।

লোক-সংস্কৃতি গৱেষণা বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয় — শ্ৰীবীৰেন্দ্ৰ নাথ দত্ত
৫।১২।৮৮

# আগকথা

অসম জনজাতি গৱেষণা প্ৰতিষ্ঠানে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ওপৰত লিখিত সাহিত্য প্ৰকাশৰ বাবে অনুদান আগবঢ়াই আহিছে। এনে অনুদানেৰে সদ্য প্ৰকাশিত গ্ৰন্থৰ ভিতৰত শ্ৰীসূৰ্য্যকুমাৰ মজুমদাৰে লিখা 'দক্ষিণ কামৰূপৰ ৰাভা সংস্কৃতিত এভুমুকি' নামৰ গ্ৰন্থখনিও অন্যতম। শ্ৰীমজুমদাৰ কামৰূপ জিলাৰ সৰপাৰা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু লোক-সংস্কৃতি সংগ্ৰহৰ এজন আগৰণুৱা ব্যক্তি।

প্ৰায় ১০০ পৃষ্ঠা জোৰা এই গ্ৰন্থখনিত শ্ৰীমজুমদাৰে দক্ষিণ কামৰূপত বস-বাস কৰা পাতিৰাভা সকলৰ সংস্কৃতিৰ বিভিন্ন দিশত আলোকপাত কৰিছে। পাতিৰাভা সকলৰ ধৰ্মীয় অনুষ্ঠান আৰু উৎসৱ সমূহৰ উপৰিও তেখেতে পৰম্পৰাগত ভাৱে প্ৰচলিত গীত-মাত আৰু দেওধনীৰ দৰে নৃত্যৰ ওপৰতো কিছু কথা এই পুথিত সন্নিৱিষ্ট কৰিছে।

এনে ধৰণৰ লিখনিয়ে ৰাভা সমাজৰ বিশেষকৈ দক্ষিণ কামৰূপৰ ৰাভা সকলৰ বহুতো নজনা কথা পোহৰলৈ আনিছে। এই তথ্য সমূহে অনুসন্ধিৎসুলোকৰ বাহিৰেও গবেষণাৰত পণ্ডিত আৰু ছাত্ৰ-ছাত্ৰীক যথেষ্ট ভাবে সহায় কৰিব বুলি মোৰ বিশ্বাস। লিখনিৰ যোগেদি আমি মজুমদাৰৰ দৰে ব্যক্তিৰ পৰা ভৱিষ্যতেও জন-জাতীয় সম্প্ৰদায় সমূহৰ সংস্কৃতিৰ বিভিন্ন দিশত আলোকপাত কৰাটো নিশ্চয় আশা কৰিব পাৰোঁ।

শ্ৰীবুদ্ধীন্দ্ৰনাথ বৰদলৈ
সঞ্চালক,
অসম জনজাতি গবেষণা প্ৰতিষ্ঠান
বেলতলা, গুৱাহাটী-২৮

১ বহাগ ১৯১১ শক
১৪ এপ্ৰিল, ১৯৮৯ চন

# ভূমিকা

জীয়াই থকাৰ বাবে জীৱিকাৰ পথ স্বৰূপে এটি অৱলম্বন লাগে। সময়ত মনে বিচৰা পথকেই পালোঁ। শিক্ষকতাকেই জীৱনৰ ব্ৰত হিচাপে লৈ নিষ্ঠা আৰু আন্তৰিকতাৰে জনসেৱা কৰাৰ লগতে সাহিত্য, সংস্কৃতি আৰু ক্ৰীড়াৰ ক্ষেত্ৰতো নিজক নিবিড়ভাৱে জড়িত কৰি ৰাখি আত্মসন্তুষ্টি লভাৰ হেপাহ এটি প্ৰৱেশিকাৰ দেওনা অতিক্ৰম নকৰাৰে পৰা আছিল। পলাশবাৰী সাহিত্য সভাৰ প্ৰাৰম্ভিক কালৰে পৰা ওতঃপ্ৰোত ভাৱে জড়িত হৈ পৰাৰ পিছত বিভিন্ন দৃষ্টিভঙ্গীৰে লেখাৰ আগ্ৰহ কৰিছিলোঁ। আশানুৰূপে আগ বাঢ়িব নোৱাৰিলোঁ। সংস্কৃতি সাধনাৰ মন এটিও পোষণ কৰিছিলোঁ। কেইবছৰমান আগৰে পৰা মনৰ মাজতেই গুণাগঠা কৰিছিলোঁ, চিন্তা কৰি দেখিবলৈ পাইছিলোঁ—আমাৰ নিজৰ এলেকাতেই অৰ্থাৎ দক্ষিণ কামৰূপৰ গ্ৰাম্যাঞ্চলতে বিশেষকৈ পাতিৰাভা আৰু বড়ো-জনজাতীয় লোক বসতি পূৰ্ণ অঞ্চলত বহুতো সাম্প্ৰদায়িক আৰু থলুৱা সংস্কৃতি বৈ আছে পোহৰৰ প্ৰতীক্ষাত। সেই আটাইবোৰ উদ্‌ঘাটন কৰিব পাৰিলে সাহিত্য-সংস্কৃতি চৰ্চ্চাও হয়, লগতে নিজক কৰ্মব্যস্ত ৰাখি এক বিমল আনন্দত ডুবাই ৰাখিবও পাৰি। তাৰ উপৰি কৃষ্টি-সংস্কৃতিবোৰ বিজ্ঞলোকৰ আগত দাঙি ধৰিব পাৰিলে লোক-সংস্কৃতিৰ মেটমৰা ভঁৰাল এটিক বৈজ্ঞানিক আৰু ঐতিহাসিক দৃষ্টিভঙ্গীৰে সংস্কাৰ সাধন কৰি বিকশাই তোলাত সহায় কৰিব পাৰি। দক্ষিণ কামৰূপৰ পাতিৰাভা সকলৰ মাজত থকা লোক-সংস্কৃতিৰ বিষয়ে বৰ্ত্তমানলৈ বিস্তৃতভাৱে লিখা হোৱা নাই। অথবা গবেষণাৰ দৃষ্টিভঙ্গীৰে উদ্‌ঘাটন কৰা হোৱা নাই। পণ্ডিত, গবেষক সকলে অঞ্চলটোত সোমাই কৰ্ম্মক্ষেত্ৰত আগ বাঢ়িলে আপুৰুগীয়া সম্পদ উদ্ধাৰ হব।

# আগকথা

অসম জনজাতি গৱেষণা প্ৰতিষ্ঠানে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ওপৰত লিখিত সাহিত্য প্ৰকাশৰ বাবে অনুদান আগবঢ়াই আহিছে। এনে অনুদানেৰে সদ্য প্ৰকাশিত গ্ৰন্থৰ ভিতৰত শ্ৰীসূৰ্য্যকুমাৰ মজুমদাৰে লিখা 'দক্ষিণ কামৰূপৰ ৰাভা সংস্কৃতিত এভুমুকি' নামৰ গ্ৰন্থখনিও অন্যতম। শ্ৰীমজুমদাৰ কামৰূপ জিলাৰ সৰপাৰা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু লোক-সংস্কৃতি সংগ্ৰহৰ এজন আগৰণুৱা ব্যক্তি।

প্ৰায় ১০০ পৃষ্ঠা জোৰা এই গ্ৰন্থখনিত শ্ৰীমজুমদাৰে দক্ষিণ কামৰূপত বস-বাস কৰা পাতিৰাভা সকলৰ সংস্কৃতিৰ বিভিন্ন দিশত আলোকপাত কৰিছে। পাতিৰাভা সকলৰ ধৰ্মীয় অনুষ্ঠান আৰু উৎসৱ সমূহৰ উপৰিও তেখেতে পৰম্পৰাগত ভাৱে প্ৰচলিত গীত-মাত আৰু দেওধনীৰ দৰে নৃত্যৰ ওপৰতো কিছু কথা এই পুথিত সন্নিবিষ্ট কৰিছে।

এনে ধৰণৰ লিখনিয়ে ৰাভা সমাজৰ বিশেষকৈ দক্ষিণ কামৰূপৰ ৰাভা সকলৰ বহুতো নজনা কথা পোহৰলৈ আনিছে। এই তথ্য সমূহে অনুসন্ধিৎসুলোকৰ বাহিৰেও গবেষণাৰত পণ্ডিত আৰু ছাত্ৰ-ছাত্ৰীক যথেষ্ট ভাবে সহায় কৰিব বুলি মোৰ বিশ্বাস। লিখনিৰ যোগেদি আমি মজুমদাৰৰ দৰে ব্যক্তিৰ পৰা ভৱিষ্যতেও জন-জাতীয় সম্প্ৰদায় সমূহৰ সংস্কৃতিৰ বিভিন্ন দিশত আলোকপাত কৰাটো নিশ্চয় আশা কৰিব পাৰোঁ।

শ্ৰীবুদ্ধীন্দ্ৰনাথ বৰদলৈ
সঞ্চালক,
অসম জনজাতি গবেষণা প্ৰতিষ্ঠান
বেলতলা, গুৱাহাটী-২৮

১ বহাগ ১৯১১ শক
১৪ এপ্ৰিল, ১৯৮৯ চন

# ভূমিকা

জীয়াই থকাৰ বাবে জীৱিকাৰ পথ স্বৰূপে এটি অৱলম্বন লাগে। সময়ত মনে বিচৰা পথকেই পালোঁ। শিক্ষকতাকেই জীৱনৰ ব্ৰত হিচাপে লৈ নিষ্ঠা আৰু আন্তৰিকতাৰে জনসেৱা কৰাৰ লগতে সাহিত্য, সংস্কৃতি আৰু ক্ৰীড়াৰ ক্ষেত্ৰতো নিজক নিবিড়ভাৱে জড়িত কৰি ৰাখি আত্মসন্তুষ্টি লভাৰ হেপাহ এটি প্ৰৱেশিকাৰ দেওনা অতিক্ৰম নকৰাৰে পৰা আছিল। পলাশবাৰী সাহিত্য সভাৰ প্ৰাৰম্ভিক কালৰে পৰা ওতঃপ্ৰোত ভাৱে জড়িত হৈ পৰাৰ পিছত বিভিন্ন দৃষ্টিভঙ্গীৰে লেখাৰ আগ্ৰহ কৰিছিলোঁ। আশানুৰূপে আগ বাঢ়িব নোৱাৰিলোঁ। সংস্কৃতি সাধনাৰ মন এটিও পোষণ কৰিছিলোঁ। কেইবছৰমান আগৰে পৰা মনৰ মাজতেই গুণাগঠা কৰিছিলোঁ, চিন্তা কৰি দেখিবলৈ পাইছিলোঁ—আমাৰ নিজৰ এলেকাতেই অৰ্থাৎ দক্ষিণ কামৰূপৰ গ্ৰাম্যাঞ্চলতে বিশেষকৈ পাতিৰাভা আৰু বড়ো-জনজাতীয় লোক বসতি পূৰ্ণ অঞ্চলত বহুতো সাম্প্ৰদায়িক আৰু থলুৱা সংস্কৃতি ৰৈ আছে পোহৰৰ প্ৰতীক্ষাত। সেই আটাইবোৰ উদ্‌ঘাটন কৰিব পাৰিলে সাহিত্য-সংস্কৃতি চৰ্চাও হয়, লগতে নিজক কৰ্মব্যস্ত ৰাখি এক বিমল আনন্দত ডুবাই ৰাখিবও পাৰি। তাৰ উপৰি কৃষ্টি-সংস্কৃতিবোৰ বিজ্ঞলোকৰ আগত দাঙি ধৰিব পাৰিলে লোক-সংস্কৃতিৰ মেটমৰা ভঁৰাল এটিক বৈজ্ঞানিক আৰু ঐতিহাসিক দৃষ্টিভঙ্গীৰে সংস্কাৰ সাধন কৰি বিকশাই তোলাত সহায় কৰিব পাৰি। দক্ষিণ কামৰূপৰ পাতিৰাভা সকলৰ মাজত থকা লোক-সংস্কৃতিৰ বিষয়ে বৰ্ত্তমানলৈ বিস্তৃতভাৱে লিখা হোৱা নাই। অথবা গবেষণাৰ দৃষ্টিভঙ্গীৰে উদ্‌ঘাটন কৰা হোৱা নাই। পণ্ডিত, গবেষক সকলে অঞ্চলটোত সোমাই কৰ্ম্মক্ষেত্ৰত আগ বাঢ়িলে আপুৰুগীয়া সম্পদ উদ্ধাৰ হব।

তেনে এটি দৃষ্টিভঙ্গীৰেই আগবাঢ়ি পাতিৰাভা সম্প্ৰদায়ৰ লোক বসতিপূৰ্ণ ঠাই সমূহত গঞা-চহৰ, ডেকা-বুঢ়া, শিক্ষিত-অশিক্ষিত লোকক লগ ধৰাৰ চেষ্টা কৰিলোঁ আৰু বিজ্ঞজনৰ সন্ধান বিচাৰি কামত অগ্ৰসৰ হলোঁ। সেইমতে বিচাৰি-খুচৰি পোৱা জ্ঞান-অভিজ্ঞতাৰ ভিত্তিত কেইটিমান প্ৰবন্ধ লিখি স্থানীয় সাহিত্য সংস্কৃতিৰ আলোচনীলৈ আগবঢ়াইছিলো। হানাঘোঁৰা, বগেজাৰী, জাৰীঘোঁৰা আৰু পাৰনৃত্য প্ৰভৃতি প্ৰবন্ধ পলাশবাৰী সাহিত্য সভাৰ মুখপত্ৰ 'দখিনকোল' আৰু স্থানীয় 'বাণী' আলোচনীত 'টুকুৰীয়া গীত' প্ৰকাশ পাইছে। ইয়াৰ বাবে সংশ্লিষ্ট সম্পাদক সকললৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। ইতিমধ্যে প্ৰকাশ পোৱা আৰু নতুনকৈ যুগুত কৰা তথ্যৰে "দক্ষিণ কামৰূপৰ ৰাভা সংস্কৃতিত এভুমুকি" নামৰ গ্ৰন্থখনি প্ৰস্তুত কৰা হৈছে।

এই ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে সহায় কৰা বাবে বহুতো ব্যক্তিৰ ওচৰত লিখক কৃতজ্ঞ। সেই সকল হ'ল মোৰ একালৰ প্ৰিয় ছাত্ৰ বামুনীগাওঁ নিবাসী কবি শ্ৰীধীৰেন্দ্ৰ চন্দ্ৰ ৰাভা, লোহাৰঘাট চৰকাৰী মজলীয়া স্কুলৰ প্ৰধান শিক্ষক, প্ৰবন্ধকাৰ, মোৰ ভাতৃপ্ৰতীম শ্ৰীভুবিন ৰাভা, কুলচি জনজাতীয় হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীমুকুণ্ড চন্দ্ৰ ৰাভা, মুতুকী জনজাতীয় হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীনলিনী কুমাৰ ৰাভা, লোহাৰঘাট নিবাসী ভাতৃপ্ৰতীম ডাঃ লক্ষ্মীনাথ ৰাভা, শ্ৰীনিবাৰণ ঠাকুৰীয়া প্ৰভৃতি। বহুতো কষ্ট স্বীকাৰ কৰি আৰু উদাৰচিত্তে তথ্য পাতি দি সহায় কৰা ব্যক্তিসকল মোৰ নমস্য আৰু শ্ৰদ্ধাৰ পাত্ৰ। তেখেত সকল হ'ল—বকো অঞ্চলৰ লামগাওঁ নিবাসী ওজা শ্ৰীদোকান্ত ৰাভা, শ্ৰীঢেলাৰাম ৰাভা, বামুনীগাওঁৰ প্ৰবীন মনসা ওজা শ্ৰীৰাতিয়া ৰাম ৰাভা, পাল্টি শ্ৰীবাইজু ৰাম ৰাভা, শ্ৰীভোলানাথ ৰাভা, বৰদুৱাৰ মৌজাৰ মহমাৰাং নিবাসী শ্ৰীচাণ্ডুৰাম ৰাভা, শ্ৰীব্ৰজেন ৰাভা, শ্ৰীমানিক ৰাভা, নোৱাপাৰাৰ শ্ৰীভূপেন ৰাভা, ৰাজাপাৰা মানিকপুৰৰ শ্ৰীসমুদ্ৰ ৰাভা আৰু শ্ৰীউমাকান্ত ৰাভা প্ৰভৃতি।

তাৰ উপৰি প্ৰকাশিত আৰু অপ্ৰকাশিত লিখনি সমূহ একত্ৰিত কৰি কিতাপ আকাৰে প্ৰকাশ কৰিবলৈ উৎসাহ উদ্দীপনা যোগোৱা বাবে শ্ৰদ্ধাস্পদ শ্ৰীযুত বেণুধৰ দাস দেৱ, উপৰহালী চাৰু প্ৰকাশনৰ স্বত্তাধিকাৰী শ্ৰীতুলাল মজুমদাৰ, ভাতৃপ্ৰতীম শ্ৰীঅমৃত ঠাকুৰীয়া (শিক্ষক) আৰু শ্ৰীনবেন তালুকদাৰ (কবিজনা), সৰপাৰা নিবাসী নৃতত্বৰ ছাত্ৰ শ্ৰীনৰেশ্বৰ দাসৰ নাম ধন্যবাদ সহকাৰে সোঁৱৰণ কৰিছোঁ।

গ্ৰন্থখনি প্ৰকাশৰ বাবে আৱশ্যকীয় আৰ্থিক অনুদান আগবঢ়াই পঢ়ুৱৈ সমাজৰ আগত উলিয়াই দিয়াৰ সুবিধা দিয়া বাবে অসম জনজাতি গবেষণা প্ৰতিষ্ঠানৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ বাবে প্ৰতিষ্ঠানৰ সঞ্চালক শ্ৰদ্ধাস্পদ শ্ৰীযুত বুদ্ধীন্দ্ৰ নাথ বৰদলৈ দেৱলৈ আন্তৰিক ধন্যবাদ আৰু ওলগ জনাইছোঁ।

ছপাশালত দিয়াৰ আগতে গ্ৰন্থখনি চকু ফুৰাই দিহা পৰামৰ্শ দিয়াৰ লগতে লিখনি সমূহৰ প্ৰণালীৱদ্ধৰূপ এটি কৰি দিয়াত আৰু এটি আলোচনাত্মক আগকথা লিখি দি গ্ৰন্থখনিৰ সৌষ্ঠৱ বঢ়োৱা বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি বিভাগৰ মূৰব্বী অধ্যাপক ডঃ বীৰেন্দ্ৰ নাথ দত্তদেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

বেটুপাতৰ ছবি অঙ্কন কৰি দিয়া বাবে শ্ৰীমঞ্জয় কুমাৰ ৰাজবংশীলৈ ধন্যবাদ আগবঢ়ালোঁ।

পৰিশেষত গুৱাহাটীৰ শৰাইঘাট প্ৰিন্টাৰ্ছৰ স্বত্তাধিকাৰী শ্ৰীঅশ্বিনী শৰ্মা আৰু তেখেতৰ কৰ্মীবৃন্দলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সৰপাৰা, কামৰূপ
১৯৮৯ চন

শ্ৰীসূৰ্য্য কুমাৰ মজুমদাৰ

# সূচী


পৃষ্ঠা

১। আগকথা

২। ভূমিকা

৩। ৰাভা জনজাতিৰ পৰিচয় ১

৪। ৰাভাসকলৰ সামাজিক প্ৰথা আৰু সামাজিক জীৱন ৫

৫। ৰাভাসকলৰ ধৰ্মীয় পৰিৱেশ ২০

ক) হানা ঘোঁৰা ২৩

খ) জাৰীঘোঁৰা আৰু পাৱনৃত্য ৩০

গ) মাৰাং খেদা ৩৭

ঘ) লাঙমাৰ পূজা বা লাঙা পূজা ৪৩

ঙ) দেৱী পূজা ঃ আই কামাখ্যা ৪৭

৬। পাতিৰাভাৰ গীত-মাত ৫৫

ক) বগেজাৰী ৫৫

খ) টুকুৰীয়া গীত ৬৬

গ) মাৰেগীত ৭১

৭। দুটা বিশেষ অনুষ্ঠান ৮৬

ক) ৰাজাঢোল ৮৬

খ) দেওধনী ৯১


# ৰাভা জনজাতিৰ পৰিচয়

অসমত বাস কৰা ৰাভাসকল জনজাতীয় বড়ো গোষ্ঠীৰে অন্যতম জাতি বুলি কোৱা হয়। এই গোষ্ঠীৰ আন আন জাতিবোৰ হ'ল—গাৰো, কছাৰী, লালুং, মেচ ইত্যাদি। এই বড়ো গোষ্ঠীৰ মানুহবোৰ আহি অসমত কেতিয়াৰ পৰা নিগাজীকৈ থাকিবলৈ ললে, কেনেকৈ ক'ৰ পৰা আহিল সঠিক ভাৱে জানিব পৰা নাই। এই গোষ্ঠীৰ ভিন্ ভিন্ উপজাতিৰ মাজত থকা প্ৰবাদ মতে প্ৰত্যেকৰে আঁতিগুৰি বেলেগ বেলেগ ধৰণে পোৱা যায়। ৰাভাসকলৰ ক্ষেত্ৰতো তেনেই মতভেদ পোৱা যায়।

লেঃ কৰ্ণেল ৱাডেলৰ মতে "ৰাভাসকল কছাৰীৰে এটা শাখা। তেওঁলোক হিন্দুৰ শ্ৰেণীত পৰিছে।" হড্‌চনৰ মতে "ৰাভাসকল গৰিষ্ঠ বড়ো পৰিয়ালৰলোক।" ডঃ গ্ৰিয়াৰচনৰ মতে "ৰাভা হৈছে কছাৰীৰে হিন্দু নাম।" গেইটে কছাৰীসকলক টোটলা বা দাতিয়াল কছাৰী নামেৰেও অভিহিত কৰিছে। তেখেতে সংক্ষেপে কৈছে—"প্ৰচুৰ পৰিমাণে সন্দেহ দেখা যায়—এই ৰাভাসকল প্ৰকৃততে কোন? নামনি অসমৰ ৰাভাসকলক গাৰোসকলৰ প্ৰশাখা বুলি চিহ্নিত কৰা হয় আৰু কামৰূপ আৰু দৰঙৰ ৰাভাসকলক হিন্দু নীতিৰ ফালৰ পৰা কছাৰী বুলি অনুমান হয়। তেওঁলোক যে বড়োফৈদৰ ই নিশ্চিত। কিন্তু এইটো স্পষ্ট নহয় যে ৰাভাসকল আন শাখা বিলাকৰ লগত পাৰস্পৰিক ভাৱে অতি ওচৰ সম্বন্ধ যুক্ত। যদিও কিছুমান গাৰো আৰু কছাৰী ৰাভা হৈছে, ঠিক আনফালে কোঁচও হৈছে। এইফালৰ পৰা এইটো দৃষ্টি গোচৰ হয় যে ৰাভাসকল বস্তুতঃ এটা আদিম জাতি।"

ডেল্টনৰ মতে—"ৰাভা আৰু হাজংসকল কছাৰী জাতিৰ শাখা আৰু গাৰোসকলৰ লগত সম্বন্ধিত।" পোৰটাৰে কৈছে—"ৰাভা সকল বড়ো ফৈদৰ এটা শাখা।" এলেনে কৈছে—"ৰাভা বড়ো গোষ্ঠীৰ ভাগ এটা। ৰাভাবোৰক গাৰোবিলাকৰ উপশাখা এটা যেন লাগে।"

ৰাভা জাতিৰ আঁতি গুৰি সম্বন্ধে ডঃ ভুবন মোহন দাসে কয়—"মঙ্গোলীয় জাতি উত্তৰ আৰু উত্তৰ পশ্চিম অঞ্চলৰ পৰা বেলেগে বেলেগে আহিছিল। তেওঁলোক আংশিক ভাৱে বা সম্পূর্ণ ভাৱে আদিমবাসী। অষ্ট্রোলয়দ্ জাতিক নিঃশেষ কৰিছিল আৰু তাৰ পাছত ৰাভা, গাৰো আদিৰ দৰে নানা জাতিৰ সৃষ্টি হৈছিল।" তেখেতৰ মতে "ৰাভাসকল নিজস্ব ঐতিহ্য, কৃষ্টি, বৈশিষ্ট্য, বিশ্বাস, আখ্যান, উপাখ্যানেৰে পৰিপুষ্ট এটা পৃথক জনজাতি।" এই সম্পৰ্কত ভিন্ ভিন্ মতবাদ পোৱা হয় যদিও এই কথা প্ৰতীয়মান হয় যে ৰাভাসকল বড়ো-গোষ্ঠীৰ অন্তৰ্ভুক্ত আৰু এই বড়ো-গোষ্ঠীৰ লোকসকল বেলেগ বেলেগ সময়ত অসমৰ উত্তৰ পশ্চিম কোণৰ পৰা আহি অসমত সোমায়।

বৰ্ত্তমানে অসমৰ কামৰূপ, গোৱালপাৰা, দৰং আৰু মেঘালয়ৰ গাৰোপাহাৰত ৰাভালোকৰ সংখ্যা অধিক। পাহাৰ-ভৈয়ামৰ বিস্তৃত অঞ্চলত তেওঁলোকে সমাজ পাতি বসবাস কৰি আহিছে।

**ৰাভাসকলৰ ভাগঃ**

ৰাভাসকলক কেইবাটাও ভাগত ভাগ কৰা হয়। যেনে— ৰংদানীয়া, পাতি, মাইটৰীয়া, বিটলীয়া, হানা, চোঙা, টোটলা, দাহৰী, মদাহী, কোচছা ইত্যাদি। বৰ্ত্তমানে প্ৰথমে উল্লেখ কৰা তিনিভাগৰ ৰাভালোকহে অধিক পৰিমাণে দেখা যায় আৰু তেওঁলোকৰ দ্বাৰাই বৰ্ত্তমানৰ প্ৰকৃত ৰাভা সমাজ। অন্য ভাগবোৰ



বৰ্ত্তমানে লুপ্ত প্ৰায়। দক্ষিণ কামৰূপৰ বিস্তীৰ্ণ অঞ্চল আৰু দক্ষিণ-গোৱালপাৰাৰ পূৰ্ব্বঅঞ্চলৰ পৰা ডুধনৈলৈকে বিস্তৃত এলেকাত পাতি ৰাভাসকলৰ বসতি। ডুধনৈৰ পৰা লক্ষীপুৰ এলেকালৈকে ৰংদানী আৰু লক্ষীপুৰৰ দক্ষিণ-পশ্চিম অংশত মাইটোৰী ৰাভা-সকলৰ বসতি।

সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ প্ৰভৃতিলৈ লক্ষ্য কৰিলে দেখা যায় যে বৰ্ত্তমানে ৰাভাসকলৰ ভিতৰত ৰংদানী আৰু মাইটোৰী সকলেহে নিজস্ব ভাষা আৰু ৰীতি-নীতিৰ অধিকাংশ বজাই ৰাখিছে। পাতি ৰাভাসকলে পূৰ্ব্বৰ ৰীতি-নীতি বহুলাংশে এৰি পেলাইছে। তেওঁলোকে নিজা ভাষা তেনেই পাহৰি গৈছে। উচ্চাৰণৰ তাৰতম্য ঘটাই অলিখিত অসমীয়াকে ব্যৱহাৰ কৰে। পাতি, দাহুৰি আৰু অন্য ৰাভাসকলৰ বেছি ভাগেই কমবেছি পৰিমাণে হিন্দু ধৰ্ম্মৰ আচাৰ-নীতিৰ ফালে আগবাঢ়ি আহিছে।

বৈদিক যুগত মানুহৰ বিভিন্ন কৰ্ম্ম অনুযায়ী ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ জাতিৰ সৃষ্টি হোৱাৰ নিচিনাকৈ ৰাভাসকলৰো কৰ্ম্ম অনুযায়ী দলৰ বা খেলৰ সৃষ্টি হয়। আদিতে ৰাভাসকলৰ মাজতো কোনো উপদল (উপজাতি) বা খেলৰ সৃষ্টি নাছিল। ৰাভাসকলৰ আৰাধ্য দেৱতা খোক্চি বা বায়খো পূজাৰ সামূহিক কাম-কাজবোৰ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ কৰ্ম্ম বিভাজন কৰি লোৱা হয় আৰু সেই মৰ্ম্মেই বিভিন্ন কৰ্ম্ম অনুসৰি ওপৰত উল্লেখ কৰা দল বা খেলবোৰৰ সৃষ্টি হয় বুলি বিশ্বাস কৰা হয়। খোক্চি পূজাত দেৱতাৰ থাপনা পতা আৰু মানুহ বহাৰ কাৰণে (ৰং-শিল, দান-কঢ়িয়াই অনা) শিল কঢ়িয়াই অনাৰ দায়িত্ব লোৱা মানুহবোৰক ৰংদানীয়া, সামূহিক ভোজনৰ বাবে দায়িত্বত থকা সকলক মায়টৰীয়া (মায়-ভাত, টৰীয়া-ভগাই দিয়া), ৰন্ধন শাললৈ

অহা চবাই-চিবিকতি খেদিবলৈ ন্যস্ত কৰা মানুহক দাহৰী (দাহৰী-দীঘল নল বাঁহেৰে খেদিছিল বাবে), মদ আৰু পানী লবৰ বাবে পাহাৰৰ পৰা বাঁহৰ চুঙা কাটি আনিবলৈ ন্যস্ত কৰা সকলক পাতি, ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানত ধেমেলীয়া কথা কৈ ৰাইজক আনন্দৰ খোৰাক যোগাওঁতা সকলক বিটলীয়া, আৰু ৰাভা জাতিৰ আদি পুৰুষ 'কোচ্ছেৰ' পৰাই অৱশেষত 'কোচ'ৰ এটা ফৈদ হোৱা বুলি কোৱা হয়।

# ৰাভাসকলৰ সামাজিক প্ৰথা আৰু সামাজিক জীৱন

পৃথিৱীৰ সকলো জাতি-উপজাতিৰে জন্ম, বিবাহ আৰু মৃত্যুৰ লগত কিছুমান সামাজিক প্ৰথা আছে। জন্মৰ লগত মৃত্যু অনিবাৰ্য্য বিষয় হিচাপে আছে। জন্মৰ আগে-পিচে কিছুমান জনবিশ্বাস আৰু কিছুমান স্বাস্থ্যজনিত কথাৰ ওপৰত ভিত্তি কৰি জাতকৰ্ম্ম কৰা হয়। এইবোৰৰ বহুতো কথাই অতীতৰ পৰা পৰম্পৰাগত ভাবে চলি আহিছে। বিজ্ঞানৰ ক্ৰমোন্নতিৰ ফলত কিছুমান হয়তো পৰিবৰ্ত্তিত বা সংশোধিত হৈ ন-ৰূপ ধাৰণ কৰি নতুন প্ৰথাত পৰিণত হৈছে। যৌৱন কালত ল'ৰা-ছোৱালীয়ে যৌন সম্ভোগৰ বাবেই হওক বা ভৱিষ্যত জীৱনত পৰস্পৰে পৰস্পৰক জীৱন সঙ্গী কৰি লোৱাৰ মানসেৰেই হওক বিভিন্ন প্ৰথাৰ মাধ্যমেৰে যুগ্মজীৱনৰ পাতনি মেলে। কালৰ অধীন জীৱেও এই সংসাৰৰ পৰা বিদায় ললে পৰিয়ালৰ লোক, আত্মীয় কুটুম্ব আৰু সমাজৰ লোকে মৃতকক প্ৰচলিত প্ৰথামতে সৎকাৰ কৰে আৰু জনবিশ্বাস মতে শ্ৰাদ্ধক্ৰিয়া আদি কৰি সামাজিক বান্ধোনৰ পৰা দায়মুক্ত হয়।

বৰ্ত্তমানে দক্ষিণ কামৰূপৰ পাতি ৰাভাসকলৰ মাজত প্ৰচলিত জাতকৰ্ম, বিবাহ আৰু সৎকাৰ পদ্ধতিৰ এটি থূলমূল বিৱৰণ দাঙি ধৰা হ'ল।

জাতকৰ্ম্ম :

ৰাভাসকলে প্ৰাচীন প্ৰথামতে গৰ্ভৱতী তিৰোতাৰ সুখ-প্ৰসৱৰ কামনাৰে বায়খা-বায়ৰ পূজা কৰিছিল। গৰ্ভৱতীৰ পেটৰ সোঁফালে লৰচৰ কৰিলে ল'ৰা আৰু বাওঁফালে লৰচৰ কৰিলে ছোৱালী

সন্তানৰ জন্ম হয় বুলি বিশ্বাস কৰিছিল। বৰ্ত্তমান যুগতো এই বিশ্বাস জনসমাজত প্ৰচলিত আছে। তেওঁলোকে পুনৰ্জন্ম বিশ্বাস কৰে। সন্তান জন্ম হ'লে পাচ দিনত অশৌচ খেদোৱা হয়। কিছু-মানে তিনিদিনতো কৰে। আৰ্থিক দিশত সামৰ্থ্য থকা লোকে এমাহলৈকো অশৌচ ৰাখে। আজিকালি অশৌচ সম্পৰ্কত বিশেষ ধৰা-বন্ধা নীতি-নিয়ম নাই। প্ৰত্যেকেই নিজ নিজ সা-সুবিধামতে অশৌচ কাৰ্য্য সম্পাদন কৰে। অশৌচ কাৰ্য্যত প্ৰসূতিয়ে ব্যৱহাৰ কৰা নাইবা ঘৰৰ অন্যান্য ব্যৱহৃত কাপোৰ-কানি ধুই-পখালি পৰিষ্কাৰ কৰা হয় আৰু ঘৰ-কাঠি মছি চাফ্-চিকুণ কৰা হয়। তাৰ পিছত ঈশ্বৰৰ নামত নৈবেদ্য আগবঢ়াই সন্তানৰ মঙ্গল কামনা কৰা হয়।

**বিবাহ ঃ**

ৰাভাসকলে বিয়া কৰোৱাটো এটা নৈতিক কৰ্ত্তব্য বুলি বিশ্বাস কৰে। সামাজিক প্ৰথা মতে হোৱা বিবাহৰ জৰিয়তে সন্তান জন্ম দিয়াটো তেওঁলোকে কৰ্ত্তব্য বুলি ভাবে আৰু সন্তান নাথাকিলে কৌলিক পূজা সম্পাদন কৰাৰ অধিকাৰ নাথাকে। যৌন প্ৰবৃত্তি চৰিতাৰ্থ কৰাটোও বিবাহৰ প্ৰয়োজনীয় কথা। তাৰ উপৰি স্বামী-স্ত্ৰী ৰূপে সুখে-দুখে আপদে-বিপদে পৰস্পৰ জীৱন সঙ্গী হৈ থকাটোও, লগতে বংশ ৰক্ষা অন্যতম মূল উদ্দেশ্য।

ৰাভাসকলৰ মাজত পূৰ্ব্বাপৰ চলি অহা প্ৰথামতে প্ৰধানতঃ তলত দিয়া ধৰণে বিবাহ সম্পাদিত হয়।

১) ল'ৰা-ছোৱালীৰ উভয় পক্ষৰ পাৰস্পৰিক আলোচনা-বিলোচনাৰ জৰিয়তে হোৱা বিবাহ। পৰস্পৰে পৰস্পৰক সোধ-পোছ কৰে। এনে বিয়াত দৰা পক্ষ প্ৰথমে ছোৱালীৰ ঘৰলৈ যায়। পাচদিন কইনা ঘৰলৈ যাব লাগে। প্ৰত্যেক দিনতে সোধ-



পোছৰ বিশেষত্ব আছে। প্ৰথমবাৰ যোৱাক বাট-ঝুৰা বোলে। লগত খোলাচাপৰি পিঠা নিব লাগে। দ্বিতীয়বাৰ যোৱাত সোধা পোছা হয়। লগত নিব লাগে চক পিঠা। তৃতীয়বাৰত কথাৰ ধৰা-বন্ধা ঠিক হয়। এইবাৰত নিব লাগে ককালবন্ধা পিঠা। চতুৰ্থ বাৰত বিয়া দিয়া আৰু বিয়া কৰোৱা সম্পৰ্কত একেবাৰে খাটাং সিদ্ধান্ত কৰা হয়। এইবাৰত নিব লাগে জোনপিঠা আৰু লাৰু। পঞ্চমবাৰত 'বৰভাৰ' নিব লাগে। এইবাৰতেই শেষ সোধা। ইয়াৰ পিছত লৰচৰ নাই। বৰভাৰৰ এখন ভাৰত লাউ আৰু মাছ, আন এখন ভাৰত লাৰু পিঠা আৰু অন্যখন ভাৰত কল প্ৰভৃতি ফলমূল। দৰাপক্ষই বিয়াৰ অন্ততঃ এমাহ বা দুমাহ আগতে ৰাইজ সমন্বিতে কইনা ঘৰলৈ যায়। কইনা পক্ষৰ ৰাইজো সমবেত হয়। দুই ৰাইজ একেলগে বহে। ৰাইজলৈ তামোল আগবঢ়ায়। দুই পক্ষৰ মুখীয়াললোকক অৰ্থাৎ গাওঁবুঢ়াক ৫টা তামোল আৰু এক মুঠা পাণ দি সন্মান জনায়। তাৰ পিছত কইনা পক্ষই দৰা পক্ষক অহাৰ কাৰণ সোধে। দৰা পক্ষই উদ্দেশ্য ব্যাখ্যা কৰে। লগতে কইনাৰ বাবে অনা অলংকাৰ পাতি ৰাইজক দেখুৱায়। দৰা পক্ষৰ গাভৰুৱে কইনাৰ মূৰ চুচে। কাপোৰ-কানি, আ-অলঙ্কাৰ পিন্ধায়। তাৰ পিছত দৰাঘৰীয়াই কইনাঘৰীয়া লোকক বহনি তামোল বা মান-তামোল দিব লাগে। দুটা তামোল আৰু দুখিলাকৈ পাণ দি মান ধৰে। তাৰ পিছত বিয়াৰ দিনবাৰ ঠিক কৰে।

২) বলেৰে ছোৱালীক হৰণ কৰি নি বিবাহ কৰে। মাছলৈ যাওঁতে, বিয়া-সবাহলৈ যাওঁতে নতুবা মিতিৰ কুটুম্বৰ ঘৰলৈ যাওঁতে ডেকাই মনে বিচৰা গাভৰুক বলেৰে টানি নি পিছত ৰাইজৰ সাক্ষাতত বিবাহ কৰায়।

৩) অভিভাৱকৰ অসম্মতি হলে পলুৱাই নি বিবাহ কৰে। এনে পৰিস্থিতিত ল'ৰা-ছোৱালীৰ পক্ষৰ মাজত কাজিয়াৰ সৃষ্টিও হয়। বৰ্ত্তমানে এই প্ৰথা লুপ্তপ্ৰায় হৈছে।

৪) ঘৰ-জোঁৱাই ৰাখি ছোৱালী বিয়া দিয়া প্ৰথাও আছে। এনে কৰিলে ল'ৰাই পৈত্ৰিক সম্পত্তিৰ অধিকাৰৰ পৰা বঞ্চিত হয়।

বিয়াৰ ৰাতি কইনা সম্প্ৰদানৰ আগতে দৰা কইনাৰ বাপেক-মাকে নিজৰ মাহাৰীৰ পৰিচয় দিব লাগে। একে মাহাৰীৰ হ'লে বিয়া হোৱা নিষেধ। বাৰ মাহাৰীৰ কথা জনা লোকে ঈশ্বৰৰ নামত সেৱা কৰি বৰবাঞ্চনা কৰি যুগ্মজীৱনৰ মঙ্গল কামনা কৰি হৰিধ্বনি দিয়ে। তাৰ পিছত জ্যেষ্ঠলোকক সেৱা সম্মান জনায়। হোম নহয়, চাকি-বন্তি জ্বলাই অগ্নি আৰু ৰাইজক সাক্ষী কৰি বিবাহ সম্পন্ন কৰে। তুলসীৰ পাত নিমগ্ন পানীৰে দৰা-কইনাক শুচি কৰে। আগতে কইনাক দৰাৰ ঘৰলৈ আনি বিয়া কৰাইছিল। বৰ্ত্তমানে দৰা কইনাৰ ঘৰলৈ যায়। লগ্ন কালত উচৰ্গা হয়।

ছোৱালীৰ ঘৰত বিয়া হ'লেও দৰা-কইনাক দৰাৰ ঘৰলৈ আনি বৰ বাঞ্চনা দিব লাগে। বিয়াৰ সাত দিনৰ দিনাখন দৰা কইনাই এজন ল'ৰাক শাক-পাচলি আৰু খোৱা বস্তুৰ ভাৰ আৰু এজনী ছোৱালীৰ বোকাত (বোকোচাত) পিঠাপনা বান্ধি দি কইনাৰ মাক-বাপেকৰ ঘৰলৈ যায়। ইয়াক 'ঘৰ ফিৰোৱা' কোৱা হয়। নিমন্ত্ৰণ নকৰিলেও যাব লাগে। অৱশ্যে আজিকালি নিমন্ত্ৰণ জনায়। তাত গৈ খাইবই ৰাতিটো কটাই পিছদিনা ঘূৰি আহিব লাগে। বেছি দিন থাকিব নোৱাৰে। বিয়াৰ দুদিন পিছতেই কইনাৰ মাক-বাপেক জোঁৱাইৰ ঘৰলৈ আহিব লাগে। নামাতিলেও আহিব লাগে। আজিকালি যথা নিয়মে নিমন্ত্ৰণ কৰে। সিদিনা দৰাৰ সম্বন্ধীয় লোক আৰু অন্যান্য গণ্যমান্য ব্যক্তিক নিমন্ত্ৰণ কৰি ভোজ ভাত খুৱাব লাগে। ইয়াক কইনাক 'ভাত খুওৱা' বুলি কোৱা হয়।

## মৃতকৰ সৎকাৰ, শ্ৰাদ্ধাদি:

ৰাভাসকলৰ বয়সীয়াল বা মতা-মাইকী লোক মৰিলে পোৰে। সৰু ল'ৰা-ছোৱালীক সাধাৰণতে পোতে। কেতিয়াবাহে পোৰে।



মাক-বাপেক মৰিলে ডাঙৰ ল'ৰাই মুখাগ্নি কৰে। নিজৰ ল'ৰা নাথাকিলে অন্য উত্তৰাধিকাৰীয়ে কৰে। ৰাভাসকলৰ মানুহ মৰা শুনিলেই গাওঁৰ প্ৰত্যেক ঘৰৰ অন্ততঃ একোজন মানুহ মৃতকৰ ঘৰলৈ আহে। প্ৰত্যেকেই লগত এবটল মদ আৰু পইচা, খৰি প্ৰভৃতি আনে। কোনো কোনোৱে ন-কাপোৰ, গামোচা আৰু চাউল আনে। আত্মীয়লোকে চাউল, কাপোৰ, মদ, পইচা প্ৰভৃতি প্ৰায়েই আনে। পইচা মৃতকৰ ওচৰত জমা থয়। মদ আৰু অন্যান্য বস্তু মৃতকৰ পৰিয়ালক সমজাই দিয়ে। শ্মশানলৈ শটো নিওঁতে সংগৃহীত আটাইখিনি ধন মৃতকৰ লগত দিয়ে। মৃতকে জীয়াই থাকোঁতে ভালপোৱা বিভিন্ন সামগ্ৰীৰে মৃতকলৈ এসাজ ভাত আগবঢ়োৱাৰ পিছতহে শ্মশানলৈ উলিয়ায়। শ্মশানলৈ নিওঁতে বৰাধানৰ আখৈ দোনত লৈ শটোৰ আগে আগে চটিয়াই যায়। গুটি থকা কপাহেৰে কানিৰ মহলা তৈয়াৰ কৰি আগে আগে জ্বলাই লৈ যায়। পিছত কপাহখিনি চিতাৰ খুটাত বান্ধি দিয়ে।

শ্মশানত চিতা সজায়। চিতাত মাকৃচি গছৰ দুটা ডাল জাপি দিয়ে। এৰ্ঁা সূতাৰে সাত মেৰ বা পাঁচ মেৰ দি চিতাখনত মেৰিয়ায়। বেযুৰীয়া হিচাপে। এটা কুকুৰাৰ ঠেঙত ৰচিৰে বান্ধি মৃতকৰ ভৰিৰ বুঢ়া আঙুলিত গাঠি দিয়ে—মৃতকৰ মহাপ্ৰয়াণ যাত্ৰাৰ বাটৰ লগৰী হিচাপে। শটো ধুৱাই ন-কাপোৰ পিন্ধাই চিতাত তোলে। চিতাৰ চাৰিওফালে সাতবাৰ ঘূৰি মুখাগ্নি কৰি চিতাত অগ্নি সংযোগ কৰে। শটো দাহন হোৱাৰ পিছত মানুহবোৰ শ্মশানৰ পৰা গুচি আহে। আগতে সংগ্ৰহ হোৱা পইচাখিনি এজনে শ্মশানত লুকাই থৈ আহে। মানুহবোৰে গাওঁৰ বাহিৰতে গা-পা ধুই ধান খেৰৰ জুই জ্বলাই হাত-ভৰি সেকি 'জুই চেৰাই' গাওঁত প্ৰবেশ কৰে। মানুহবোৰ নিজ ঘৰলৈ নাযায়। মৃতকৰ ঘৰলৈ আহে। ঘৰলৈ আহি চোতালতে বহি গৃহস্থৰ মানুহক মৃতকৰ কাম-কাজ কেতিয়া কৰিব সোধে। একৰকম প্ৰতিশ্ৰুতিয়েই লয়। গৃহস্থৰ

আৰ্থিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি কাম-কাজ পাতে। পৰিয়ালৰ কোনো বিবাহ-উৎসৱ থাকিলে সোনকালে কৰে। শ্মশানলৈ যোৱাৰ আগতে আগবঢ়োৱাৰ পিছত বোৱা মদ খাই ৰাইজ ঘৰাঘৰি গুচি যায়।

পিছদিনাখন পইচা লুকাই থৈ অহা মানুহজনে কেইজন-মান গৰখীয়াক লগত লৈ পুনৰ শ্মশানলৈ যায়। তেওঁলোকে ৪ টা বাঁহৰ 'চাট', এটা এঙা সূতাৰ মছুৱা, এটা পানীৰ টেকেলি, কোদাল প্ৰভৃতি লগত নিয়ে। গৈ চিতাৰ পৰা এঙাৰখিনি আঁতৰায়। ইয়াকে 'এঙাৰ কচোৱা' বোলে। জুই নুনুমালে পানী ঢালি নুমাই এঙাৰ আঁতৰায়। চিতাৰ ঠাই পৰিষ্কাৰ কৰি তাত মাহ, তিল, কল, নাৰিকল প্ৰভৃতি ৰোপন কৰি এডাল দীঘল বাঁহৰ 'চাট' পোতে। বঙা বা বগা কাপোৰ নিচান কৰি দিয়ে। অস্থি নানে। চিতাৰ জুই নুমোৱা অৱস্থাত থাকিলে এঙাৰ নকচোৱাতে তাত কোনো প্ৰাণীৰ খোজ পৰিছে নেকি চায়। মানুহৰ খোজ দেখিলে আত্মাই মানুহৰ ঘৰত পুনৰ জন্ম লাভ কৰিব বুলি ধাৰণা কৰে, বাঘৰ খোজ, গৰুৰ খোজ প্ৰভৃতি দেখিলে সেইমতে জীৱৰ জন্ম হয় বুলি বিশ্বাস কৰে। শ্মশানৰ পৰা ঘূৰি অহাৰ পিছত মৃতকৰ পৰিয়ালে গৰখীয়াবোৰক সিধা দিয়ে। জীৱিত কালত মৃতকে যিবোৰ খাদ্য সামগ্ৰী ভাল পাইছিল সেই আটাই-বোৰ জোগাৰ কৰি দি গৰখীয়াহঁতক দিয়ে। গৰখীয়াবোৰে পানী থকা কোনো সুবিধাজনক ঠাইত গৈ ৰান্ধি-বাঢ়ি মৃতকৰ বাবেও এসাজ আগবঢ়াই দিয়ে। পিছত নিজেও খায়। খোৱাৰ অন্তত ৰন্ধা-বঢ়া বাচন বৰ্ত্তনবোৰ ধুই পৰিষ্কাৰ কৰি মৃতকৰ ঘৰলৈ আহি সমজাই দিয়ে। মৃতকৰ ঘৰলৈ আহিও আকৌ গৃহস্থে ৰন্ধা খাদ্য সামগ্ৰী মৃতকলৈ আগবঢ়ায়। গৃহস্থেও আগবঢ়ায়। তাৰ পিছতহে গৃহস্থে ভাত খায়। অন্য মানুহে একো নিদিয়ে। বংশৰ মানুহে দহ দিনলৈ তেল, মাছ-মাংস প্ৰভৃতি আমীষ আহাৰ ভক্ষণ



নকৰে। ঘৰৰ অন্য জ্যেষ্ঠ মানুহে বা মূল মানুহে মূৰত তেল নলয়। দহ দিনত দহা কাৰ্য্য সম্পন্ন কৰা হয়। দহাৰ দিনাখন 'মিমাং' বঢ়োৱা হয়। সেইদিনা ৰাতিপুৱা মৃতকলৈ মাছ, কুকুৰা আৰু গাহৰিৰ মাংস, মদ প্ৰভৃতিৰে ঘৰৰ ভিতৰতে এসাজ ভাত দিয়ে। ইয়াকে মিমাং বঢ়োৱা কোৱা হয়। (মি-ভাত খোৱা, মাং-দেৱতা)।

অৱস্থাপন্ন মানুহে দহা নকৰে। দহাৰ দিনা বা মিমাং বঢ়োৱাৰ দিনাখন ৰাতিপুৱা মৃতকলৈ মাছ, মাংস, মদ প্ৰভৃতিৰে ঘৰৰ ভিতৰত ভাত এসাজ দিয়ে।

শুদ্ধিৰ কোনো নিৰ্দ্ধাৰিত দিন নাই। সুবিধা হ'লেই কৰে। ৰাইজক মাতি ভোজ-ভাত খুৱাব লাগে। নোৱাৰিলে ২০/২৫ দিনত চাহ-পানী খুৱায়। ইয়াক 'দাহা গুচোৱা' বোলে। এয়া হ'ল সাময়িক শুদ্ধি। তাৰ পিছতহে ভোজ-ভাত খুৱায়। ভোজ-ভাত খুৱালেহে সম্পূৰ্ণ শুদ্ধি হয়। শুদ্ধিত বা শ্ৰাদ্ধত গাঁৱৰ মুখীয়াললোকে 'বাৰমাহাৰীৰ' কথা কৈ আৰু মৃতকৰ আত্মাৰ সদ্গতি কামনা কৰি শ্ৰাদ্ধ সমাপন কৰে।

ৰাভাসকলে মৃতকৰ আদ্যশ্ৰাদ্ধ উপলক্ষে 'মিমাঙ' বঢ়ায়। অৰ্থাৎ বিভিন্ন খাদ্য সামগ্ৰীৰে মৃতকলৈ ভাত এসাজ আগবঢ়ায়। গধূলি ৰাইজ মিলি ভোজ-ভাত খায়। ৰাইজৰ বাবে প্ৰস্তুত কৰা খাদ্য-সামগ্ৰী সম্পূৰ্ণ হোৱাৰ পিছত গিৰিহঁত আৰু ৰান্ধনিয়ে ডিঙিত গামোচা লৈ ৰাইজৰ আগত আঁঠু লয়। তেতিয়া বচন গাব জনা সমাজৰে বয়োজ্যেষ্ঠ লোক এজনে বচন কয়—

"অ মোৰ মাহামুনি ৰাইজ, বুঢ়া-বুঢ়ী, ডেকা-গাভৰু সকলোৱে আহিছা। অ' মোৰ বাপাহঁাত—ডাকে কৈছে—

বাৰো মাহাৰি বাৰো বেটা

হাঁহ মাৰিলোঁ ককাল ফেটা

ইয়াতে মোৰ বাপাহাঁত—

বাৰো মাহাৰি কায় কায়

বাৰো মাহাৰি হ'ল

চুঙ, চিলান, নাফা, নংডো, ডিয়া, ডগম, ফাথো

ৰংৰঙ, কছু, ডাৰু, নঙবাগ, ডবাখল

ডিয়া আছে ডগম নাই, কছু আছে ডাৰু নাই, ডবাখলৰ বোলে লগ নাইয়ো মোৰ বাপাহাঁত, হয়নে? ইয়াতে মোৰ বাপাহাঁত, লাৰি বাৰী বোলে গাওঁখন, বাৰী দাখিলা পাৰাখন। সঙলো সঙলো গিয়াতীৰ সঙলো, কুললো কুললো বোলে নদীৰ কুললো, বোলে নদী মৰিলেও ৰেঘা থাকে। অতিবৰ পতিবৰ পিতা-মাতা যি কাজ-কৰ্ম্ম কৰা হৈছে আজিও আমি তাকে কৰা হৈছে।

ইয়াতেই আজি কোনোবাই আহিছা খাবা, কোনোবাই আহিছা গাবা আৰু কোনোবাই আহিছা চাবা, কোনোবা আহিছা দিবা আৰু কোনোবা আহিছা চিং চিং বাজাবা—অ'মোৰ বাপাহাঁত। এতিয়া মোৰ বাপাহাঁত আজিৰ পৰা এওঁক পুহ উদ্ধাৰ কৰা হৈছে। কায়ো আজিৰ পৰা চুৱা চিটি বুলিব নোৱাৰিব। একেলগে একেসঙ্গে খাব লব পাৰিব। ... ... ... ইয়াতে মোৰ বাপাহাঁত কি হব! বাৰ ঘৰ বাৰ বেটা ৰান্ধিছে-বাৰিছে নাকৰ ভাৱ বস্ত্ৰৰ বাওঁ অনেকখন লাগিব পাৰে যাতে দোষা-দোষ নধৰা মোৰ বাপাহাঁত! ... ... ... ... ভোজভাতৰ অন্তত নাবালক ল'ৰা-ছোৱালী বা বিধবা পত্নী থাকিলে তেওঁলোকৰ নিৰাপত্তা আৰু দায়িত্বৰ বাবে ব্যৱস্থা কৰা হয়—অ' মোৰ বাপাহাঁত, কায় পাওনী কায় খাওঁনী মাত দি মোৰ বাপাহাঁত, পানীত হেৰাই বামত বিচাৰিলে নহব। অ মোৰ মাহামুনি ৰাইজ, ডাক ডাক বোলে তিনি ডাক, খিলা মাৰে থাক্, থাক্, কায় পাওঁনী কায় খাওঁনী মাত দি মোৰ বাপাহাঁত। সৰপে মানুহ খায় তিনি হাসি মাৰে, যদি কোনোবাই পাব লগা আছে মাত দি মোৰ



বাপাহাঁত। নহ'লে আমি গছৰ বাকলি গছত সাৱটাই থৈ দিওঁ

মাহামুনি ৰাইজ— জয় হৰি বোলো

জয় চাৰি ভকতক চিন্তি

জয় কাজ গিয়াতীক চিন্তি

হৰিবোল, হৰিবোল।

ৰাভাসকলৰ মৃতকৰ শ্ৰাদ্ধক কাম আৰু কাজ কোৱা হয়। বৰ্ত্তমানে কাজহে কৰে, কাম কৰিবলৈ এৰিছে। অৰ্থ-সম্বল থকা অৱস্থাপন্ন লোকে ডাঙৰকৈ শ্ৰাদ্ধ কৰিলে কাম বোলা হয়। আকৌ অনুষ্টুপীয়া ভাবে যা-যোগাৰ কৰি কোনো-ৰকমে শুচি হোৱাৰ ব্যৱস্থাৰে শ্ৰাদ্ধ কৰিলে তাক কাজ বোলা হয়। কামত গৃহস্থই গাহৰি, কুকুৰা, জোঙামদ প্ৰভৃতি যোগাৰ কৰিবই লাগিব। আত্মীয় স্বজনে বিশেষকৈ ভাগীয়ে এটি গাহৰি পোৱালী, এখন জোঙামদ, এঠোক তামোল, আৰু ফলমূল, তৰকাৰী প্ৰভৃতিৰে ভাৰ সাজি শ্ৰাদ্ধৰ সামগ্ৰী আনিব লাগিব। নোকস্বামী সকলে অৰ্থাৎ পৰিয়ালৰ ছোৱালী বিয়া দিয়াৰ পিছত সম্পৰ্কযুক্ত কুটুম্বই আৰ্থিক অৱস্থা অনুসৰি উক্ত ধৰণৰ সামগ্ৰী আনিব লাগে। সমাজৰ অন্যান্য লোকেও কাম আৰু কাজ উভয়তেই মদ, চাউল প্ৰভৃতি অনাটো এটা পৰম্পৰা। শ্ৰাদ্ধৰ দিনাখন ৰাইজে আগতে নিৰ্দ্দিষ্ট কৰি দিয়া দায়িত্বমতে ৰান্ধনি, যোগালী, বিতৰণকাৰী প্ৰত্যেকেই নিজ নিজ কাম সমাধা কৰে। কাজৰ দিনা ৰাইজে ভাত খোৱাৰ আগেয়ে বৰগৰখীয়াৰ আগত এসাজ ভাত আগবঢ়াই দিয়ে। সেইমতে বৰগৰখীয়াই মৃতকৰ নামত কলপাতেৰে তিনি ভাগ কৰি তিনিখন পাতত তিনি ভাগকৈ মুঠ ন ভাগ কৰি সজাই চোতালতে আগবঢ়াই দিয়ে। এই কাম সম্পূৰ্ণ হোৱাৰ পিছত গাওঁৰ মুখীয়ালে মৃতকৰ আত্মাৰ সদগতি কামনা কৰি বাৰমাহাৰীৰ কথা কৈ হৰিধ্বনিৰ অন্তত খোৱাৰ অনুমতি দিয়ে। এইদৰে শ্ৰাদ্ধ (কাজ) সম্পন্ন হয়।

কামত গাহৰি, কুকুৰা, মাছ, মদ প্ৰভৃতি অপৰিহাৰ্য্য। খাদ্য সামগ্ৰী প্ৰস্তুত কৰি মৃতকৰ পৰিয়ালৰ যিমান লোক ইতিমধ্যে ঢুকাইছে আটাইৰে নামত কলপাত নাইবা পাহাৰত পোৱা এবিধ পাতেৰে প্ৰত্যেকবিধ খাদ্য সামগ্ৰীৰে একোটাকৈ টোপোলা বান্ধি আগবঢ়ায়। মদ, পানী দিয়াৰ বাবে বাহঁৰ চুঙা ব্যৱহাৰ কৰে। টোপোলা বন্ধা কাৰ্য্যক দং বন্ধা বোলে। পৰিয়ালত থকা কোনো ঘৰ-জোঁৱাইৰ ল'ৰাই পুৰোহিতৰ কাৰ্য্য সম্পাদন কৰে। সকলো নীতি-নিয়ম জনা গাঁৱৰ বয়োজ্যেষ্ঠ লোক এজনে সকলোবোৰ মৃতকৰ নামকৈ তেওঁলোকৰ বিষয়ে যৎকিঞ্চিৎকৈ আত্মাৰ সদ্গতি কামনা কৰি বচন মাতে; সেইমতে অস্থায়ী পুৰোহিতে দং আগবঢ়ায়। উক্ত বয়োজ্যেষ্ঠ লোকজনক 'দেৱন্ধা' বোলে। এই কামবোৰ শেষ হোৱাৰ পিছতহে ৰাইজে মদ ভাত খায়। কাম উপলক্ষে গৃহস্থে পুৰোহিতক গোদান, ভূমিদান প্ৰভৃতি দিব লাগে। অৱশ্যে আজিকালি কামৰ প্ৰথা প্ৰায় উঠি গৈছে।

কাম বা কাজৰ পিচদিনাখনো ৰাইজক মাতে। কাম-কাজ পৰিচালনাৰ কৃতজ্ঞতাৰ অৰ্থে ৰাইজলৈ জোঙা মদ আগবঢ়ায় আৰু বাহী ভোজৰ ব্যৱস্থা কৰে।

ৰাভাসকলৰ সমাজ ব্যৱস্থা কটকটীয়া। তেওঁলোকৰ মাজত একতাৰ বান্ধোন, পাৰস্পৰিক সহায় সহযোগিতা বেচ প্ৰশংসনীয় আৰু আদৰ্শনীয়। গাঁৱৰ গাওঁবুঢ়াই সমাজৰ মুৰব্বী বা মুখীয়াল। তেওঁৰ দিহা পৰামৰ্শ বা নিৰ্দ্দেশ ক্ৰমেই সমাজৰ যাৱতীয় কাম কাজ চলে। গাওঁবুঢ়াজন চৰকাৰী নিয়োগ প্ৰাপ্ত গাওঁবুঢ়া নহবও পাৰে। তেওঁক ৰাইজে নিৰ্ব্বাচিত কৰি লয়। গাওঁবুঢ়াই সমাজত সকলো ক্ষেত্ৰতে সন্মান পায়। সমাজৰ আন এজন সন্মানীয় অপৰিহাৰ্য্য ব্যক্তি হ'ল—বাৰিকা। সভা-সমিতি, মেল-বিচাৰ প্ৰভৃতিলৈ এইজনা বাৰিকাই ৰাইজক আহ্বান জনায়। বিভিন্ন



ক্ষেত্ৰত হাই কাজিয়াৰ সৃষ্টি হ'লে সৰহ ভাগ বিচাৰেই ৰাইজে লগলাগি নিষ্পত্তি কৰে। ৰাইজৰ বান্ধোন ইমানেই কপ্‌কপীয়া যে অতি গুৰুতৰ অপৰাধত সমাজে কোনো অপৰাধী ব্যক্তিক বহুবছৰলৈকে গাঁৱৰ পৰা নিৰ্ব্বাসন দিয়ে। ৰাইজৰ নিৰ্দ্দেশমতে তেনে ব্যক্তি নিৰ্দ্ধাৰিত সময়ছোৱাৰ ভিতৰত অকল গাঁৱতেই নহয়, সমগ্ৰ মৌজাৰ ভিতৰতেই প্ৰৱেশ কৰিব নোৱাৰে। বিচাৰৰ ক্ষেত্ৰত মৌজা ভিত্তিতো সংগঠন আছে। এনেকুৱা সমাজ ব্যৱস্থাৰ প্ৰচলন ৰাভাসমাজত অনাদি কালৰ পৰাই পৰম্পৰাগত ভাৱে চলি আহিছে। দেশত আইন-কানুন, নীতি-নিয়ম, সংবিধান সাপেক্ষে প্ৰচলিত হৈ আছে যদিও ৰাভা সমাজে তেওঁলোকৰ জন বিশ্বাস আৰু পূৰ্ব্বাপৰ প্ৰচলিত নীতি নিয়মকেই খামুচি ধৰি তেওঁলোকৰ সমাজখন পৰিচালিত কৰিবলৈ বিচাৰে আৰু সকলোৱে তেনে ধৰণৰ সমাজ ব্যৱস্থাক বিশ্বাস আৰু আন্তৰিকতাৰে পালন কৰে।

বিবাহ পূজা-পাৰ্ব্বন, মৃতকৰ সৎকাৰ, কাম-কাজ শ্ৰাদ্ধাদিত ৰাভাসকলৰ সহায় সহযোগিতা, একতাৰ বান্ধোন সঁচাকৈয়ে প্ৰশংসনীয়। তেওঁলোকে যথাসময়ত আটাইয়েই লগলাগি আলোচনাৰ মাধ্যমেৰে প্ৰত্যেকেই কাম-ভগাই লয় আৰু নিজ নিজ দায়িত্বত পৰা কাম সুচাৰুৰূপে সম্পন্ন কৰে। বিশেষকৈ মৃতকৰ সৎকাৰ, কাম-কাজ, শ্ৰাদ্ধাদিত মৃতকৰ পৰিয়ালে শাৰীৰিক, মানসিক, আৰ্থিক প্ৰভৃতি দিশত ৰাভাসকলে কষ্ট ভোগ কৰিবলগীয়া নহয়। ৰাভা পৰিয়ালৰ কোনো ব্যক্তিৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে গাঁৱৰ প্ৰত্যেক পৰিয়ালৰ লোকে খৰি-খেৰ, মদ, চাউল, পইচা, কুকুৰা, গাহৰি, ফল-মূল, তৰকাৰী প্ৰভৃতি গোটাই লৈ আহে। কাম-কাজতো তেনেদৰে মৃতকৰ পৰিয়ালক বিভিন্ন সামগ্ৰী আনি দিয়া প্ৰথা বৰ্ত্তমানেও প্ৰচলিত হৈ আছে। গাঁৱৰ মুখীয়ালে নিৰ্দ্দিষ্ট কৰি দিয়া দায়িত্ব মতে ৰাইজৰ মানুহে হাবিৰ পৰা খৰি-খেৰ আনি যোগান ধৰে। বান্ধনিয়ে বন্ধাবঢ়া কৰে, বিলনীয়াই

বিলাই দিয়ে, পানী অনাই পানী আনে, মদ তৈয়াৰ কৰোঁতাই মদ প্ৰস্তুত কৰি দিয়ে। মুঠতে যাক যি দায়িত্ব দিয়া হয়, সেইমতে তেওঁ নিজ দায়িত্ব বা কৰ্ত্তব্য যথানিয়মে আৰু যৎপৰোনাস্তি পালন কৰে। গৃহস্থৰ কোনো বেমেজালি নহয়। তেওঁলোকে কাম-কাজ পৰিচালনাৰ বাবে মূৰ ঘমাব লগীয়া নহয়। এয়া যেনিবা ব্যক্তিগত বা পৰিয়ালৰ কামেই নহয়, এটা ৰাজহুৱা সামূহিক কামহে।

ৰাভাসকল মুখ্যতঃ কৃষিজীৱি। ধান খেতি প্ৰায়েই কৰে। খেতি সংৰক্ষণৰ বাবে 'টঙি' সাজি খেতি ৰখাটো এটা প্ৰথা। পাহাৰত বসবাস কৰা নাইবা ভৈয়ামত থকা ৰাভাসকলৰ কিছুমানে আগতে নাওকটা ব্যৱসায়ো কৰিছিল। আজি কালি এই ব্যৱসায় লোপ পালে। গাহৰি আৰু কুকুৰা পালন তেওঁলোকৰ সৰহ সংখ্যকৰে ব্যৱসায়। ছাগলী, পাৰ আদিও পোহে। আগতে ৰাজহাঁহ পালন কৰাটো এটা প্ৰধান ব্যৱসায় বা চখ আছিল। আজি কালি প্ৰায় লুপ্ত হৈছে। আগতে ৰাভাসকলে এৰি, মুগা প্ৰচুৰ পৰিমাণে পালন কৰিছিল। অৱশ্যে এৰি পোহা ব্যৱসায় এতিয়াও অঞ্চল বিশেষে আছে। বৰ্ত্তমান শিক্ষা-দীক্ষা বাঢ়ি অহাৰ লগে লগে বহুতো ৰাভা যুৱক-যুৱতীয়ে বিভিন্ন চাকৰি, ব্যৱসায়, বাণিজ্যত মনোনিবেশ কৰি অৰ্থনৈতিক দিশত আগবাঢ়ি গৈছে।

ৰাভাসকল স্বভাৱতঃ সহজ-সৰল লোক। ঘূৰাই পকাই কথা নকয়। তেওঁলোকৰ স্বভাৱত কৃত্ৰিমতা নাই। সহজ সৰল ভাৱে কোনোমতে খাই-বই জীৱনটো অতিবাহিত কৰিব পাৰিলেই হয়— এয়েই তেওঁলোকৰ মনোভাৱ। উচ্চ আকাঙ্ক্ষা, উচ্চ অভিলাষ তেওঁ লোকৰ খুব কম লোকৰহে আছে। ভৱিষ্যত জীৱনৰ নিৰাপত্তাৰ বাবে সঞ্চয়ৰ ওপৰতো তেওঁলোকৰ বিশেষ গুৰুত্ব নাই। কোনোৰকম খাই-বই চলিব পাৰিলেই হয়। পালে খালে, নাপালেও যেন বৰ ডাঙৰ কথা নহয়। সেয়েহে তেওঁলোকৰ মাজত হাই-কাজিয়া খুব কমেই হয়।



তেওঁলোকে আনক প্ৰবঞ্চনা বা শোষণ কৰিবলৈ ভাল নাপায়। আনহাতে আনে তেনে কৰিলেও সহ্য কৰিব নোৱাৰে। তেওঁলোকৰ সহজ, সৰল আৰু হোজা স্বভাৱৰ সুযোগ লৈ অন্য শ্ৰেণীৰ এচাম লোকে তেওঁলোকক প্ৰতাৰণা কৰিব খোজাটো তেওঁলোকে সহ্য কৰিব নোৱাৰে।

ৰাভাসকল শান্তিপ্ৰিয় লোক। প্ৰকৃতিৰ কোমল কোলাত, পাহাৰীয়া জুৰি নৈৰ পাৰত, হাবি বননিৰ নীৰৱ নিস্তব্ধতাৰ মাজত বসবাস কৰি তেওঁলোকে ভাল পায়। নগৰীয়া হাই-উৰুমি, কোলাহলৰ পৰা আঁতৰি থাকিবলৈ তেওঁলোকে ভাল পায়। পৰ্ব্বত-পাহাৰ, হাবি-বননিৰ পৰা বাঁহ-খেৰ, কাঠ-পাত প্ৰভৃতি সংগ্ৰহ কৰি তেওঁলোকে সাধাৰণভাৱে ঘৰ সাজে। থকা ঘৰ, ভঁৰাল ঘৰ, গোহালি, ঢেঁকীশাল, গাহৰিৰ গৰাল প্ৰভৃতি সুকীয়া সুকীয়াকৈ সাজে। ঘৰ-বাৰী, সাজ-সজ্জাত অনাড়ম্বৰ যদিও চাফ চিকুণ আৰু পৰিপাটি।

ৰাভাসকল পিন্ধন-উৰণত তেনেই সাধাৰণ। শিক্ষিত-অশিক্ষিত, জ্যেষ্ঠ-কনিষ্ঠ যিয়েই নহওক, ঘৰুৱা পৰিবেশত তেওঁলোকে তেনেই সাধাৰণ পোছাক পিন্ধে। বিলাসিতা তেওঁলোকৰ নাই। পুৰণি কালৰে পৰা ৰাভাৰ তিৰোতাসকলে ধুনীয়া ধুনীয়া চানেকিৰে ৰংবিৰঙৰ ফুলাম কাপোৰ তৈয়াৰ কৰি ব্যৱহাৰ কৰাৰ নিদৰ্শন আছে। তেওঁলোকৰ উৎসৱ পাৰ্বণ আৰু কৃষ্টি সংস্কৃতি প্ৰদৰ্শনত তেওঁলোকে জাতীয় পোছাক পৰিধান কৰি গৌৰৱ অনুভৱ কৰে। ৰাভাৰ ছোৱালী, তিৰোতা প্ৰায়েই ভাল শিপিনী।

বিবাহ, উৎসৱ-পাৰ্বণ, কাম-কাজ শ্ৰাদ্ধাদিত মদ অপৰিহাৰ্য্য। নিজাববীয়াকৈ মদ প্ৰস্তুত কৰি এইবোৰত ৰাজহুৱাভাৱে প্ৰচলন কৰে। বৰ্ত্তমানে বিবাহৰ ক্ষেত্ৰত নাইবা আন কিছুমান উৎসৱত মদৰ ব্যৱহাৰ এৰিছে। কাম-কাজত ইয়াৰ প্ৰচলন অব্যাহত আছে।

ৰাভাসকল ধৰ্ম্মভীৰু। ভূত-প্ৰেতলৈ ভয়, ভক্তি আছে। সেয়েহে সকলো ধৰণৰ পূজা-পাৰ্বণ, ধৰ্মীয় ৰীতি-নীতি আটায়েই মানি চলে। সৰহভাগ উৎসৱ পাৰ্বণেই সামূহিক ভাৱে বা ৰাজ-হুৱাভাৱে পালন কৰা হয়।

সামাজিক নীতি-নিয়ম, প্ৰশাসনৰ ক্ষেত্ৰত গাওঁবুঢ়াক সৰ্ব্বাধিক প্ৰাধান্য দিয়া হয়। বিবাহ, পূজা বা মাঙ্গলিক কাৰ্য্যত বিজ্ঞ, বয়োজ্যেষ্ঠ লোকক শ্ৰদ্ধা, সন্মান আৰু প্ৰাধান্য দিয়া হয়। মৃতকৰ সংকাৰ সম্পৰ্কীয় কাৰ্য্য, শ্ৰাদ্ধ কাজ আদিত গৰখীয়াক প্ৰাধান্য দিয়া হয়। কাম পৰিচালনাত ঘৰ-জোঁৱাইৰ ল'ৰাক পুৰোহিতৰ আসন দি সন্মান কৰা হয়। মুঠতে ৰাভাসকলে তেওঁলোকৰ বিভিন্ন সামাজিক অনুষ্ঠানত স্বজাতিৰ লোকৰ ওপৰতেই অধিক গুৰুত্ব আৰু প্ৰাধান্য দিয়ে। অন্য শ্ৰেণীৰ লোকৰ সহায় সাহায্যৰ প্ৰতি তেওঁলোক আকাঙ্খী বা নিৰ্ভৰশীল নহয়।

## বাৰ মাহাৰী

ৰাভাসকলৰ মাজত বহুতো ফৈদ বা গোত্ৰ আছে। এই গোত্ৰসমূহক মাহাৰী বুলি কোৱা হয়। বিশেষকৈ পাতিৰাভা-সকলে তেওঁলোকৰ উপঠালক মাহাৰী বোলে। অন্য শ্ৰেণীৰ ৰাভাসকলৰ মাজত অতীত কালৰে পৰা বহুতো গোত্ৰ চলি আহিছে। এই গোত্ৰসমূহক 'বাৰ' বা 'বাৰায়' কোৱা হয়। দক্ষিণ কামৰূপত মাহাৰীয়েই কোৱা হয়। ৰাভাসকলৰ প্ৰধান ভাগবোৰত অনুসন্ধান কৰিলে শতাধিক বাৰায়ৰ নাম পোৱা যায়। দক্ষিণ কামৰূপৰ পাতিৰাভাসকলৰ মাজত বৰ্ত্তমানে বিচাৰি পোৱা প্ৰধান মাহাৰীসমূহ হ'ল—চুঙ, চিনাল, নাফা, নংদো, কছু, ডাৰু, ডিয়া, ডগম, ৰংৰং, ফাঠো, নংবাগ, ডবাখল প্ৰভৃতি বাৰটা উপঠাল। এইবোৰকে বাৰ মাহাৰী বোলে। ৰাভাসকলৰ সামাজিক বান্ধোন-মতে একে মাহাৰীত বিবাহ নিষেধ। বিবাহৰ বাবে দৰা পক্ষ আৰু কইনা পক্ষৰ মাজত যোগাযোগ কৰোঁতে মাহাৰী সম্পৰ্কে পৰিচয় লোৱাৰ পিছতহে ছোৱালীক বিয়া দিয়া আৰু ল'ৰাক বিয়া কৰোৱা বিষয়ত সিদ্ধান্ত লোৱা হয় বা বন্দোবস্ত কৰা হয়। তথাপি বিয়াৰ নিশা দৰা-কইনাৰ বাপেক দুজনে নিজ-নিজ মাহাৰীৰ পৰিচয় দিব লাগে। তাৰ পিছতহে একে মাহাৰীৰ ভিতৰত নপৰিলে বিবাহ সম্পন্ন হয়।

ৰাভাসকলৰ গোত্ৰ মাতৃ-ভিত্তিক। মাকৰ পৰাহে গোত্ৰ নিৰ্ণয় কৰা হয়। পিতৃৰ গোত্ৰ গ্ৰহণ কৰা নহয়। কিন্তু ৰাভা-সকলৰ সমাজ ব্যৱস্থা পিতৃ প্ৰধানহে, মাতৃপ্ৰধান নহয়।

# ৰাভাসকলৰ ধৰ্ম্মীয় পৰিবেশ

ৰাভাসকলৰ মুখ্য উপাস্য দেৱতা শিৱ, মহাদেৱ। মহাদেৱক লাঙা, লাঙমাৰ প্ৰভৃতি বিভিন্ন ৰূপেৰে পুৰণি কালৰে পৰা ৰাভাসকলে পূজা কৰি আহিছে। তাৰ উপৰি ভূত-প্ৰেত, দেৱ-দেৱতা প্ৰভৃতিত তেওঁলোকৰ অগাধ বিশ্বাস। বৰ্ত্তমানে তেওঁলোকৰ মাজত হিন্দুধৰ্ম্মৰ প্ৰভাৱ ভালদৰেই পৰিছে। অঞ্চল বিশেষে দুৰ্গাপূজা বা লক্ষ্মী আদৰা উৎসৱ তেওঁলোকে আন্তৰিকতাৰে পালন কৰে। এই পূজা সামূহিক ভাৱেও কৰে আৰু ব্যক্তিগত ভাৱে ঘৰে ঘৰে কৰে। কৃষিৰ অধিষ্ঠাত্ৰী ৰূপে খোকচি বা বায়খো পূজা গোৱালপাৰা জিলাৰ অধিক অঞ্চলত প্ৰচলিত। দক্ষিণ কামৰূপৰ বিশেষকৈ লোহাৰঘাট ৰাজাপাৰা অঞ্চলত দুৰ্গাপূজা, কালীপূজা মানে যদিও নিজাববীয়াকৈ পূজা নাপাতে। মনসা পূজাও নাপাতে। বকো, বামুনীগাওঁ প্ৰভৃতি অঞ্চলত মৌজা ভিত্তিত তিনি চাৰি দিনীয়াকৈ মনসা পূজা বা মাৰৈ পূজা পাতে। সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী হিচাবে ৰাভাসকলে এই পূজা কৰে। এই পূজাত 'মজু' বা 'মঞ্চ' তৈয়াৰ কৰে। সেইবাবে ইয়াক 'মজুমাৰৈ' বুলিও কোৱা হয়। এই মজুত মনসা আৰু বেউলা লক্ষীন্দৰৰ কাহিনীৰ লগত জড়িত চৰিত্ৰৰ উপৰিও নানা দেৱ-দেৱীৰ চিত্ৰ অঙ্কন কৰা হয়।

ৰাভাসকলে স্বয়ং ভগৱতীক 'কেচাইখাতি' বা 'কাচাইখাইতী' ৰূপত গ্ৰহন কৰিও পূজা কৰে। এই পূজা বহাগ-জেঠ মাহত কৰে। কিছুমানে লাঙাপূজাৰ দিনাখনো এই পূজা কৰে। হানাঘোঁৰা, জাৰীঘোঁৰা উলিওৱাৰ আগে আগে লাঙা বা লাঙমাৰ পূজা কৰে।

পুৰণি কালৰে পৰা ৰাভাসকলে পৰম্পৰাগতভাৱে শিল, বৃক্ষ, খেৰৰ মূৰ্ত্তি প্ৰভৃতিত তেওঁলোকৰ কাল্পনিক দেৱ-দেৱী, ভূত-



প্ৰেত, প্ৰভৃতিৰ প্ৰাণ প্ৰতিষ্ঠা কৰি সাকাৰ ৰূপত পূজা কৰি আহিছে। নিৰাকাৰ দেৱ-দেৱীৰ পূজা বা দেৱ-দেৱতাৰ ধ্যান-ধাৰণা তেওঁলোকৰ মাজত নাছিলেই। কিন্তু বৰ্ত্তমানে হিন্দুধৰ্ম্মৰ প্ৰভাৱত প্ৰভাবান্বিত হৈ ৰাভাসকলেও অঞ্চল বিশেষত দুৰ্গাপূজা, কালীপূজা, শিৱৰাত্ৰি, গণেশ-পূজা, প্ৰভৃতি সাকাৰ ৰূপত কৰে বা কিছুমানে অন্যই পতা পূজাত অংশ গ্ৰহণ কৰে। ৰাভাসকলক শৈৱ, শাক্ত আৰু জড় উপাসক —প্ৰভৃতি তিনিটা ৰূপতেই পোৱা হয়। দেৱ-দেৱী, ভূত-প্ৰেত, ডাইনী-যোখিনী, বাঘদেও, বাটদেও প্ৰভৃতিৰ পূজাও তেওঁলোকৰ মাজত প্ৰচলিত। বৰ্ত্তমানে আধুনিক চিকিৎসা শাস্ত্ৰমতে ৰোগ ব্যাধিৰ নিৰাময়ৰ কাৰণে বিজ্ঞানসন্মত চিকিৎসা ব্যৱস্থা আছে যদিও পাহাৰত বসবাস কৰা বা পাহাৰৰ নামনিত থকা ৰাভাসকলৰ সৰহ সংখ্যকেই দেও-ভূতৰ ওপৰত বিশ্বাস ৰাখি বা তেওঁলোকৰ মাজত প্ৰচলিত জনবিশ্বাস অনুসৰি পূজা-পাতাল কৰি জ্বৰ বেমাৰ প্ৰভৃতিৰ পৰা নিবৃত্তি পাবলৈ বাঞ্ছা কৰে। বিভিন্ন মাৰি মৰক, জ্বৰ-বেমাৰ ভয়ভীত পোৱা, দুঃস্বপ্ন দেখা, মূৰ্চ্ছাযোৱা, টোপনিত চক্‌খাই উঠা, ভ্ৰমবকা, মূৰৰ বিষ, পেটৰ বিষ, পেটৰ কামোৰ, চকুৰ অসুখ, সদ্যজাত সন্তান সঘনে মৃত্যুমুখত পৰা, শস্য পোক পৰুৱাই অনিষ্ট কৰা, বনৰীয়া জীৱ জন্তুই উপদ্ৰপ কৰা ইত্যাদি ভিন্ ভিন্ অপায়-অমঙ্গল, বিপদ-বিঘিনি হ'লে ৰাভাসকলে ঘৰ গোসানী, কুবেৰ, নাচিনী শিলা, জঙৱ-পূজা, আই, ডাইনী, বাঘদেও, বাটৰদেও, শিলদেও, নাওদেও, চোৰদেও, খাখলাম, হামদেও, কেচাইখাইতী, কচুপাচলাদেও, চিলাচামেন, আকাডাইনী, বৰমান্নী বনৰীয়া গোসাঁই, গৰখীয়া গোসাঁই, টুকুৰীয়া পূজা, বীৰা বা পাঘোন প্ৰভৃতিক পূজা কৰে।

দক্ষিণ কামৰূপৰ বৰদুৱাৰ মৌজা ভিত্তিত লোহাৰঘাটত অৱস্থিত শ্ৰীশ্ৰীমদনমোহন মাটিফুটা দেৱালয়ত দধিমথন, ভাওনা, দৌলযাত্ৰা, শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী, শিৱৰাত্ৰি, প্ৰভৃতি পূজা উৎসৱ

জনজাতীয়, অজনজাতীয় লোক আটাইয়েই মিলি মহা সমাবোহেৰে পালন কৰা হয়। অতীতত হেনো লোহাবঘাটৰ প্ৰখ্যাত নিমাই সদাগৰৰ (ৰাভা) পৃষ্টপোষকতাত এই ঠাইতেই মনসা পূজা চলিছিল। বৰ্ত্তমানে কুলচীত টিয়ামাৰী গোসাঁনী থানত শাক্ত ধৰ্ম্মীয় দেৱী পূজাৰ লগতে বৰমানীৰ (মনসা) পূজা বলি বিধান সহকাৰে জনজাতীয় অজনজাতীয় লোকৰ সমন্বয়ৰ মাজেৰে প্ৰচলিত হৈ আহিছে। এই গোসাঁনী থানতে কাৰ্ত্তিক আৰু গণেশৰ শিলামূৰ্ত্তিও আছে। ইয়াতেই চাৰি দিনীয়াকৈ গোসাঁনী পূজা চলে।

বৰ্ত্তমানে ৰাভা প্ৰমুখ্যে বহুতো জনজাতীয় লোকে শঙ্কৰী ধৰ্ম্মত দীক্ষিত হৈয়ো ধৰ্মীয় আচাৰ ৰীতি মানি চলিব ধৰিছে।

ধৰ্মীয় দিশত অধ্যয়ন কৰিলে দেখা যায় যে ৰাভাসকল স্বভাৱতঃ ধৰ্ম্মপৰায়ণ জাতি। দেৱ-দেৱী, ভূত-প্ৰেত, ডাইনী-যোখিনী হিংস্ৰ, বিষাক্ত জীৱ-জন্তু প্ৰভৃতিক বলি-বিধান আৰু পূজা অৰ্চ্চনাৰ জৰিয়তে সন্তুষ্ট কৰি ৰাখিব পাৰিলেহে সেইবোৰৰ কোপ দৃষ্টিৰ পৰা ৰক্ষা পৰিব পাৰিব আৰু ৰাইজৰ উপকাৰ হব আৰু অভীষ্ট সাধন হব—এয়া হৈছে তেওঁলোকৰ মজ্জাগত বদ্ধমূল ধাৰণা।

## হানা ঘোঁৰা

দক্ষিণ কামৰূপৰ জনজাতীয় অঞ্চলত বিশেষকৈ পাতিৰাভা অধ্যুষিত এলেকাৰ ঠায়ে ঠায়ে বহাগ মাহৰ আৰম্ভণীতে। প্ৰথম বিহুৰ পৰা সাতবিহুলৈ হানাঘোঁৰা নচুৱা এটি বিশেষ আকৰ্ষণীয় কৃষ্টি আছে। এই কৃষ্টি অকল কলাসুলভ এটি কৃষ্টিয়েই নহয় এটি ধৰ্ম্মীয় কৃষ্টিও। ৰাভা সম্প্ৰদায়ৰ লোকসকলে ৰাইজৰ অপায় অমঙ্গল দূৰ হোৱাৰ এটি বিশ্বাসেৰে 'লাঙা' পূজা কৰি গাঁৱত 'হানাঘোঁৰা' নচুৱাই ফুৰে। ৰাভাসকলৰ অধিকাংশই শিৱ ভক্ত। আশুতোষে নগ্নৰূপেৰে পূজা গ্ৰহণ কৰিবলৈ অহা বিশ্বাসকেই সাৰোগত কৰি নঙঠা বা নাঙঠ অৱস্থাৰ শিৱক পূজা কৰাৰ বাবেই এই পূজাক ৰাভাসকলে 'লাঙা পূজা' বোলে। এই পূজাৰ লগতে মাৰি-মৰক, অপায়-অমঙ্গল দূৰ কৰাৰ বাসনাৰে 'হানাঘোঁৰা' সাজি গাঁৱত ঘূৰাই লৈ ফুৰায় আৰু নিৰ্দ্ধাৰিত সময়ৰ সামৰণিত যথাৰীতি মাঙ্গলিক কাৰ্য্যৰে হানাঘোঁৰাৰ পৰিসমাপ্তি ঘটায়।

বহাগ বিহুৰ আগতে বাঁহ কাটি কামি তৈয়াৰ কৰি তমাল বা অন্য প্ৰকাৰে ঘোঁৰাৰ আকৃতিৰ এটি অৱয়ব তৈয়াৰ কৰে। ইয়াৰ ওপৰত কলা কাপোৰ, ঠাই বিশেষে বগা কাপোৰ মেৰিয়াই দি সাইলাখ ঘোঁৰাৰ প্ৰতিকৃতি এটি নিৰ্ম্মাণ কৰে। হানাঘোঁৰাৰ মূৰত দেওছাগলিৰ শিং এযোৰ লগাই দিয়া হয়—যাতে বাঁহেৰে নিৰ্ম্মাণ কৰা হানাঘোঁৰাত অলৌকিক মাহাত্ম্য প্ৰকাশ পায়। পূজা অৰ্চ্চনা কৰি যথাৰীতি ভ্ৰমণৰ উপযোগী কৰিলে হানাঘোঁৰাত দেৱে লম্ভা বুলি জনবিশ্বাস এটি স্বাভাৱিকতে ওপজে। সেয়েহে ৰাভা সম্প্ৰদায়ৰ লোকে হানাঘোঁৰাক ধৰ্ম্মীয় দৃষ্টিৰে শ্ৰদ্ধা ভক্তি নিবেদন কৰে।

হানাঘোঁৰা সম্পূৰ্ণভাৱে সাজি উলিওৱাৰ পিছত বহাগ বিহুৰ দিনাখন কোনো ৰাজহুৱা স্থানত নাইবা গোঁসাই ঘৰৰ প্ৰাঙ্গণত হানাঘোঁৰাৰ যাত্ৰাৰ আগমুহূৰ্ত্তত 'লাঙাপূজা' পাতে। প্ৰস্তুত কৰি উলিওৱা ঘোঁৰাটো থাপনা ৰূপে আগত থয়। দুটা কুকুৰাৰ কণীত (ডিমাত) সেন্দুৰৰ ফোঁট দি বুঢ়া লাঙালৈ নিবেদন কৰে। লাঙাপূজা শেষ হোৱাৰ পিছত ফোঁট দিয়া ডিমা দুটা হানাঘোঁৰাৰ শিঙত লগাই দিয়ে। সমবেত ৰাইজ আৰু ঘোঁৰা লোৱা জনে ভক্তিভাৱে সেৱা সন্মান জনায়। ঘোঁৰা লোৱাজনে আগতে গা-পা ধুই পবিত্ৰভাৱে আৰু ভক্তি ভাৱে ঘোঁৰা লয়। সেৱা সন্মান জনাই নিজে ঘোঁৰাত প্ৰৱেশ কৰি আৰু আগলৈ চাব পৰাকৈ ঘোঁৰাটো ঠিক ভাৱে লৈ যাত্ৰাৰ বাবে সাজু হয়। ঘোঁৰা ফুৰোৱা দলৰ মাজত নাম লগোৱা বা গান দিয়া লোক থাকে। তেওঁ হৈ-হৈ-হৈ-এ বুলি চিঞৰি ধ্বনি দিয়ে। এইদৰেই হৰ্ষধ্বনিৰ মাজত গাঁও ফুৰিবলৈ হানাঘোঁৰাৰ যাত্ৰা আৰম্ভ হয়। যাত্ৰাকালত আৰম্ভণী গীত এইদৰেই গায়—

'লাঙা মাবাৰ আগতে
লাঙা মাবাৰ আগতে
মাহী ঐ ফাটাই খালুং বেল
হৈ হৈ হৈ—এ
পাখাৰা কি চিখিবা
মাহী ঐ ফাটাই খালুং বেল
লাঙা মাবাৰ ঘৰী………
হৈ-হৈ লাঙা মাবাৰ ঘৰী (ঘৰী মদ খোৱা পাত্ৰ)

এইদৰে হানাঘোঁৰা মানুহৰ ঘৰলৈ নিয়ে আৰু ডিমা খোজে।

হানাঘোঁৰা নাচিছে
মাহী ঐ ডিমা খুজিছে
হৈ-হৈ-হৈ-এ



হানাঘোঁৰা ফুৰোৱা দলে গাঁৱৰ মাজেৰে গৈ মানুহৰ ঘৰৰ নঙলাত ক্ষন্তেক বৈ ধ্বনি দিয়ে। গৃহস্থই সেৱা সন্মান জনাই কুকুৰাৰ কণী (ডিমা), চাউল, পইচা প্ৰভৃতি দিয়ে। বহুতে ঘোঁৰাৰ ডিঙিত ন-গামোচা দি সেৱা জনায়। কোনো কোনোৱে নিজৰ ঘৰৰ চোতাললৈও হানাঘোঁৰা নিবলৈ আমন্ত্ৰণ জনায়। তেওঁ-লোকে চোতালখন পৰিষ্কাৰ কৰি মচি-কাচি শুদ্ধ কৰি লয় আৰু তাতেই হানাঘোঁৰাক ক্ষন্তেকৰ বাবে ৰাখে। হানাঘোঁৰাক চোতালত বহুৱাব লগা হ'লে মচি-কাচি পৰিষ্কাৰ ভাৱে ৰখা চোতালত এখন কলপাত পাৰি ঘোঁৰা থোৱা হয়। ৰাইজ বহে। গৃহস্থে জোঙা এটি, এটা দোণত পাঁচটা তামোল, এমুঠি পাণ, কিছু পইচা আগবঢ়াই ঘোঁৰাৰ ডিঙিত এখন ন-গামোচা দি সেৱা জনায়। বিদায় দিয়া সময়ত এপোণ কুকুৰাৰ কণী (ডিমা) দিব লাগে। গৃহস্থৰ ঘৰত ঘোঁৰা লওঁতা জনেও ক্ষন্তেক জিৰণি লয়। এইদৰে দিনৰ দিনটো ঘূৰাই লৈ ফুৰায়।

হানাঘোঁৰা গাঁৱত ঘূৰাই লৈ ফুৰোৱা কালত তলত লিখা গান কেইটিকে সঘনে আওৰাই থাকে।

১। হানাঘোঁৰা নাচিছে
মাহী ঐ ডিমা খুজিছে।
২। ছয়ৰৎ ছয়ৰৎ ছয়ৰতীয়া (৬ ৰাতি)
ধানপৰীয়া মদখন দুইৰতীয়া (২ ৰাতি)
হৈ-হৈ-হৈ-হৈ-এ।

লোহাৰঘাট অঞ্চলত হানাঘোঁৰা নচুৱাই ঘূৰি ফুৰোঁতে মানুহৰ ঘৰৰ পদূলিমুখৰ পৰা তলত লিখা ধৰণে গীত আৰম্ভ কৰে।

৩। হাঁয়ৰো হাঁয়ৰো হাঁয়ৰো অ' দায়া হে হে হে
আ হা-হা কিহৰ বুলিল কায়

হায় হায় কিহৰ বুলিল কায়
আমাৰ ঘোঁৰা নাচিছে তেল খুজিছে
হায় হায় তেল খুজিছে।.........

বকো-বামুণীগাঁও অঞ্চলত দিনৰ সামৰণিত গোৱা গীত—

৪। ছো মাহী ঘৰক যাওঁ
ছো মাহী ঘৰক যাওঁ
মাহী ঐ বেলা বহিল চাকত
হৈ-হৈ-হৈ-হৈ এ।

এইদৰে গীত গাই গাই হানাঘোঁৰা গাঁৱে গাঁৱে লৈ ফুৰে। সন্ধিয়া হ'লে ৰাতিটোৰ জিৰণিৰ বাবে মানুহৰ ঘৰত ৰাখে। সাধাৰণতে যিজনে গধূলিলৈ হানাঘোঁৰা লৈ ফুৰে তেওঁৰ ঘৰতে ৰাতিটোৰ বাবে ঘোঁৰা ৰাখে। ঘোঁৰা ৰখা ঠাইখিনি মছি কাছি পৰিষ্কাৰ কৰি ৰাখে। পিচদিনা পুনৰ যাত্ৰা আৰম্ভ হয়।

হানাঘোঁৰা যাত্ৰাত ঘোঁৰা লোৱা মানুহ এজন। কিন্তু এজনেই গোটেই দিনটো লোৱা সহজ নহয়। সেয়েহে সুবিধাৰ বাবে সাল-সলনিকৈ লৈ থাকে। দুজন ঢাল-তৰোৱাল লোৱা মানুহ, মাদল আৰু দুগুৱী বজোৱা দুজনকৈ মুঠ চাৰিজন, বাঁহী বজোৱা দুজন, শিঙা বজোৱা দুজন, কোদাল বা অঞ্চল বিশেষে ঘন্টি (যাঠি চালনা) বজোৱা এজন আৰু বাঁহৰ টকা (থৰকা) বজোৱা দুজন প্ৰভৃতি মুঠ চৈধ্যজন লোক থাকে। তাৰ উপৰিও গান দিয়া আৰু গানধৰা পাঁচজন বা সাতজন থাকে। এই আটাই-বোৰ লোকে এই কাৰ্য্য অকল সাংস্কৃতিকভাৱে নলৈ ধৰ্ম্মীয় ভাৱে পালন কৰে।

সাত বিহুত ঘোঁৰা নচুৱা সমাপ্ত কৰে। সাত বিহুতেই সামৰণি উৎসৱ পাতে। নোৱাৰিলে সপ্তম দিনৰ শেষ সময়ত



ঘোঁৰা লওঁতাজনৰ ঘৰত হানাঘোঁৰাটো আঁৰি থৈ ন-দিন বা এঘাৰ দিনত সামৰণি উৎসৱ পাতে। সামৰণিৰ দিনা গায়—

আজিৰ পৰা বতৰ যায়
আজিৰ পৰা বতৰ যায়
মাহী ঐ নাচোং ঘূৰি ঘূৰি
মাহী ঐ বেলা বহিল চাকত।

সাত বিহুতেই হওক বা ন বা এঘাৰ বিহুতেই হওক—সামৰণি উৎসৱত সমূহ ৰাইজ সমবেত হৈ পূজা পাতে। এই পূজাত এটা গাহৰি, দুটা ৰঙা কুকুৰা নাইবা পখৰা কুকুৰা আৰু এটা বগা কুকুৰা লাগে। ইয়াতো লাঙা পূজা কৰে। পূজাৰ সময়ত হানাঘোঁৰা আৰু গাহৰি, কুকুৰা প্ৰভৃতি আটাইবোৰ বস্তু সন্মুখত ৰাখে। পূজা শেষ হোৱাৰ পিছত ঘোঁৰা লওঁতাজনে ঘোঁৰাটো মুছৰি মাৰে আৰু ৰাইজ সমন্বিতে গৈ মৃত ঘোঁৰাটো হাবিত বিসৰ্জন দিয়ে। তাৰ পিছত ঘোঁৰা নচুৱা কাৰ্য্যত লিপ্ত আৰু পূজাত থকা সকলো লোকে পূজাস্থলীতে প্ৰায়শ্চিত্ত হয়। ৰাভাসকলৰ মাজতে ৰাইজে নিৰ্ব্বাচন কৰি দিয়া লোকে পুৰোহিতৰ কাৰ্য্য কৰে। তেওঁলোকেই বিবাহতো সকলোমাঙ্গলিক কাৰ্য্য কৰি বিবাহ সম্পন্ন কৰে। সি যি নহওক, পূজাস্থলীত প্ৰায়শ্চিত্ত হোৱাৰ পিছত ৰাইজে লগ লাগি বৰ ভোজ খায়। ভোজত মদ, গাহৰি, কুকুৰা, ডিমা প্ৰভৃতি থাকে। এইদৰেই হানাঘোঁৰা নচুওৱা পৰ্ব্বৰ সামৰণি পৰে।

লোহাৰঘাটৰ ওচৰৰ মহমাৰাং, আলিহা প্ৰভৃতি ঠাইত এসময়ত এমাহলৈকে হানাঘোঁৰা নচুওৱা প্ৰবাদ আছে। এইবোৰ কৰি ফুৰোঁতে পকাধান বান্দৰে খাই শেষ কৰে, আদা কচু ৰুবলৈ সময় নাইকিয়া হয়।

আদা ৰুওঁতে হাঁয় হাঁয়
কচু ৰুওঁতে হাঁয় হাঁয়

অ' পকাধান বান্দৰে খায়
তিল্ তিল্ মাৰাংতে
অ' হাঁয় হাঁয় তিল্ তিল্ মাৰাংতে।
তিং তিং তাং তাং
তিৰ্ ৰ্ ৰ্ হেই।

হানাঘোঁৰাৰ প্ৰচলন সম্পৰ্কে এটি কিম্বদন্তী আছে। পুৰণি কালত পাহাৰ অঞ্চলত গাৰো আৰু খাচীসকলে একেলগে বাস কৰিছিল। গাৰোৰ ৰজা ৰামৰায়। তেওঁৰ ভায়েক চানাৰাম। এইসকলৰ পিতৃ-পিতামহৰ কালতো হেনো লাঙা পূজা কৰি হানাঘোঁৰা নচুওৱা হৈছিল। ককায়েক ৰামৰায়ৰ পৰা আঁতৰি আহি চানাৰাম বেলেগে নামনিত ৰজা হয়। বৰ্ত্তমানে বকো থানাৰ অন্তৰ্গত লাম গাঁৱৰ ওচৰত ঔফুলা নামৰ ঠাইত পাহাৰৰ গুহাত হেনো চানাৰাম ৰজাই পূজা কৰি নৰবলি দিছিল। এই পূজাৰ লগতে তেৱেঁ হানাঘোঁৰা নচুওৱা উৎসৱ কৰিছিল। বৰ্ত্তমানে সেই ঠাইত পূজা কৰাৰ কোনো চিন্‌চাব নাই। কিন্তু ঔফুলাৰ সেই পাহাৰৰ গুহা এতিয়াও জনসমাজৰ বিবৰ্জিত আৰু ভয়লগা ঠাই হিচাবেই পৰি আছে। চানাৰাম ৰজাৰ পৰা হেনো বৃটিছ চৰকাৰে কৰ আদায় কৰিছিল। ইয়াৰ পৰা জানিব পাৰি যে অন্ততঃ উনৈশ শতিকাৰ ভিতৰতো দক্ষিণ পশ্চিম কামৰূপৰ পাহৰুৱা অঞ্চলৰ জনজাতি অধ্যুষিত ঠাইত নৰবলি প্ৰথা আছিল। বৰ্ত্তমানে নৰবলি প্ৰথা নাই যদিও হানাঘোঁৰাৰ প্ৰচলন বিলুপ্ত হোৱা নাই। অৱশ্যে অৰ্থনৈতিকভাৱে পিচ পৰা জনজাতীয় এলেকাত পূজা-সামগ্ৰীৰ দাম চৰা হোৱা বাবে আৰু অন্য সামাজিক বাধাৰ বাবে হানাঘোঁৰা নচুওৱা পৰম্পৰাও লোপ পাই আহিব ধৰিছে।

দক্ষিণ কামৰূপৰ বকো অঞ্চলৰ লামগাওঁ, নিচিমপুৰ, নাওল কোনা, দাখিলিপাৰা, খাটিৰা, (বামুনীগাওঁ) প্ৰভৃতি, ৰাণী, লোহাৰঘাট অঞ্চলৰ আলিহা, মহমাৰাং, ৰাজাপাৰা, প্ৰভৃতি পাতিৰাভা সম্প্ৰদায়ৰ লোক বসতি পূৰ্ণ ঠাইত হানাঘোঁৰাৰ প্ৰচলন পাতলকৈ হ'লেও আছে। পুৰণি দিনৰে পৰা প্ৰচলিত হানাঘোঁৰা উৎসৱৰ ৰীতি-নীতিৰ বিশেষ সাল-সলনি হোৱা নাই। অৱশ্যে ঘোঁৰা নিৰ্ম্মাণ আৰু পূজাৰ সামগ্ৰীৰ পৰিমাণৰ তাৰতম্য কিছু ঘটিছে।



ৰাভাসকলে নিজক হানা আৰু অন্য হিন্দুসকলক 'খেনা' বোলে। আনহাতে ৰাভাৰ এটা ঠালকো 'হানা' কোৱা হয়। এই হানাৰাভাসকলে পোনপ্ৰথমে ঘোঁৰা নচুওৱা বুলিও হানাঘোঁৰা বোলে।

প্ৰবাদ আছে—আগতে হানাঘোঁৰাৰ অদ্ভুত শক্তি আছিল। কোনো লোকে হানাঘোঁৰাক বিদ্ৰূপ কৰিলে বা ভেঙুচালি কৰিলে তেওঁৰ অমঙ্গল হৈছিল। আনকি জনৈক ব্যক্তিৰ মুখ বেঁকা হৈ ৰোৱা কাহিনীও শুনা যায়। সেয়েহে হানাঘোঁৰাক জনজাতীয় লোকে আৰু সমীপবৰ্ত্তী অজনজাতীয় লোকেও ভয় আৰু শ্ৰদ্ধাৰে চায়।

হানাঘোঁৰাৰ ওপৰত মানুহৰ অগাধ বিশ্বাস আৰু অসীম ভক্তি আছে। ৰুগ্নজনে ৰোগৰ পৰা আৰোগ্য লাভ কৰিবলৈ, নিঃসন্তানজনে সন্তান লাভ কৰিবলৈ, বিপদগ্ৰস্তজনে বিপদৰ পৰা হাত সাৰিবলৈ হানাঘোঁৰাৰ ওচৰত প্ৰাৰ্থনা জনায়। অভিজ্ঞ বয়োজ্যেষ্ঠজনে মনোবাঞ্ছা পূৰণৰ বাবে আশীৰ্ব্বাদ দিয়ে। বহু ঠাইত হানাঘোঁৰাৰ প্ৰচলন লুপ্ত হ'ল যদিও যিবোৰ ঠাইত এতিয়াও হানাঘোঁৰা নচুওৱা হয়, সেই ঠাইত শ্ৰদ্ধা, ভক্তি, বিশ্বাস এতিয়াও অটুট আছে।

# জাৰীঘোঁৰা আৰু পাৱনৃত্য

পুৰণি কালৰে পৰা অসমত বসবাস কৰা বিভিন্ন জনজাতীয় লোকসকল মঙ্গোলীয় ফৈদৰ লোক বুলিয়েই নৃতত্ববিদ সকলে ঠাৱৰ কৰিছে। এই ফৈদৰ বড়ো গোষ্ঠীৰেই এটি উপ-জনজাতি হৈছে ৰাভাসকল। সামাজিক, ধৰ্ম্মীয় আৰু শাৰীৰিক অৱয়ব বা দৈহিক জীৱনত বিভিন্ন জনজাতিৰ মাজত সামঞ্জস্য আছে। ৰাভা জনজাতি মূলতঃ এটা ফৈদেই আছিল। বৈদিক যুগত মানুহৰ কৰ্ম্ম বিভাজনৰ বাবে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ জাতিৰ সৃষ্টি হোৱাৰ নিচিনাকৈ ৰাভাসকলেও তেওঁলোকৰ শ্ৰেষ্ঠ দেৱতা 'খোকৃচি' বা বায়খো পূজাৰ সামূহিক কাম কাজবোৰ পৰিচালনা কৰাৰ সুবিধাৰ্থে কৰ্ম্মবিভাজন কৰি লৈছিল। অৱশেষত সেই কৰ্ম্ম-অনুসৰি গঠিত হোৱা দল বা খেলবোৰেই ৰাভাসকলৰ কিছুমান উপজাতিত পৰিণত হয়। ৰাংদানীয়া, মায়টৰীয়া, দাহৰী, চুঙা, পাতি, বিটলীয়া, আৰু কোচ্ছা ৰাভা। বৰ্ত্তমানে এইসকলৰ বহুকেইটা উপজাতি নাইকিয়া হৈছে। যি কেইটা উপজাতি বৰ্ত্তমানে কামৰূপ, গোৱালপাৰা বা অন্য' জিলাসমূহত আছে প্ৰায় আটাইবোৰৰ মাজতে ভালেমান সামাজিক আৰু ধৰ্ম্মীয় দিশত সামঞ্জস্য আছে যদিও আদিম কালৰে পৰা প্ৰচলিত কিছুমান কৃষ্টি সংস্কৃতি আটাইবোৰে ধৰি ৰাখিব পৰা নাই।

ভাৰতবৰ্ষৰ ভৌগলিক অৱস্থিতিৰ বাবেই বিভিন্ন অঞ্চলত মৌচুমী বায়ুৰ প্ৰভাৱ পৰাৰ ফলত উত্তৰ-পূৰ্ব্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ লগতে অসম ভূমিতো ইয়াৰ প্ৰভাৱ চিৰন্তন। ইয়াৰ প্ৰভাৱতেই অসম ভূমি "সুজলা সুফলা শস্য শ্যামলা"। কৃষি প্ৰধান এই ৰাজ্যত কৃষি আৰু কৃষ্টিক লৈ বিহু আৰু অন্যান্য কৃষ্টি আৰু উৎসৱ



পাৰ্বণৰ সৃষ্টি হৈছে। কৃষিৰ লগত সম্পৰ্কিত এই উৎসৱসমূহ অসমৰ বিভিন্ন জনগোষ্ঠীয়ে ভিন্ ভিন্ ভাৱে সৌ তাহানি কালৰে পৰা পালন কৰি আহিছে। ৰাভাসকল ইয়াৰ ব্যতিক্ৰম নহয়। এই লোক সকলৰ মাজতো কিছুমান ধৰ্ম্মীয় আৰু জনবিশ্বাস অনুসৰি পূজা-পাতাল, উৎসৱ-পাৰ্বণ প্ৰভৃতি পৰম্পৰাগত ভাৱে উদ্‌যাপিত হৈ আহিছে।

সমগ্ৰ দক্ষিণ-কামৰূপ অঞ্চল পাতিৰাভা অধ্যুষিত ঠাই। এই অঞ্চলৰ মাজতো ভালেমান জাতীয় কৃষ্টি, সংস্কৃতি বিদ্যমান। যথাস্থানত তেওঁলোকৰ গাৰ্হস্থ্য জীৱন, সামাজিক ৰীতি-নীতি, কৰ্ম্ম, জনবিশ্বাস আৰু কৃষ্টিৰ ক্ষেত্ৰত, হানাঘোঁৰা, বগেজাৰী, টুকুৰীয়া গীত, প্ৰভৃতি সম্পৰ্কে আলোচনা কৰা হৈছে। এই প্ৰবন্ধত পাতি ৰাভাসকলৰ মাজেৰে একাংশত প্ৰচলিত 'জাৰীঘোঁৰা' আৰু 'পাৱনৃত্য' সম্পৰ্কে এটি প্ৰতিচ্ছবি বা আলচ আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

পাতিৰাভাসকলৰ মাজত শৈৱ আৰু শাক্ত ধৰ্ম্মৰ দুয়োটাৰে সমানে প্ৰভাৱ আছে। শক্তিৰ পূজা উপলক্ষে আই, কামাখ্যা, মনসা, বুঢ়ীগোসাঁনী, কাচাইখাইতীৰ পূজা কৰে। শিৱস্তুতিৰ বাবে 'লাঙা' পূজা প্ৰধান। শক্তি আৰু শিৱ উভয়ৰ পূজাৰ সমন্বয়তেই দক্ষিণ কামৰূপৰ বকো অঞ্চলৰ দেলিয়াপাৰাত জাৰীঘোঁৰা নচুওৱা এটি আকৰ্ষণীয় কৃষ্টি আছে।

বকোৰ পৰা প্ৰায় চাৰি কিলোমিটাৰ পূৱত দুধকুঁৱৰী নামৰ এখন শিলাময় পাহাৰ অৱস্থিত। পাহাৰৰ উত্তৰ, দক্ষিণ আৰু পশ্চিম ফালে দেলিয়াপাৰা গাঁও। ইয়াৰ অধিবাসী সকল পাতি-ৰাভা জনজাতীয় লোক। দুধকুঁৱৰী পাহাৰৰ ওপৰত দুধকুঁৱৰী থান বা আইৰ থান আৰু কামাখ্যা থান আছে। অতি পুৰণি কালৰে পৰা তাত ভগৱতীৰ পূজা প্ৰচলিত। একেদিনাই প্ৰথমে

আই থানৰ পূজা আৰু আইৰ পূজাৰ শেষত কামাখ্যাৰ পূজা কৰিব লাগে। আগতে গাঁৱৰ সমূহ ৰাইজে লগ লাগি পাহাৰৰ ওপৰত আই কামাখ্যাৰ পূজা ৰাজহুৱা ভাৱে কৰিছিল। ন-খোৱা বা কোনো বিশেষ কাৰণত ব্যক্তিগত ভাৱেও তাত পূজা কৰিছিল। কিন্তু বৰ্ত্তমানে ৰাইজৰ জনসংখ্যা বৃদ্ধি আৰু বিভাজনৰ বাবে পাহাৰৰ নামনিত স্থকীয়াকৈ লাঙা পূজা আৰু শ্মশানকালীৰ পূজা প্ৰচলিত হৈ আছে।

বৰ্ত্তমানে ছুধকুঁৱৰী পাহাৰৰ উত্তৰ দিশৰ নামনিত অৱস্থিত দেলিয়াপাৰাৰ বুঢ়া লাঙা গোসাঁই ঘৰত বহাগ বা জেঠ মাহৰ কোনো এটি সুবিধাজনক মঙ্গলবাৰত লাঙা পূজা কৰা হয়। সেই ঠাইতেই পূৰ্ব্বতে পাহাৰৰ ওপৰত কৰা পূজাৰ লেখিয়াকৈ আই কামাখ্যাৰ নামত স্থকীয়া স্থকীয়াকৈ পূজা ভাগ আগবঢ়োৱা হয়। ৰাইজৰ সুখ-সমৃদ্ধিৰ বাবে আৰু মাৰি-মৰক, অপায়-অমঙ্গল প্ৰভৃতিৰ পৰা পৰিত্ৰাণ পোৱাৰ মানসেৰে এই পূজা কৰা হয়।

ধৰ্ম্মীয় বিশ্বাস আৰু মাঙ্গলিক ৰীতি-নীতি আৰু উলহ-মালহেৰে সন্ধ্যাৰ আগে আগে পূজা সম্পন্ন কৰা হয়। লাঙা পূজাত কাৰেংগুৰা, কল কুকুৰা প্ৰভৃতি প্ৰধান সম্ভাৰ। যথাসাধ্যে ৰাজহুৱাভাৱে আৰু ব্যক্তিগতভাৱে উক্ত সম্ভাৰসমূহ লাঙা দেৱতালৈ আগবঢ়োৱা হয়। ৰাইজৰ নিৰ্ব্বাচিত দেউৰীৰ পৰিচালনাত যথা-ৰীতি পূজা কৰা হয় আৰু পূজাৰ অন্তত লাঙা দেৱতালৈ আগবঢ়োৱা কল, কাৰেংগুৰা (ভজা চাউলৰ গুৰি) প্ৰভৃতি সকলোৱে ভগাই খায়। ৰাইজে লাঙা দেৱতাক প্ৰাৰ্থনা জনাই হৰিধ্বনি কৰে। পূজাৰ যাবতীয় কাম সমাপ্তিৰ পিছত গধূলি জাৰীঘোঁৰা লৈ গাঁও ফুৰা হয়।

জাৰীঘোঁৰা হৈছে—কাঠ বাঁহেৰে সজা এটি ঘোঁৰাৰ প্ৰতিমূৰ্ত্তি। বাঁহৰ কামীৰে ঘোঁৰাৰ শৰীৰটো আৰু কাঠেৰে ঘোঁৰাৰ



মূৰটো তৈয়াৰ কৰা হয়। মূৰত দেও ছাগলীৰ শিং এজোৰ লগাই দিয়া হয়। জাৰীঘোঁৰা আৰু হানাঘোঁৰাতো দুষ্প্ৰাপ্য দেও ছাগলীৰ শিং এজোৰ লগাই আকৰ্ষণীয়, লগতে ভয়াবহ কৰি তোলা হয়। শিং দুটাত কুকুৰাকণী খুচি দিয়া হয়। গাত ক'লা, বগা কাপোৰেৰে মেৰিয়াই পখৰা কৰি ধুনীয়াকৈ সজোৱা হয়। ঘোঁৰাটোৰ মধ্যত এটা ডাঙৰ বিন্ধা ৰখা হয়—যাতে তাত এজন মানুহ সোমাই মুকলিভাৱে নচুৱাব পাৰে। ঘোঁৰাৰ কপালত সাত ধাতুৰ দুমুখীয়া মাদলি এটা আঁৰি দিয়া হয়। ঘোঁৰাৰ চকু দুটা পিতলেৰে তৈয়াৰ কৰি যথাস্থানত লগাই দিয়া হয়। মুখমণ্ডল দেখিবলৈ ভয়াবহ হৈ উঠে। এইদৰে জাৰীঘোঁৰা তৈয়াৰ কৰা হয়। এই ঘোঁৰাক জাৰীঘোঁৰা বোলাৰ কাৰণ বিচাৰি পোৱা হোৱা নাই।

দিনত পূজা সমাপ্ত হোৱাৰ পিছত ৰাইজে প্ৰাৰ্থনা কৰি হৰিধ্বনি দিয়ে আৰু ৰাইজৰ মাজৰ পৰাই এজন উপযুক্ত বিবেচনা কৰা লোকৰ ওপৰত ঘোঁৰা নচুওৱাৰ দায়িত্ব অৰ্পণ কৰে। তেওঁক ঘোঁৰাৰ বাপ্‌কে (বাপেক) বুলি কোৱা হয়। এইজনে গোটেই নিশা জাৰীঘোঁৰা নচুৱাই ফুৰে। অৱশ্যে গোটেই নিশা এজনেই ঘোঁৰা নচুৱা সম্ভৱপৰ নহয়। সেয়েহে অন্য ডেকায়ো তেওঁৰ সহায়ক হিচাপে ঘোঁৰা নচুওৱাত অংশ গ্ৰহণ কৰে। গধূলিৰ আগে আগে গাঁৱৰ সামৰ্থ্যবানলোকে নিজৰ ঘৰলৈ ঘোঁৰা নিমন্ত্ৰণ কৰে। সেই মৰ্মে ঘোঁৰাৰ বাপেকৰ নেতৃত্ব আৰু পৰি-চালনত যোৱা ৰাইজে নিমন্ত্ৰণকাৰীসকলৰ ঘৰলৈ গৈ নিমন্ত্ৰণ ৰক্ষা কৰাৰ লগতে গাঁৱত বাদ্য-বাজনা গীত-মাত আদিৰে আনন্দ উৎসৱ আৰু মাঙ্গলিক ধ্বনিৰে জাৰীঘোঁৰাক লৈ গাঁও পৰিভ্ৰমণ কৰে। জাৰীঘোঁৰা পৰিভ্ৰমণত দোগৰ, দীঘল পেটী, ঢোল, শিঙা, কালি, বাঁহী প্ৰভৃতি বজাই ঘোঁৰাক আগত লৈ মানুহবোৰে গীত গাই নাচি নাচি যায়। হৰিধ্বনি কৰি গোসাঁইঘৰৰ পৰা ঘোঁৰা উলিয়াই সৰ্বপ্ৰথমে দেউৰীৰ ঘৰলৈ নিয়া হয়। এইটো এটা

চিৰাচৰিত প্ৰথা। গোসাঁইঘৰৰ পৰা দেউৰীৰ ঘৰলৈ যাওঁতে দেওধনীও নাচি নাচি যাব লাগিব। অন্যৰ ঘৰলৈ নগ'লেও হয় বা নাযায়। দেউৰীৰ ঘৰত ৰাইজক মদ, পিঠা-পনা প্ৰভৃতিৰে আপ্যায়িত কৰা হয়। ভগৱতীৰ অৰ্থাৎ জাবীঘোঁৰাৰ বাবে এটা কুকুৰা পোৱালি বা কণী দিব লাগে। অন্যান্য মানুহৰ ঘৰলৈ গ'লেও জাবীঘোঁৰাক কুকুৰা কণী দিয়ে। কণী ঘোঁৰাৰ শিঙত খুন্দিয়াই থকথকাই দিব লাগে। সেইদৰেই পূজা দিয়া বুলি ধাৰণা কৰে। কিছুমানে শিঙত বিন্ধায়ো দিয়ে। অন্যথাই সামান্যভাৱে কণী ফটাই ৰাইজৰ মানুহে কণীবোৰ গোটাই লৈ আহে। এইদৰে গোটেই গাঁও ফুৰাৰ পিছত ৰাতি পুৱায়। ৰাতি পুৱালত ঘোঁৰা গোসাঁই ঘৰলৈ আনি সেৱা সন্মান জনাই চাঙত তুলি থয়। পিছত দেউৰীয়ে ঘোঁৰাৰ কাপোৰ কানি খুলি ধুই-পখালি পৰিষ্কাৰ কৰি যথাস্থানত থয়। দেও ছাগলীৰ শিং, পিতলৰ চকু, ত্ৰুমুখীয়া মাদলি প্ৰভৃতিও খুলি ভালদৰে সংৰক্ষণ কৰে। ঘোঁৰা ফুৰোৱা লোকসকলে বিভিন্ন ঘৰৰ পৰা সংগ্ৰহ কৰা কণী, পিঠা-পনা আৰু অন্যান্য সামগ্ৰীবোৰ লগ লাগি খাই উঠি ঘৰা-ঘৰি গুচি যায়। ইমানতে জাবীঘোঁৰা নচুওৱা পৰ্ব সমাপ্ত হয়।

জাবীঘোঁৰা নচুৱাওঁতে হানাঘোঁৰা নচুওঁৱাৰ নিচিনাকৈ বগে-জাৰী গীত গোৱা হয়। দুয়ো ধৰণৰ ঘোঁৰা নচুৱাওঁতে একে ৰকমৰ গীত গোৱা হয় যদিও সুৰ বেলেগ বেলেগ হয়। হানা-ঘোঁৰা দিনত একেৰাহে সাত বা ন দিনলৈকে আৰু বহাগৰ প্ৰথম বিহুৰ পৰা সাত বিহুলৈ বা ততোধিক দিনলৈ নচুওঁৱা হয়। কিন্তু জাবীঘোঁৰা ৰাতি ঘূৰোৱা হয়। সময়ৰ কোনো নিৰ্দিষ্টতা নাই। বহাগ বা জেঠৰ কোনো খৰ বতৰৰ মঙ্গলবাৰত দিনত পূজা কৰি ৰাতি জাবীঘোঁৰা নচুওঁৱা হয়। হানাঘোঁৰা নচুওঁৱাৰ অন্তত ঘোঁৰাক হাৰিত পেলাই দিয়া হয়। ৰাইজে ভোজভাত খায়। কিন্তু জাবীঘোঁৰাক গোসাঁইঘৰত সংৰক্ষণ কৰা হয়। ভোজভাত খোৱাৰ দস্তুৰ নাই।



**পাৰনৃত্য :**

দক্ষিণ কামৰূপৰ পাতিৰাভা সম্প্ৰদায়ৰ মাজত অঞ্চল বিশেষত থকা এটি আকৰ্ষণীয় কৃষ্টি হৈছে—'পাৰনৃত্য'। আদিম কালৰে পৰা জনজাতীয় লোকসকলৰ মাজত প্ৰচলিত বৃক্ষপূজাৰ এটি নিদৰ্শন। পাৰদেৱ ৰাভাসকলৰ অন্যতম ইষ্টদেৱতা। পাৰদেৱক পূজা কৰি পাৰনৃত্য কৰা হয়। এই নৃত্যউৎসৱ ৰাজহুৱা ভাৱে উদ্‌যাপন কৰা হয় যদিও কবলৈ গলে নৃত্য কাৰ্য্য একক। দক্ষিণ কামৰূপৰ বকো এলেকাৰ বিশেষকৈ দেলিয়াপাৰাত এই কৃষ্টি এতিয়াও এক ধৰ্মীয় জনবিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই আছে। আগতে বহাগ বিহুত পাৰদেৱক পূজা কৰি সাত বিহুত এই নৃত্য প্ৰদৰ্শন কৰা হৈছিল। বাৎসৰিক কৰ্ম হিচাপে মানি লৈ চিৰা-চৰিত ৰীতিমতে এই কাৰ্য্য চলাই থকা হৈছিল। কিন্তু বৰ্ত্তমানে সমাজত আধু-নিকতাৰ প্ৰভাৱ পৰাত পূৰ্বৰ দৰে বছৰেকীয়া অনিবাৰ্য্য পূজা হিচাপে উদ্‌যাপিত নহয়। কোনো বিশেষ উৎসৱ উপলক্ষে প্ৰদৰ্শন কৰিবলৈ আমন্ত্ৰণ কৰিলে লাঙা গোসাঁইঘৰত যথাবিহিত পূজা কৰি নিমন্ত্ৰণ কৰা স্থানলৈ গৈ পাৰনৃত্য প্ৰদৰ্শন কৰে। বকোত বহাগৰ সাত বিহুত প্ৰচলিত সুঁৱৰী উৎসৱত পাৰনৃত্য প্ৰদৰ্শন কৰা হয়। মিৰ্জাৰ ওচৰৰ গোসাঁইহাট গাঁৱতো বড়ো গোষ্ঠীৰ লোকসকলে ৰঙালী বিহুৰ মাজতে কৰা সুৱৰী উৎসৱত পাৰনৃত্য বা 'পাউবাঘূৰোৱা' উৎসৱ পালন কৰিছিল।

পাৰনৃত্যৰ প্ৰধান সঁজুলি হৈছে এডাল ২৫/২৭ হাত দীঘল জাতি বাঁহ। পোন জাতিবাঁহ এটা কাটি অনা হয়। আৱশ্যক অনুসৰি জুইত সেকি, ভাঁজ থাকিলে পোন কৰি লোৱা হয়। চাৰিডাল নহলীয়া টমালেৰে 'ঝিলু' তৈয়াৰ কৰি মৰাপাটেৰে গুৱিৰ পৰা আগলৈকে গুঠি বাঁহটো শুৱনি দেখিবৰ বাবে চাৰি-সিৰীয়া কৰা হয়। তাৰ পিছত গোটেইটো বাঁহত নতুন বগা

কাপোৰেৰে মেৰিয়াই দিয়া হয়। তাৰ ওপৰত ৰঙা কাপোৰ মেৰিয়াই মাজে মাজে তলত বগা কাপোৰ দেখাকৈ ৰঙা বগাৰে পখৰা কৰি গুৰিৰ পৰা আগলৈকে মেৰিয়ায়। ৰঙা, ক'লা আৰু সেউজীয়া তিনি ৰঙৰ প্ৰায় এৰেগেত ডেৰবেগেত বহল কাপোৰেৰে সম্পূৰ্ণ বাঁহৰ তিনি ঠাইত কুচুনী বন্ধা হয়। অৰ্থাৎ সজ্জিত বাঁহটো দেখিবলৈ ধুনীয়া দেখাকৈ তিনিবৰণীয়া কাপোৰেৰে কোঁচ খুৱাই মেৰিয়াই বন্ধা হয়। প্ৰত্যেক কুচুনীত 'গোন্ধ চোঁৱৰ' দিব লাগে। তাৰ উপৰি বাঁহৰ আগৰফালে ওপৰত গোন্ধ চোঁৱৰ আৰু গুৰিৰ ফালে ঘুগুৰা ( জুনুকা ) পিন্ধাই দিব লাগে। মাজে মাজে তেল সেন্দুৰ দিব লাগে। এইদৰেই পাৰবাঁহ তৈয়াৰ কৰা হয়।

ৰাইজে এজন সুঠাম সবল ডেকাক পাৰৰ বাপ্‌কে বা বাপ্‌কি ( বাপেক ) নিৰ্বাচন কৰি দিয়ে। তেওঁৰ পৰিচালনাত পাৰনৃত্যৰ যাৱতীয় কাম পৰিচালিত হয়। দুজন পাৰভাৰী থাকে। পাৰবাঁহ মাটিত থোৱা নিষেধ। নৃত্যৰ সময়ত অৰ্থাৎ পাৰ ঘূৰোৱা সময়ত ঘূৰোৱা মানুহজনৰ হাততেই থাকে। অন্যসময়ত পাৰভাৰী দুজনে একেলগে দুছোৱাকৈ বাঁহেৰে তৈয়াৰ কৰা খোপনীয়াৰ তলফালে থকা জোঙেৰে মাটিত বিন্ধাই থিয়কৈ পোতে আৰু দুয়োফালে ভাৰসাম্য বজাই ৰাখি পাৰবাঁহ পথালিকৈ খোপ থকা অংশত থয়। পাৰবাঁহক দেৱতাৰ দৰে পূজা কৰে। সেয়েহে মাটিত থব নাপায়। এইটো এটা জনবিশ্বাস। সকলোৱে ইয়াক চুবও নাপায়। গা-পা ধুইহে চুব পাৰে। উপবাসে থকাৰ প্ৰয়োজন নাই।

সময় সাপেক্ষে পাৰবাঁহক সেৱা সন্মান জনাই থিয় কৰি লৈ নিজৰ গাৰ চাৰিওফালে প্ৰদক্ষিণ কৰাৰ নিচিনাকৈ ঘূৰাব লাগে। এনে ধৰণে ডেকাসকলৰ মাজত প্ৰতিযোগিতাও হয়। যি জনে সৰ্বাধিকবাৰ ঘূৰাব পাৰে তেৱেঁই শ্ৰেষ্ঠ প্ৰতিযোগী বুলি



বিবেচিত হয়। ২৫/২৭ হাত দীঘল আৰু সেই অনুপাতে শকত বাঁহ এটা থিয়কৈ লৈ মাটিত নপৰাকৈ সাৱধানে ৰাখি নিজৰ গাৰ চাৰিওফালে ঘূৰোৱাটো তেনেই সহজ কাম নহয়। তথাপিও সবল সুঠাম দেহৰ শক্তিশালী পুৰুষে অভ্যাসৰ বলত এশৰ পৰা ডেৰশ বা ততোধিক বাৰ ঘূৰোৱা নিদৰ্শন আছে।

পাৰনৃত্য, বৃক্ষপূজা নাইবা পাৰদেৱৰ পূজাৰ নিদৰ্শন। ৰাইজৰ অপায়-অমঙ্গল দূৰীকৰণ আৰু শক্তি সাধনা ইয়াৰ উপলক্ষ্য।

পাৰনৃত্যত ঢোল বজাই গীত গাই চাপৰি বজাই ফুৰ্ত্তি কৰে। পাৰঘূৰোৱা কাম একক যদিও ইয়াৰ লগত ভালেমান লোকে ঢোল-পেঁপা বজায় আৰু হাত চাপৰি মাৰি পাৰনৃত্য সম্পৰ্কীয় আৰু বহুৰঙী বগেজাৰী আৰু ৰাভা জনজাতীয় সমাজৰ লগত জড়িত কথাবোৰক লৈ গীতৰ সুৰেৰে গাই যায়। পাৰনৃত্যৰ লগত গোৱা এফাঁকি গীত তলত উল্লেখ কৰা ধৰণৰ—

অ' হাঁয় হাঁয় মাকলা ঐ
মাকো লীলায়।
তিনটি মালী মাকাৰা জালি
দিলুং উঝুৰাই ॥
অ' হাঁয় হাঁয় মাকলা ঐ
মাকো লীলায় ॥
কাউৰ কান্দে কালা-লাক্
বাঁহৰ ওপৰত ঐ
বাঁহৰ ওপৰত।
ফুল তুলা মেখেলি
পাৰৰ ওপৰত ঐ
পাৰৰ ওপৰত ॥
অ' হাঁয় হাঁয়……।

একে ঘাৱাই কাটিলুং
শাল গাজিলি ঐ
শাল গাজিলি
নাচিবাকে নাজানা তই
সিয়ান আজিলী ঐ
সিয়ান আজিলী
পৰ্বতৰ গান্দুৰা খৰি
লাগে ঘুলাই ঘুলায় ঐ
লাগে ঘুলাই ঘুলায়।
তোকে গাভৰু মন খালুং
কিন্‌কে আনিম ভুলাই ঐ
কিন্‌কে আনিম ভুলাই॥
অ' হাঁয় হাঁয় মাকলা ঐ
মাকো লীলায়।

হানাঘোঁৰা, জাৰীঘোঁৰা, পাৰনৃত্যত গোৱা গীতবোৰ প্ৰায় একেই। মাত্ৰ সুৰ বেলেগ বেলেগ। এই সকলোবোৰ গীততে সহজ সৰল ৰাভা জনজাতিৰ সামাজিক জীৱনৰ লগত জড়িত কথা-বোৰৰ প্ৰতিচ্ছবি অংকিত আছে। ধৰ্ম্মীয় বিশ্বাসৰ ভিত্তিত জন-জাতীয় সাজ-পোছাকেৰে পুৰণি কৃষ্টিবোৰ এতিয়াও জীয়াই আছে। অৱশ্যে অঞ্চল বিশেষে এইবোৰৰ কিছুমান মৃতপ্ৰায়। এইবোৰ জীয়াই ৰাখি সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে।

# মাৰাং খেদা

দক্ষিণ কামৰূপৰ পাতিৰাভা সম্প্ৰদায়ৰ মাজত ঠাইবিশেষে মাৰাং খেদা প্ৰথা এটি আছে। ৰাভাসকল ভূতপ্ৰেত বিশ্বাসী। ৰাইজৰ মাজত অপায় অমঙ্গল, মাৰি মৰক প্ৰভৃতিৰ মূলতে ভূতপ্ৰেত বুলি তেওঁলোকৰ মাজত জনবিশ্বাস আছে। তাৰ উপৰি গাঁৱত কোনোবা আত্মঘাতী হ'লে, জুই জ্বলি ঘৰদুৱাৰ ভস্মীভূত হ'লে, ধুমুহা বতাহ, বৰষুণ বজ্ৰপাত আদিত প্ৰাণ হানি হ'লে মান্নাৰ দেও (প্ৰাণনাশকাৰী দেৱতা) অহা বুলি বিশ্বাস কৰে। এনেকুৱা অমঙ্গল নাশ কৰিবৰ বাবে প্ৰতিবছৰৰ জেঠ মাহত মাৰাং খেদে। গাঁৱৰ এমূৰৰ পৰা আনমূৰলৈ দৌৰা দৌৰি কৰি খেদি লৈ যায় বাবে কোনো কোনোৱে "দাউৰাখেদা"ও বোলে। কোনো ঠাইত 'হাউলাখেদা'ও বোলে।

দক্ষিণ কামৰূপৰ মধ্যদক্ষিণ অঞ্চলৰ লোহাৰঘাটৰ পৰা প্ৰায় ডেৰ কিলোমিটাৰ পূৱত অৱস্থিত মহমাৰাং জনজাতীয় ৰাজহ গাঁৱত বৰ্ত্তমানেও প্ৰচলিত মাৰাং খেদা প্ৰথা এক জনবিশ্বাস আৰু ধৰ্মীয় দৃষ্টিৰ ভিত্তিত প্ৰচলিত অনুষ্ঠান। জেঠমাহৰ খৰ বাৰত অৰ্থাৎ মঙ্গলবাৰ বা শনিবাৰত গধূলি এই অনুষ্ঠানৰ আয়োজন কৰা হয় এই উপলক্ষে তেওঁলোকে খাখ্‌লাম্ দেৱতাক আৰু দেবী কামাখ্যাক পূজা কৰে। খাখ্‌লাম্ পূজাৰ বাবে ধান খেৰেৰে দুটা জঁকা তৈয়াৰ কৰে। এটা মতা মানুহৰ আৰু আনটো মাইকী মানুহৰ। কলৰ দোনাৰে বস্ত্ৰ কৰি আৱৰণ কৰি দিয়ে। যাত্ৰাভিনয়ত ৰজা ৰাণীক কীৰিতি পিন্ধাই দি ধুনীয়াকৈ সজাই পৰাই দিয়াৰ নিচিনাকৈ মতা মাইকী উভয়ৰে মূৰ্ত্তি দুটাকো কীৰিতি পিন্ধাই দি আৰু হাত ভৰি প্ৰভৃতি ধুনীয়া কৰি ছোঁ সজায় আৰু বাঁহৰ খুটি পুতি থিয় কৰি প্ৰতিষ্ঠা কৰে। খাখ্‌লাম্

পূজাৰ অপৰিহাৰ্য সামগ্ৰী হ'ল—মাইকী গাহৰি, মতা কুকুৰা, মদ আৰু কুকুৰা কণী এটা। অঞ্চল বিশেষে মাৰাং খেদাত খাখ্‌লাম নুপ্‌জে।

কেইদিনমান আগৰে পৰা প্‌জাৰ সম্ভাৰ যোগাৰ কৰা হয়। সংগৃহীত সামগ্ৰী গাওঁবুঢ়াৰ ঘৰত মজুত ৰখা হয়। প্‌জাৰ দিনা গাওঁবুঢ়াৰ ঘৰত ৰাইজ গোট খায় আৰু প্ৰত্যেকে প্ৰত্যেক কামৰ বাবে পাল লয়। তাৰ ভিতৰত এটা পালে (দল) ছাগলী আৰু আন এটা পালে কুকুৰা লয়। এই দুটা পালে গাঁৱত দুফাল হৈ 'দাফি' (দীঘল লাঠি) লৈ গাঁৱৰ নামনি মূৰাকৈ গৈ অ'ত ত'ত কোবাই খেদি ফুৰে। ইয়াকে মাৰাং খেদা বোলে। প্ৰত্যেক গৃহস্থৰ নঙলাত ভঙা চালনি, খদা, ডলা প্ৰভৃতিত কুকুৰা কণী সিন্দল (শুকান মাছৰ গুৰি), জলকীয়া, বেঙেনা, আৰৈ চাউল, ছাঁই প্ৰভৃতিৰ টোপোলা বান্ধি থয়। মাৰাং খেদা দলে প্ৰত্যেক ঘৰৰ চোতালত সোমাই ঘৰৰ বেৰ আৰু অ'ত ত'ত কোবাই যায় আৰু নঙলাত থোৱা বস্তুবোৰ লৈ যায়। গোটেই গাঁৱত ঘূৰোঁতে কোনেও মুখেৰে নামাতে। অৱশ্যে লগত নিয়া কুকুৰা আৰু গাহৰিক কোবায়। তেতিয়া সিহঁতে চিঞৰে। গাঁৱৰ বাহিৰ হলেহে বাহিৰত প্‌জাৰ স্থলি নোপোৱা পৰ্যন্ত মানুহবোৰে চিঞৰে। প্‌জাৰ ঠাইতো কোনো শব্দ নকৰে। মূল প্‌জাৰ ঠাইত ভোজ ভাতৰ আয়োজন কৰা হয়। ছাগলীৰ দলে প্‌জাৰ আয়োজন কৰে। পূজা কোনো ৰাস্তাত কৰে। পূজাৰ বাবে তেল সেন্দুৰ, কুকুৰাৰ ডিমা, কেচাঁকল এথোক, কলপচলা এডাল আৰু খেৰৰ সুথিৰ ৰচি তৈয়াৰ কৰে। ৰাস্তাতে তুলসীৰ পানী চটিয়াই ঠাইখিনি মচিকাচি পৰিষ্কাৰ কৰে। দেৱী কামাখ্যাৰ নামত ছাগলীটো আগবঢ়ায়। দেউৰী, কটোৱাল প্ৰভৃতি লোক ৰাস্তাত আয়োজন কৰা পূজাত উপস্থিত থাকে। দেউৰীয়ে মুখাবেদ গাই প্‌জা পৰিচালনা কৰে। যথা সময়ত কটোৱালে যথা ৰীতিৰে কুকুৰা, পঠা, আৰু গাহৰি



বলি দিয়ে। বিচ্ছিন্ন হোৱা পঠা আৰু গাহৰিৰ মূৰত শলিতা জ্বলাই বন্তি দিয়ে। গাণ্ডী টুকুৰা অৰ্থাৎ অৱশিষ্ট দেহখণ্ড ৰাইজ বহা ঠাইলৈ নি ৰাইজক সমজায় দিয়ে।

কুকুৰাৰ দলৰ লগত এজন দেওধা (দেৱদ্ধা) থাকে। গৃহস্থৰ নঙলাৰ মূৰত পোৱা ভঙা খদা, দলা প্ৰভৃতি বস্তুবোৰ তেওঁৰ ওচৰত জমা দিয়া হয়। বিভিন্ন ভঙা পাত্ৰত থকা বস্তুবোৰ তেওঁ চাইচিটি বিধে বিধে থয়। তিনিটা খুটি পুতি তাৰ ওপৰত এখন ভঙা চালনিত উক্ত বস্তুবোৰ আগবঢ়াই খাখ্‌লাম্ দেৱতাক প্‌জা কৰে। তিনিটা খুটি পোতাৰ তাৎপৰ্য 'ত্ৰিশূল' বুলি ধাৰণা কৰা হয়। কুকুৰাৰ দলে লোৱা কুকুৰাটো খাখ্‌লামৰ অৰ্থে আগবঢ়াই শেষত বলি দিয়া হয়।

খাখ্‌লামৰ বাবে বাৰ চুঙা কেঁচা মদ, বাৰ চুঙা পানী, কটা কুকুৰা, কৰাইৰ গুৰা প্ৰভৃতিৰে ভোগ প্ৰস্তুত কৰা হয়। কুকুৰা আৰু গাহৰিৰ আগমঙহ (কলিজা) কাৰেঙৰাৰ লগত লগ কৰি ৰান্ধে আৰু প্‌জাত আগবঢ়ায়। মদ, পানীও আগবঢ়ায়। ভাত আঞ্জা বিধে বিধে প্ৰস্তুত কৰি আগবঢ়োৱা হয়। সিন্দল পাতত দিয়ে অৰ্থাৎ শুকান মাছৰ গুৰি পাতত দি খোৱাৰ উপযোগী কৰে। বেঙেনা পুৰি খাখ্‌লাম্ দেৱতালৈ আগবঢ়ায়।

ইয়াৰ পিছত বাজহুৱা ভাৱে আয়োজন কৰা ভোজভাত খাই ৰাইজ ঘৰলৈ আহে। প্‌জাস্থলীৰ পৰা আহোঁতে মাজ বাটত কুকুৰাৰ কণী আফলিয়াই ৰাইজৰ মঙ্গল চোৱা হয়। ভঙা কণীৰ বাকলিবোৰ ওপৰমুৱা হৈ থাকিলে ৰাইজৰ মঙ্গল আৰু তললৈ থাকিলে অমঙ্গল বুলি ধাৰণা কৰা হয়।

ৰাইজৰ মাজত বিশ্বাস যে মাৰাং খেদা প্ৰথাৰে গাঁৱৰ অপায় অমঙ্গল মাৰিমৰক, ভূত-প্ৰেত প্ৰভৃতি খেদি দিয়া হয় আৰু প্‌জা

পাতাল দি আগন্তুক বছৰটো সুখে সন্তোষে কটাবলৈ কামনা কৰি লাঙা দেৱতালৈ পূজা সেৱা আগবঢ়ায়। মাৰাং খেদি আনন্দ ফুৰ্ত্তিৰে ভোজ ভাত খাই ৰাইজে স্বস্তিৰ নিশ্বাস কাঢ়ে।

লোহাৰঘাট অঞ্চলৰ গাৰোপাৰা, মহমাৰাং জয়পুৰ, মুতুকী, নোৱাপাৰা, দাঙিৰীবামা প্ৰভৃতি ঠাইত মাৰাং খেদা প্ৰথা প্ৰচলিত আছে। বকো বামুণিগাওঁ প্ৰভৃতি ঠাইত এনে উৎসৱক 'হাওলখেদা' (হাৱালখেদা) বুলি কোৱা হয়। অৱশ্যে হাওলখেদা উৎসৱ দিনত আৰু মাৰাং খেদা উৎসৱ ৰাতি সম্পন্ন কৰা হয়।

# লাঙমাৰ পূজা বা লাঙা পূজা

ৰাভাসকলৰ প্ৰধান আৰাধ্য দেৱতা হৈছে শিৱ বা মহাদেৱ। বড়োগোষ্ঠীৰ লোকসকলে আদিম কালৰে পৰা ভিন্ ভিন্ পৰিবেশত ভিন্ ভিন্ নামেৰে শিৱক আৰাধনা কৰি আহিছে। এই সকল লোক হ'ল জড়োপাসক। কথিত আছে—দিগম্বৰ মহাদেৱে হেনো নাঙঠ হৈ পূজা খাই ফুৰিছিল। সেয়েহে মহাদেৱৰ এই পূজাক লাঙা পূজা আৰু ঠাই বিশেষে লাঙমাৰ পূজা কোৱা হয়। আন এটি প্ৰচলিত কাহিনী মতে পৰম পুৰুষে হেনো নৰৰূপ ধাৰণ কৰি মৰ্ত্ত্যত জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ সাতজনা ভাই ককাই আছিল। তেৱেঁই আটাইতকৈ সৰু। শিশুকালত তেওঁ হেনো খোৰাই খোৰাই খোজ কাঢ়িছিল। সেয়ে তেওঁক লেংটা বা লাঙা বুলি কোৱা হৈছিল। তেওঁ সৰু কালতেই বুঢ়া, বিজ্ঞ-জ্ঞানী লোকৰ দৰে কথা কৈছিল। সেয়েহে তেওঁক লাঙা বুঢ়া বুলিছিল। দক্ষিণ কামৰূপৰ পাতিৰাভা বসতি কৰা অঞ্চলৰ প্ৰায় ঠাইতেই এই পূজা পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আহিছে।

দক্ষিণ কামৰূপত বুঢ়া লাঙাৰ পূজা প্ৰচলন সম্পৰ্কে এটি কাহিনী আছে। ৰাভা জনজাতীয় ধাৰ্মিক লোক এজনে হেনো উত্তৰ পাৰৰ বুঢ়া লাঙাক আদৰি আনি নিজাববীয়াকৈ ৰাখি থোৱা মদ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিছিল। তেতিয়া বুঢ়ালাঙাই হেনো কৈছিল যে তেওঁ তেনে মদ গ্ৰহণ নকৰে। ৰাতিপুৱা ঘৰকাঠি মছি গা-পা ধুই পবিত্ৰভাৱে এঙাগুৰাৰ মদ তৈয়াৰ কৰি কলহৰ মুখ বান্ধি থৈ তেওঁক (বুঢ়ালাঙাক) মাতিব লাগিব। তেতিয়াহে তেওঁ মদ খাব। যথা নিৰ্দ্দেশে কাম কৰা হ'ল। ধৰ্মপৰায়ণ লোকজনে মদ তৈয়াৰ্ কৰি মাতিলে আৰু লাঙাই খালে। এই ধৰণে তৈয়াৰ

কৰা মদক 'চুতিয়াৰ মদ' কোৱা হয়। পূজাৰ পদ্ধতি মতে টুকুৰীয়া পূজাত গীতৰ মাধ্যমেৰে বুঢ়ালাণ্ডাক তুতি জনাই আহ্বান কৰাৰ নিচিনাকৈ লাঙাপূজা বা লাঙমাৰ পূজাতো তেনে ধৰণেই লাঙাক থাপনা কৰে।

উত্তৰ কুলৰ বুঢ়া লাঙাহে এ
দক্ষিণ দক্ষিণ কুলে যায়
উত্তৰ কুলৰ বুঢ়া লাঙা
দক্ষিণ কুলে যায়।.........

বুঢ়া লাঙাই আহি তেওঁৰ উদ্দেশ্যে আগ কৰা মদ গ্ৰহণ কৰাৰ পিছত ৰাইজে সমবেত হৈ আলোচনা কৰি এসপ্তাহৰ মূৰত পূজা পতাৰ আয়োজন কৰে। পূজাৰ বাবে মদ, গাহৰি, পঠা ছাগলী প্ৰভৃতি সংগ্ৰহ কৰে। ৰাইজৰ সকলোৱে বিশেষকৈ মতা-মাইকী সকলোৱে উপবাসে থাকে। সকলোৱে গা-পা ধুব লাগে। বুঢ়ী-সকলে একভাৰ কৰাইৰ গুৰি (প্ৰচলিত কাৰেগুৱা) তৈয়াৰ কৰে। গাঁৱৰ আঁতৰত মুকলি পথাৰত সুবিধাজনক ঠাইত পূজাৰ আয়োজন কৰে। পূজাৰ আগদিনাখন ৰাইজে ঢোল-পেঁপা বজাই পূজা-থলীত বজন-জনাই দিয়ে। তাকে 'জাগাৰা' বোলে। অৰ্থাৎ পিচ-দিনা যে তাত পূজা হ'ব তাক জাননী দিয়া হয়।

পূজাৰ দিনাখন উপবাসে থকা কেইজনমান লোকে ফুল তোলে। এটা কলফুল আনি ইয়াৰ চাৰিওফালে অন্য ধুনীয়া ফুল লগাই দি সুন্দৰ কৰি তোলে। এই ফুলনি পূজা স্থলীত থয়। আবেলি ঢোল-বাদ্য, ঢাল-তৰোৱাল প্ৰভৃতিলৈ ৰাজহুৱা ভাবে সংগ্ৰহ কৰা মদ, দুযোৰ কুকুৰা, এটা গাহৰি আৰু এটা পঠা ছাগলী পূজাৰ থলীলৈ লৈ যায়। বেমাৰ আজাৰ আদিত নাইবা আন কোনো অপায় অমঙ্গলত ব্যক্তিগত ভাবে সৈ থোৱা মতে যোগ কুকুৰা নাইবা অন্য পূজাৰ সামগ্ৰী আনে।



মুকলি পথাৰত দীঘল শিল পুতি বুঢ়ালাণ্ডাক স্থাপন কৰা হয়। কাষত ঘৰ গোসাঁনী, বাঘদেও বা বুন বেৰীয়া গোসাঁই, গুৰখা গোঁসাই (গৰখীয়া), লেংদেৱ, খোকচি প্ৰভৃতি তেৰগৰাকী দেৱ-দেৱীক স্থাপন কৰি তেৰখন সাজা (শৰাই) দিয়া হয়। পূজাৰ সামগ্ৰী হৈছে—ৰঙা, মতা কুকুৰা, তামোল-পাণ, বতৰৰ ফুল, তুলসী পাতৰ মালা, চাকি-বন্তি, ধূপ-ধূনা, তেল-সেন্দুৰ, ছাগলী আৰু চুতিয়াৰ মদ। বুঢ়ালাণ্ডাৰ উদ্দেশ্যে বিশেষ ভাৱে এণ্ডা গুৰাৰে তৈয়াৰ কৰা মদখনো আগবঢ়াই দিয়ে। ৰাইজে পতা দেউৰীয়ে মুখা-বেদ গাই পূজা পাতাল পৰিচালনা কৰে। ৰাইজে নিযুক্তি দিয়া মেধি আৰু কটোৱালে পূজাৰ সময়ত নিজ নিজ দায়িত্ব পালন কৰে। পূজাৰ বাবে আগবঢোৱা জীৱ-জন্তুবোৰ সেন্দুৰ তেল দি আগবঢ়াই দিয়াৰ পিছত বুঢ়ালাণ্ডাৰ নামত বলি দিয়ে। নিৰ্দ্দিষ্ট কটোৱালে বলি কাটে। আগতে পূজাৰীয়ে কাটিছিল। বলি কটাৰ বাবে দীঘল মুঠি থকা তৰোৱাল থাকে। ইয়াক খাৰা (খৰ্গ) কোৱা হয়। পূজা শেষ হোৱাৰ পিছত সন্মান সহকাৰে তৰোৱালখন গোটেই বছৰ সংৰক্ষণ কৰি ৰাখে। পূজাৰ বাবে কোনো লিখিত বিধি নাই। মুখৰ বাণীৰে বা আশীৰ্বাদেৰে পূজা সম্পন্ন কৰা হয়। পৰম্পৰাগতভাবে চলি অহা প্ৰথাই পূজাৰ বিধি। ৰাইজক অপায় অমঙ্গলৰ পৰা ৰক্ষা কৰিবলৈ কাকুতি মিনতি কৰি পূজা সম্পন্ন কৰা হয়। পূজাৰ সময়ত সমবেত লোকসকল শাৰী পাতি বহে। পূজা সম্পন্ন হোৱাৰ পিছত 'বুঢ়ালাণ্ডাক চিন্তি হৰিবোল' বুলি হৰিধ্বনি কৰে। ইয়াৰ পিছত বুটমুগৰ প্ৰসাদ আৰু কাৰেগুৱা, গাহৰি, পঠা, ছাগলী আৰু কুকুৰাৰ মাংসৰে প্ৰস্তুত কৰা আৰু ইষ্টদেৱতাৰ নামত আগবঢ়োৱা ভোগ ৰাইজে ভগাই খায়। দেউৰী, মেধি, কটোৱাল ফুলতোলা লোক, চাৰবানিয়া সকল অৰ্থাৎ পূজাৰ সকলো যা-যোগাৰ কৰোঁতা সকল, ৰান্ধনি প্ৰভৃতিয়ে মান অনুসৰি সাজা পায়। এই সাজাক মাননি সাজা কোৱা হয়। তুখন কলপাত জোৰা দি সাজা দিয়ে।

পূজাস্থলীত ভোগ খাই ৰাইজে বিশেষকৈ ডেকাবোৰে গাঁৱত 'হাওল' খেদে। আগত পাত থকা বিজুলি বাঁহ এটাৰ মূৰত এটা মাইকী কুকুৰা পোৱালিৰ ঠেঙত গাঠি দি আঁৰি থয়। গাঁৱৰ সম্পূৰ্ণ লোকৰ ঘৰৰ পৰিচয় জনাবুজা আৰু দৌৰিব পৰা লোক এজনে আগে আগে যায়। তেওঁৰ পিছত বহুতো ডেকাই হাতত যাঠি লৈ ঘৰৰ চাৰিওফালে কোবাই যায়। পিছত যোৱা ডেকা কমেও এঘাৰ জন হব লাগে। জনবিশ্বাস অনুসৰি প্ৰত্যেক গৃহস্থে, জাকৈ, খালৈ, পল, খদা, দলা প্ৰভৃতি চোতালত থৈ দিয়ে। দলটোৱে গৃহস্থৰ চোতালৰ মাজত যি পায়, তাকে লৈ যায়। মানুহৰ বিশ্বাস যে গৃহস্থৰ অপায় অমঙ্গল সেইবোৰত জমা হয় আৰু তাক লৈ গলে দেওভূত সকলো আঁতৰি যায়। আবেলি 'হাওল' খেদে। সেই সময়ত ঘৰত থকা ল'ৰা-ছোৱালী আৰু তিৰোতাবোৰ দুৱাৰ খিৰিকি জপাই ঘৰৰ ভিতৰত মনে মনে সোমাই থাকে। বাহিৰলৈ ওলাই নাহে। হাওলখেদা সকলে গৃহস্থৰ বাৰীত থকা ফলমূল দুই এটাকৈ লৈ যায়। লগতে খোলাভাৱে থকা ছাগলী, হাঁহ, পাৰ, কুকুৰা প্ৰভৃতিও লৈ যায়। গাঁৱৰ প্ৰত্যেক ঘৰৰ পৰা দেওভূত খেদি গাঁৱৰ বাহিৰলৈ নিয়া হয়। হাওলখেদা সময়ত মুখেৰে কোনো শব্দ নকৰে। গাঁৱৰ বাহিৰলৈ যোৱাৰ পিছতহে চিঞৰি ভূতপ্ৰেত আঁতৰাই দিয়ে। ইয়াৰ পিছত আকৌ পূজা থলীলৈ গৈ ভোজভাতৰ আয়োজন কৰে।

আগতেই কোৱা হৈছে যে লাঙমাৰ পূজাৰ বিধি কোনো শাস্ত্ৰ সন্মত নহয়। মুখে মুখে চলা কথা। ইয়াক মুখাবেদ বোলে। পূজাৰ অন্তত দেউৰীয়ে আশীৰ্বাদ দিয়ে। মুখাবেদ তলত লিখা ধৰণৰ—

হে প্ৰভু বুঢ়া লাঙা
আমি মহমাৰাং গাঁওখনে
কি বুলি পূজা কৰিলুং



ইয়াতে আমি সকলো
মহমাৰাং গাঁওখনে
পাই পুনিকা খৰছ কৰি
শ ঠাইৰ বস্তু জমা কৰি
আপোনাক সেৱা পূজা কৰিলুং
ইয়াতেনো আপোনাক কি দিম কি থম
কেৰ্কেটুৱাই খোৱা তামোল
মাকৰাই চুট্‌কা (গছকা) পাণ
কিলুৱা (আৰৈ) চাউল এমুঠি দি
ধূপধূনা বন্তিখৰ দি ফেলে
আপোনাক সেৱা পূজা কৰিছু।
ইয়াতে আগৰ বনে পাছ হব পাৰে
পাছৰ বনে আগ হব পাৰে
নাকৰ নিশ্বাস বস্ত্ৰৰ বাৱ
সকলো দোষ লাগিব পাৰে
সি দোষকো ক্ষেমা কৰি
আপোনাৰ বস্তু মুনিমান (সন্তুষ্ট) কৰি ললে
তেহে মুক্তি পাম
আপোনাৰ চৰণত মৰণ হব নালাগে
সীমা বুনত ভৰি দিব নালাগে
সকল দোষক ক্ষেমা কৰি
ৰাম লক্ষণ অৱতাৰ ধৰিব লাগে।
কুবাও সুবাও দূৰ কৰি
দায়াত মায়া কৰি
আপোনাৰ চৰণত মৰণ নোহোৱাকে
চাঙত ধান হব লাগে
গোলী (গোহালিত) গৰু হব লাগে
যিটো মনোবাঞ্চা কৰ্‌ছো

সিটো কামনা পূৰ হব লাগে
শাল ঘাউ ফায ঘাউ মাৰি
সোনাই সন্তুল হব লাগে
যিটো মনোবাঞ্ছা কুৰ্‌ছোং
সিটো কামনা পূৰ হব লাগে
ৰাজাঘৰে গলে প্ৰজায়ে হয়ভৰ দিব লাগে
গাঁৱে ভুঁঞে গেলেও কড়া গণ্ডা মিলিবা লাগে
ঝাৰে বুনে গেলিও ছায়া দেখি
মায়া পূৰ হব লাগে
আপোনাৰ আশীৰ্বাদত
চৰণে মৰণ নোহোৱাকৈ
কল্যাণে ৰাখ্‌বা লাগে

ইয়াৰ পিছত 'বুঢ়ালাঙাক চিন্তি হৰিবোল হৰিবোল' আৰু একবাৰ ৰাইজক চিন্তি হৰিবোল, হৰিবোল বুলি সমস্ত কাৰ্য্যৰ সামৰণি মাৰে।

লাঙমাৰ পূজা দক্ষিণ কামৰূপৰ লোহাৰঘাট অঞ্চলৰ মহমাৰাং চচলপাৰা, চল্লি, গাৰোপাৰা প্ৰভৃতি গাঁৱৰ পাতিৰাভা সম্প্ৰদায়ৰ মাজত প্ৰচলিত আছিল। বৰ্ত্তমানে গাৰোপাৰা চচলপাৰাতহে আছে।

এই লাঙমাৰ পূজাৰ উপৰিও বিভিন্ন মাৰিমৰক, জ্বৰ বেমাৰ ভয়ভীত পোৱা, বেয়া সপোন দেখা, মূৰ্চ্ছাযোৱা, টোপনিত চকখাই উঠা, ভ্ৰম বকা, মূৰ বিষোৱা, পেট কামোৰা, চকুৰ অসুখ হোৱা সন্তান জন্মি বাৰে পতি মৰা, ধানত গান্ধীপোকে ধৰা, বনৰীয়া জন্তুই উপদ্ৰৱ কৰা, আদি অপায় অমঙ্গল, বিপদ-আপদ প্ৰভৃতি হ'লে ঘৰগোসাঁনী, কুবেৰ, নাচিনী শিলা, জঙৰ পূজা, আই, ডাইনী বাঘদেও, বাটবদেও, শিলদেও, নাওঁদেও, খাখ্‌লাম, হামদেও, কেচাই খাইতী কচুপাচলাদেও, চিলা চামেন, আকাডাইনী, বৰমানী, বনৰীয়া গোসাঁই, গৰখীয়া গোসাঁই, টুকুৰীয়া পূজা, বীৰা বা পাঘোন প্ৰভৃতি যথাৰীতি পালন কৰা হয়। (ভুবিন ৰাভা)

# দেৱী পূজা ঃ আই কামাখ্যা

দক্ষিণ কামৰূপৰ ভালেমান ঠাইত দেৱীপূজাৰ প্ৰচলন আছে। এই অঞ্চলত বসবাস কৰা পাতিৰাভা সকলে আই কামাখ্যা, বুঢ়ীগোসাঁনী, ঘৰগোসাঁনী, কেচাইখাইতী, বৰমান্নী, আই নাৰায়ণী, ন-বৈনী প্ৰভৃতি দেৱীৰ পূজা বহু পুৰণি কালৰে পৰা যথাবিহিত ভাৱে পালন কৰি আহিছে। এই আটাইবোৰ বিৱৰণ ইয়াত দিব খোজা নাই। অঞ্চল বিশেষত প্ৰাধান্য থকা দেৱী শক্তিৰ মাহাত্ম্যপূৰ্ণ পূজাৰ বিৱৰণ এটিহে ইয়াত সন্নিবিষ্ট কৰা হৈছে।

দক্ষিণ কামৰূপৰ বকোৰ পৰা প্ৰায় চাৰি কিলোমিটাৰ পূৱত ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰে প্ৰায় ডেৰ কিলোমিটাৰ দূৰত তুধকুঁৱৰী নামৰ এখন শিলাময় পাহাৰ অৱস্থিত। পাহাৰৰ মাটি প্ৰায় চাৰি শ বিঘা। এই পাহাৰৰ উত্তৰ, দক্ষিণ আৰু পশ্চিম দিশত নামনিত তেনেই ওচৰতে দেলিয়াপাৰা নামৰ গাঁৱত পাতিৰাভা জনজাতীয় লোকৰ বসতি। বহু পুৰণি কালৰে পৰা এই সকল লোকে উক্ত তুধকুঁৱৰী পাহাৰৰ ওপৰত অৱস্থিত তুধকুঁৱৰীৰ থান বা আই থানত শক্তিৰ অধিষ্ঠাত্ৰী দেৱী ভগৱতীৰ পূজা অৰ্চ্চনা কৰি আহিছে। পাহাৰৰ শিখৰত এটা প্ৰকাণ্ড শিলৰ ওপৰত আন এটা প্ৰকাণ্ড শিল ভৰ দি থকাত এখন বৃহৎ চালিৰ নিচিনাকৈ হৈ থকা শিলৰ তলতেই আইৰ থান। কোনো মঠ মন্দিৰ তাত নিৰ্ম্মাণ কৰা হোৱা নাই। কোনো মূৰ্ত্তি বা বিগ্ৰহো তাত নাই। থাপনা বা বেদী সদৃশ ঠাই আছে। শিলৰ তল ভাগ এখন চোতালৰ দৰে সমান। সেই ঠাইতেই পূজা সেৱা প্ৰভৃতি কৰা হয়। তাত এটা বৈশিষ্ট্য আছে যে থাপনা বা বেদীৰ দাঁতিত প্ৰায় তিনিফুট বা চাৰে তিনিফুট ওখ চাৰি জোপা ডাল বিহীন গছ গজে। গছ কেইজোপা প্ৰায় একে সময়তে গজে।

সেই কেইজোপা নমৰা পৰ্যন্ত তাৰ গুৰিত কেতিয়াও অন্য গছ নগজে। আগৰ জোপা মৰিলেহে সেই একে ঠাইতে আকৌ চাৰি জোপা সেই গছ গজে। এই চাৰি জোপা গছ দেৱী পূজাত ব্যৱহাৰ কৰা চন্দ্ৰতাপ ব্যৱহাৰ কৰিবলৈ চাৰিটা খুটি হিচাপেহে ব্যৱহাৰ হয়। চন্দ্ৰতাপ সম্পৰ্কত আন এটি বিশেষত্ব এই যে চন্দ্ৰতাপৰ বাবে তৈয়াৰ কৰা কাপোৰ এদিনতে তৈয়াৰ কৰা হ'ব লাগিব। শিপিনীয়ে গোটেই দিনটো উপবাসে থাকি বাতি কঢ়াৰে পৰা কাপোৰ বৈ সমাপ্ত কৰালৈকে সকলো কাম কৰিব লাগিব। একে লগে তৈয়াৰ কৰা কাপোৰৰ এখন লা ৰঙৰ আৰু আনখন হাতেকটা কপাহী সূতাৰ শুভ্ৰ ৰঙৰ। তেনে কাপোৰ হলেহে পূজা কৰিব পায়। চ'ত, বহাগ বা জেঠ মাহৰ খৰাং বতৰত এই পূজা কৰা হয়। পূৰ্ব্বাপৰ ৰীতি অনুসৰি চলি অহা এই পূজাৰ আন এটি বিশেষত্ব এই যে অত্যন্ত খৰাং বতৰতো এই পূজা কৰাৰ পিছত ধাৰাসাৰে বৰষুণ দিয়ে।

ভগৱতীৰ পূজা চুলাঘটত কৰা হয়। কোনো মূৰ্ত্তি নাথাকে। থাপনাৰ সন্মুখত আগলতি কলপাত পাৰি দেৱীৰ নামত এজোৰ শুকুলা পাৰ আগ বঢ়োৱা হয়। ৰাইজক অপায় অমঙ্গলৰ পৰা ৰক্ষা কৰিবলৈ দেৱীক অৰ্চ্চনা কৰি পাৰ যোৰ এৰি দিয়া হয়। পাৰ যোৰ উৰিব পৰা হ'ব লাগে যাতে থানৰ পৰা এৰি দিয়াৰ পিছত ৰাইজৰ ঘৰত গৈ পৰিব পাৰে। মানুহৰ ঘৰত গৈ পৰাটো শুভ লক্ষণ। পূজাত কোনো বলি বিধান নহয়। জহা চাউলৰ ভোগ ৰান্ধি তাত গাখীৰ, ঘী, মৌ, মিঠাই প্ৰভৃতি দি ভগৱতীৰ ওচৰত আগবঢ়াই পূজা কৰে। ৰাইজৰ নিৰ্ব্বাচিত দেউৰীয়ে পূজা পৰিচালনা কৰে আৰু আশীৰ্ব্বাদ দিয়ে। পূজাত ৰাজহুৱা ভাৱে পাৰ আগবঢ়োৱা হয়। বহুতো লোকে ব্যক্তিগত ভাৱেও পূজাত আগবঢ়াবলৈ পাৰ আৰু অন্যান্য পূজাৰ সামগ্ৰী নিয়ে। পূজালৈ যোৱা মানুহে ৰঙা, ক'লা কাপোৰ পৰিধান কৰা নিষেধ।



জনবিশ্বাস অনুসৰি ঢল বা বানপানী সম্পৰ্কত মঙ্গল চোৱা এটি প্ৰথা আছে। পূজাৰ দিনা মঙ্গলচাবৰ বাবে চাউলৰ পিঠা গুৰি খুন্দি এদোন বা ততোধিক পিঠা গুৰি পূজাৰ স্থানলৈ নিয়া হয়। সেই পিঠা গুৰিৰে পাৰ বান্ধি এটি সৰু পুখুৰী নিৰ্ম্মাণ কৰা হয়। ৰাইজৰ মানুহে নিয়া একলহ পানী দেউৰীয়ে পুখুৰীত ঢালি দিয়ে। পুখুৰীত পানী পূৰ্ণ হলে কোনো ফালে পাৰ ভাঙি খহাই দিয়ে। উত্তৰ আৰু পশ্চিম ফালে ভাঙিলে ঢল আৰু দক্ষিণ বা পূৱে ভাঙিলে বানপানী হয় বুলি তাৰ মানুহৰ বিশ্বাস আছে।

ৰাইজৰ বিশ্বাস যে জনশ্ৰুতিমতে আতাপিতাৰ দিনৰে পৰা পূজাৰ ফল স্বৰূপে এই পাহাৰত বা নামনিৰ গাঁৱত কোনো কালে বাঘে খাই, গছৰ পৰা পৰি বা অন্য প্ৰকাৰে মানুহ মৰা অথবা সৰ্পদংশনত মানুহ মৰাৰ নজিৰ নাই। কোনো প্ৰকাৰৰ বিঘিনি কোনো কালে ঘটা নাই। পাহাৰৰ ওপৰত বহুতো শিল আছে। শিলৰ মাজত গুৰুং বা গহ্বৰত মানুহ বা কোনো জীৱ-জন্তু পৰি মৰাৰ উদাহৰণো নাই। প্ৰবাদ আছে যে বহু পুৰণি কালত কোনো কাৰণত পাহাৰলৈ যোৱা এজন মানুহ বহুদিনলৈ নিঃখোজ হৈ আছিল। বহুদিনলৈ মানুহজন ঘূৰি নহাত মানুহে তেওঁক মৰা বুলি শ্ৰাদ্ধ পাতিছিল। আচৰিত কথা যে শ্ৰাদ্ধৰ দিনাখন মানুহ জন ঢলংপলংকৈ আহি ঘৰ পাইছিলহি। এতিয়াও বহুতো ল'ৰা-ছোৱালী পাহাৰলৈ গৈ শিলৰ ওপৰে ওপৰে বগাই ফুৰে। কোনো দিনে কোনো অনিষ্ট বা অঘটন হোৱা নাই।

কোনো মানুহৰ চকুৰ অসুখ হ'লে বা অন্য অসুখতো পাৰ এযোৰ, আগবঢ়াই দেৱীক অৰ্চ্চনা কৰি ঔষধ ব্যৱহাৰ কৰিলে অসুখৰ পৰা হেনো আৰোগ্য লাভ কৰে।

আই থানৰ আন এটি বিশেষ মাহাত্ম্য সেই ঠাইৰ ৰাইজে উপলব্ধি কৰে। সেয়ে হ'ল—দুধকুঁৱৰী পাহাৰত বহুতো বান্দৰ

আছে। সেইবোৰে কেতিয়াও ৰাইজৰ অনিষ্ট সাধন নকৰে। পাহাৰৰ নামনিত চাৰিওফালে ধানখেতি কৰে। বান্দৰে কোনো কালে খেতি খাই অনিষ্ট কৰা নাই। আগতে হেনো নামনিত থকা আম, কঠাল, কল প্ৰভৃতি অন্যান্য ফলমূলো নাখাইছিল। আজি কালি পাহাৰৰ ওপৰৰ পৰা কিছু দূৰ নামি আহে যদিও বিশেষ অনিষ্ট নকৰে। সামান্য পৰিমাণে খাই গুচি যায়। কেতিয়াবা কোনো লোকে বান্দৰ ধৰি ৰাখি পালিবলৈ চেষ্টা কৰে। কল বা অন্যান্য ফল-মূল খুৱাবলৈ চেষ্টা কৰে। কিন্তু সেইবোৰ বান্দৰে মুঠেই নাখায়। একো নোখোৱাকৈয়ে মৃত্যু বৰণ কৰে। এবাৰ মানুহে ধৰা বান্দৰক এৰি দিলেও সেই বান্দৰটোক অন্যবোৰে পুনৰ লগ নিদিয়ে। মানুহে ধৰাৰ পিছত সি হেনো চুৱা যায়। সিও সঙ্গী নিবিচাৰি মৃত্যু বৰণ কৰে।

## কামাখ্যাৰ থান ঃ

আই থানৰ পশ্চিমে কিছু নামনিত কামাখ্যা থান। তাতো কোনো মন্দিৰ নাই। অনাদি কালৰে পৰা প্ৰায় ৮০ ফুট দীঘল ৫০ ফুট বহল প্ৰকাণ্ড শিল এটা হেলনীয়াকৈ পাহাৰৰ গাতে ভেজা দি আছে। তাৰে তলত কামাখ্যা দেৱীৰ পূজা হয়। তাতো একো মূৰ্ত্তি নাই। তান্ত্ৰিক পদ্ধতিত দেৱী-পূজা হয়। তাত বলি বিধান হয়। এটা পঠা ছাগলি, তিনিটা মুৰ্গী ৰাইজৰ ফালৰ পৰা আগবঢ়াই বলি দিয়া হয়। ব্যক্তিগতভাৱেও মানুহে পঠা, পাৰ মুৰ্গী প্ৰভৃতি সৈ থোৱা মতে তালৈ নি দেৱীলৈ আগবঢ়ায়। তালৈ নিলে বলি দিয়া হয়। দিনৰ ভাগতে পূজা সমাপ্ত হয়। তাত ৰাজহুৱা ভাৱে ভোজভাত খোৱা হয়। খোৱাৰ অন্তত চুৱা পাত কেতিয়াও আঁতৰাই পেলোৱা নহয়। যতে খায়, তাতেই এৰি থৈ আহে। তেনেকৈ এৰি থৈ অহাৰ কাৰণ হ'ল—পূজাৰ ফল স্বৰূপে বৰষুণ অহাটো অনিবাৰ্য্য বিষয়। বৰষুণে চুৱা পাতবোৰ ধুই নিকা কৰিব।



কামাখ্যাৰ পূজা কৰা ঠাইৰ উত্তৰে প্ৰায় চাৰি পাঁচ টাৰ আঁতৰত শিলৰ মাজত এটা দ কুঁৱা আছে। কোনো দিনে নুশুকায়। আগতে তাৰ পৰাই পানী তুলি পূজাত ব্যৱহাৰ কৰা হৈছিল। বৰ্ত্তমানে গোটেই বছৰে গছৰ পাতপৰি আবৰি থকাত কুঁৱাৰ পানী ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে।

পূৰ্ব্বতে আঘোণ মাহত ন-খোৱা উপলক্ষেও মানুহে কামাখ্যা থানত ব্যক্তিগতভাৱে পূজা কৰিছিল। বৰ্ত্তমানে আইথান, কামাখ্যা থান দুয়ো ঠাইতে পূজাৰ প্ৰচলন লুপ্ত প্ৰায় হৈছে। অৱশ্যে নামনিত থকা বুঢ়া লাঙা গোসাঁইঘৰত বহাগ, জেঠ মাহত অনুষ্ঠিত লাঙা পূজাৰ সময়ত আই আৰু কামাখ্যাৰ নামত সুকীয়াকৈ পূজা ভাগ আগবঢ়ায়।

কামাখ্যা থানৰ পৰা প্ৰায় ২০ ফুট আঁতৰত চাৰিটা প্ৰায় ৩½ ফুট ওখ শিলৰ চাৰি কোণীয়া খুটা আছে। প্ৰত্যেক খুটাৰ ওচৰত একোখন "প্লেটফৰ্ম্ম" আছে। খুটাৰ ওপৰত একোটি লোৰ বল্টু আছে। এই বিষয়ে সঠিক ভাৱে জনা নাযায় যদিও জন-শ্ৰুতিমতে সেইকেইটা তাঁতৰ খুটা বুলি কোৱা হয়। দুয়োখন থানতেই দেউৰীয়ে পূজা সম্পন্ন কৰে আৰু কামাখ্যা থানত বলিও কাটে। দেউৰীক ৰাইজে নিৰ্ব্বাচন কৰে। পৰম্পৰাগতভাৱে দেউৰী হব নোৱাৰে।

তেনে ধৰণৰ দেৱীপূজাৰ প্ৰাধান্য দক্ষিণ কামৰূপৰ অন্যান্য ঠাইতো দেখিবলৈ পোৱা হয়। ছয়গাওঁ, ৰতনপুৰ অঞ্চলত বৰ-মান্নীৰ থান, কুলচীৰ ওচৰৰ তিয়ামাৰীৰ থান, বৰমান্নীৰ থান, ৰাণীপাটগাওঁৰ বুঢ়ী গোসাঁনীৰ থান, জয়পুৰ প্ৰভৃতি ঠাইত মহা-সমাৰোহেৰে আৰু জনবিশ্বাস আৰু ধৰ্মীয় নীতি নিয়মেৰে পালন কৰা আই গোসাঁনীৰ পূজা প্ৰচলিত আছে। বহুতো ঠাইত অকল জনজাতীয় ৰাভা বা বড়ো সকলৰ মাজতে উক্ত আই বা দেৱী

পূজাসমূহ সীমাবদ্ধ হৈ থকা নাই। জনজাতীয় অজনজাতীয় সকলো লোকেই শ্ৰদ্ধা আৰু ভক্তি ভাৱে পূজা অৰ্চনাত অংশ গ্ৰহণ কৰে।

আই অৰ্থে দক্ষিণ কামৰূপৰ ভালেমান ঠাইত বসন্ত ৰোগৰ অধিষ্ঠাত্ৰী দেৱীকো বুজোৱা হয়। বসন্তৰ পৰা হাত সাবিবলৈ বা বসন্ত ৰোগৰ পৰা অব্যাহতি পাবলৈ আই ভগৱতীক তুতি মিনতি জনাই শীতলা পূজা কৰা হয়। এই পূজাত ৰোগী থকা ঘৰত আসন পাতি সাত বা ন দিন পৰ্যন্ত একেৰাহে আই শীতলাৰ পূজা কৰা হয়। ইয়াত বলি-বিধান নহয়। দধি, দুগ্ধ, ঘী, মৌ, পায়স প্ৰভৃতিৰে কেঁচা বা পকা ভোগ দিয়ে। শুক্ল বস্ত্ৰ পৰিধান কৰা আয়তী বা শীতলা পাঠ, পূজা কৰিব পৰা তিৰোতাইহে কাতৰ প্ৰাৰ্থনাৰে গীত পদ গাই দেৱীক সন্তুষ্ট কৰে।

লোহাৰঘাটৰ নিকটবৰ্ত্তী জয়পুৰত শ্ৰীমতী খেৰো ৰাভা নামৰ এগৰাকী ধৰ্ম্মপৰায়ণা বুঢ়ী আছে। আই পূজাৰ সময়ত দেৱীয়ে তেওঁক লম্ভিলে তেওঁৰ মুখেৰে অনৰ্গল আই প্ৰাৰ্থনাৰ গীত মাত নিৰ্গত হয়। কিন্তু বেলেগ সময়ত এই সম্পৰ্কত অধিক কব নোৱাৰে।

মুঠতে আই ভগৱতীক দক্ষিণ কামৰূপৰ বিভিন্ন ঠাইত ৰাভা সমাজে ভিন্ ভিন্ ৰূপত বিভিন্ন সময়ত অনাদি কালৰে পৰা পূজা অৰ্চ্চনা কৰি আহিছে।

# পাতিৰাভাৰ গীত-মাত

## ক) বগেজ্ৰাৰী ঃ

'অসমা সুষমা নিৰুপমা' প্ৰকৃতিৰ জীয়াৰী অসমী আইৰ প্ৰকৃতি, ভাষা, কৃষ্টি, সংস্কৃতি প্ৰভৃতি তুলনা বিহীন। নানা জাতি উপজাতি, নানা ভাষাভাষী ভিন্ ভিন্ জনগোষ্ঠীৰ বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতিৰে ভৰপুৰ এই অসম ভূমি। সৌ আৱহমান কালৰে পৰা এই কৃষ্টি-সংস্কৃতিবোৰে স্বকীয় ৰূপত নিজ নিজ বৈশিষ্ট্য প্ৰকাশ কৰি আহিছে। নিজ নিজ সংস্কৃতিৰ মাধ্যমেৰে জাতীয় বা গোষ্ঠীয় বৈশিষ্ট্য তথা আত্ম স্বৰূপ বিকাশ কৰি আহিছে। নানা নদ-নদীয়ে ফেনে-ফোটোকাৰে ভিন্ ভিন্ ঠাইৰ পৰা বৈ আহি বৰ লুইতত একত্ৰিত হৈ সমুদ্ৰমুখী হোৱাৰ নিচিনাকৈ লুইতৰ সুবিশাল উৰ্ব্বৰা উপত্যকাত আৰু শাৰী শাৰী পৰ্ব্বত পাহাৰৰ ভিন্ ভিন্ ঠাইত বসবাস কৰা লোকসকলৰ মাজত থকা কলা কৃষ্টিয়েও অনৈক্যৰ মাজত ঐক্য বজাই ৰাখি অসমৰ জাতীয় জীৱনৰ মূল সুঁতিৰ লগত একেলগে প্ৰৱাহিত হৈ আহিছে। অসম কৃষ্টি-সংস্কৃতিৰ যাদুঘৰ। বৃহতাকায় যাদুঘৰত প্ৰৱেশ কৰি এফালৰ পৰা গৈ গৈ ইয়াৰ কৃষ্টি-সংস্কৃতি উপভোগ কৰিব পাৰি ; হৃদয়ঙ্গম কৰিব পাৰি। ইয়াৰ অঁাত ধৰিব পাৰিলেই জাতীয় সংহতি আৰু সমন্বয়ৰ এনাজৰীৰে আৱদ্ধ হৈ থকা অসমৰ স্বকীয় বৈশিষ্ট্য. অনুধাৱন কৰিব পাৰি।

অসমৰ পৰ্ব্বত-পাহাৰ আৰু ভৈয়ামৰ বিভিন্ন প্ৰান্তৰত ভূমিপুত্ৰ জনজাতীয় লোকসকল তাহানি কালৰে পৰা বসবাস কৰি আহিছে। এইসকল লোকৰ মাজতো অলেখ কৃষ্টি-সংস্কৃতি থূপ খাই আছে। অসমৰ অন্যান্য জনজাতিৰ দৰে সকলো বৃহৎ

অসমীয়া সমাজৰ অবিচ্ছেদ্য অঙ্গ। এইসকল লোকেও অসমৰ সভ্যতা সংস্কৃতিত এক বুজন পৰিমাণৰ বৰঙণি আগবঢ়াই আহিছে। এওঁলোকৰ মাজত বহুতো লোকগীত, লোকসাহিত্য, লোক-কলা প্ৰভৃতি আছে। এই সকলোবোৰ অসমৰ বহুৰঙী লোক সংস্কৃতিৰ পৰিচায়ক।

দক্ষিণ কামৰূপ আৰু গোৱালপাৰাৰ দক্ষিণ-পূব অঞ্চলত বসবাস কৰা জনজাতীয় ৰাভা সম্প্ৰদায়ৰেই এটি শাখা 'পাতি-ৰাভা' সকল। এইসকল লোকৰ মাজত বহুৰঙী বা বগেজাৰী গীত এটি জাতীয় কৃষ্টি। মুখ বাগৰি অহা কাহিনী মতে—পুৰণি কালত খোপে আৰু বগে নামৰ ৰাভা সম্প্ৰদায়ৰ দুজনী বাই-ভনী আছিল। বগে গীতিকাৰ আৰু গায়িকা আছিল। তেওঁ বিভিন্ন ভাব আৰু পৰিবেশৰ কথা সংযোজন কৰি সুৰ লগাই গোৱা গীতকে 'বগেজাৰী' গীত কোৱা হয়। বৰ্ত্তমানে পাতিৰাভা সকলে যি কোনো গীতকে সাধাৰণতে বগেজাৰী গীতৰ সুৰলৈ পৰিবৰ্ত্তন কৰি গায়। পূজা-পাতল, বিয়া-বাৰু, কইনা অনা প্ৰভৃতিত বগেজাৰী গীত গোৱা হয়। বগেজাৰী গীত তিৰোতাই গোৱা গীত। আগতে ৰাভাৰ তিৰোতাই নিজে সূতা কাটি নিজে ৰং দি বোৱা কাপোৰ পৰিধান কৰি এই গীত গাই নাচিছিল। আজি কালি পোছাক-পৰিচ্ছদত আধুনিক সাৰ্ব্বজনীন প্ৰভাৱ পৰাত জাতীয় পোছাকৰ সংখ্যা তাকৰ হৈছে। সেয়েহে আনুষ্ঠানিক ভাৱে বগেজাৰী গীত-নাচ পৰিবেশন কৰিব লগা হ'লে সযতনে সংৰক্ষণ কৰি ৰখা পোছাক সংগ্ৰহ কৰি আনে।

অন্য এটি আখ্যান মতে—তাহানি ৰয়াখাল নামৰ বিলৰ পিটনিত গজি থকা কচুশাক তুলিবলৈ ৰাংঢালী গাভৰুজাক গৈছিল। এনেতে দেখিলে—আকাশেদি উৰি আহিছিল জাক জাক বগলী। ৰঙিলী গাভৰু এজনীয়ে চিঞৰি ক'লে—'বগলী



উৰিছে চা ঐ চা'। তেনেতে কাষতে থকা ৰঙীয়াল ডেকাজনে টপৰাই উত্তৰ দিলে—'বগ ঐ জাৰী, বগ,' 'বগ ঐ জাৰী, বগ'। এই 'বগ ঐ জাৰী,' 'বগ ঐ জাৰী'ৰ পৰাই 'বগেজাৰী' নামৰ উৎপত্তি হোৱা বুলিও কোৱা হয়। সেই মুহূৰ্ত্ততেই কোনো স্বভাৱ শিল্পীয়ে গালে—

'এ হে হে হে ওয়
বগেজাৰী বগ
বগুলাৰে মঙহ খুৱাই
কৰিম জবক্ বক।'

এইদৰেই বগেজাৰী গীতৰ সৃষ্টি হয়।

স্বভাৱতে ৰাভা মানুহ অল্পভাষী, মৃদু স্বভাৱৰ। মদ তেওঁলোকৰ প্ৰিয় পানীয়। কোনো উৎসৱ আদিত নাইবা সাধাৰণ অৱস্থাত যেতিয়া তেওঁলোকে মদ পান কৰে, তেতিয়া তেওঁলোকৰ তামছা ফুৰ্ত্তি বাঢ়ে। গীত গায়, নাচে। তেতিয়া তেওঁলোকৰ মুখেৰে ভিন্ ভিন্ ভাৱৰ ভিন্ ভিন্ ঠাঁচৰ বগেজাৰী গীত লানি নিচিগাকৈ আহি থাকে।

পাতি ৰাভাসকলৰ মাজত বৰ্ত্তমানে ৰাভা ভাষা নাই। অসমীয়া ভাষাকে সকলো ক্ষেত্ৰত ব্যৱহাৰ কৰে। নিজৰ সুবিধা অনুসৰি পোনপটীয়া ভাৱে ব্যৱহাৰ কৰাৰ ফলত শব্দৰ ৰূপগত সাল-সলনি হয়। খাওঁ-খাং, নাযাওঁ-নাযাং, দিলো-দিলুং, বুলিলোঁ-বুলিলুং, নকৰো-নকৰং, থৈছো-থৈচুং প্ৰভৃতি শব্দ ব্যৱহাৰ কৰে। বগেজাৰী গীতৰ ভাষাও অসমীয়া।

বগেজাৰী গীত বিভিন্ন প্ৰকাৰৰ। "সাধাৰণ মতা-তিৰোতাৰ হাঁহি-খিকিন্দালি, যৌৱনৰ উন্মাদনাত মদমত্ত যুৱক-যুৱতীৰ উশৃঙ্খল জীৱন কাহিনী, প্ৰেমিক-প্ৰেমিকাৰ গোপন-অভিসাৰ আৰু মাক-

বাপেক আদি অভিভাৱকৰ অবাধ্যকতা, অসহায়, নিঠৰুৱা জীৱনৰ দুৰ্যোগ, আবেগ, অনুভূতি আদিৰ নিখুঁত বৰ্ণনা এই গীতবোৰত বিৰাজমান। সকলো গীতত‍ে ব্যক্তিগত, সমাজগত জীৱনৰ অভিজ্ঞতা আৰু স্বীকাৰ উক্তি পোনপটীয়া ভাৱে সহজ-সৰল ভাষাত প্ৰকাশ হোৱা দেখা যায়।" (ধীৰেণ ৰাভা)

গীতবোৰ পৰিবেশ সাপেক্ষে অৰ্থপূৰ্ণ। ধৰ্ম্মীয় ইতিকিং কৰা বা খিচাগীত (খিজাগীত), দৰদী গীতৰ ঠাচ বেলেগ। দবা-কইনাক গা-ধুৱাবৰ কাৰণে পানী তোলোঁতেও এই গীত গোৱা হয়। সাধাৰণতে বগেজাৰী নৃত্য-গীত তিৰোতাৰহে। তিৰোতাই ভিন্ ভিন্ পৰিবেশত এই গীত গাই নাচে। আজিকালি 'হানা-ঘোঁৰা' নচুওৱাৰ সময়ত আৰু অন্য পৰিবেশতো পুৰুষসকলেও বগেজাৰী গীত গাই নাচে।

ধনৰ দুখীয়ালোকে নিঠৰুৱা অৱস্থাত পৰিলে গায়—

ৰুচিয়া কাঠাল মুচিয়া
ওলাল চকু পানী
আমি দুখীয়া।

বিহুগীত পৰিবেশন কৰোঁতে আৰম্ভণীতে আই সৰস্বতী, হৰি আৰু সমজুৱা ৰাইজলৈ প্ৰণাম জনাই গীত আৰম্ভ কৰে। তেনেকৈ বগেজাৰী গীত পৰিবেশন কৰাৰ আৰম্ভণীতেও সৰস্বতী মোহিনীক স্মৰণ কৰি ঢাক, ঢোল, বাঁহী, গবেনা প্ৰভৃতিৰ সম্মোহিনী বাদ্যৰ লগতে কণ্ঠত সুললিত গীত আৰু নাচোনত সুন্দৰ ভঙ্গিমাৰে যাতে মানুহৰ লগতেই দেওভূতকো মুহিব পৰা শক্তি লভিব পাৰে তাৰেই প্ৰাৰ্থনা জনায়—

সৰস্বতী মোহিনী গীতৰ চাহিনী
কায়ো বজায় ঢাক-ঢোল
কায়ো বজায় বাঁহী



কায়ো বজায় গবেনা থৰকা
কায়ো বজায় কাঁহৰ বাতি
দেও মোহন মুহিবা
ফুৰে উজান ভাটী।
গান দিয়া কণ্ঠত আমাৰ
ভৰিত নাচৰ ছেও
দেও ভূত মুহিবা
খাওক নাচৰ ছেও।

অসমীয়া বিহুগীতত নাচিব জনা ডেকা-গাভৰুৱে যেনেকৈ ঢোল-পেঁপাৰ মাত শুনিলে মনক দমাব নোৱাৰি সকলো কাম পেলাই থৈয়ো গীতত যোগদান কৰি নাচিবলৈ ধৰে, তেনেকৈ বগেজাৰী জনা তিৰোতায়ো বগেজাৰী গীত শুনিলে চিফুং বাঁহী, দীঘল পেটী, দুগুৱীৰ শব্দ শুনিলে বোকোচাত কেঁচুৱা বান্ধিলৈও নাচিবলৈ ধৰে। নাচোনৰ ছেৱত কেঁচুৱাকো পাহৰি উত্ৰাৱল হৈ নাচে। কেঁচুৱা মাটিত পৰি গলেও আনেহে সঁকিয়াই দিবলগা হয়।

'অ' হে ৰূপে মালী
নাচোং হালি জালি
নাচোংতে চানা পৰিল
লোও বুটলি
হে ৰূপেমালী।'

মনৰ বেদনাত ইফালে সিফালে ঘূৰি ফুৰা লোকক উদ্দেশি এইদৰে গোৱা হয়।

চাউল দোনে দোনহে
বেহাৰ দোনে দোন
কিটো নিদান পৰিছা
ফুৰা বুনে বুন।

পোৱা নোপোৱা, আশা-নিৰাশাৰ ভাৰত দৌৰি ফুৰা লোকৰ প্ৰতি কোৱা হয় এইদৰে—

সগৰা পছু মাৰিলুং
বুকুলা ধুবা নিলুং
ঢোৰা কাউৰে লৈ গেল
লেবোক লেবোক কৰি
পাতি কাউৰে দাউৰি গেল
পাওঁ হব বুলি।

আগতে ধুন-পেচ মৰা ছোৱালী বিয়াৰ পিছত সন্তানৰ মাক হ'লে যেতিয়া লেতেৰী হয়, আগৰ দৰে ধুনপেচ মাৰিব নোৱাৰি লেউভেউ নোহোৱা হয়, তেতিয়া আনে ঠাট্টাৰ সুৰত গায়—

বেং কান্দে তোৰ্ৰৎ
চাপ্ৰা মাটিৰ তলত
নোৱা কইনাৰ ছাৱা কান্দে
চিৰা কানিৰ তলত।
(চিকুন আপীৰ ছাৱা কান্দে
চিৰা কেথাৰ তলত)।

ঠিক তেনেকৈ কম শিক্ষিত ধুনপেচ মাৰি ফুৰা বিতলীয়া ল'ৰাকো ঠাট্টাৰ সুৰত কোৱা হয়—

গছৰ নম্বৰ চিনি নাপায়
হয় মহৰী
টেকেনীয়া আপী দেখা পালি
মাৰে সুহুৰী।

নিজৰ ল'ৰালৈ আনিব খোজা ছোৱালীৰ ৰূপগুণ বৰ্ণনা কৰোঁতে বাপেকে আনৰ আগত কয় এইদৰে—



লাঙা মাৰাৰ আগতে
ৰাঙ বাহেকা
মানুহ হ'লে চিকুন্ চাকান্
চুলি নাইক্ৰা।
কি চাবি চিকুন্ চাকান্
বিচিং কলৰ পাত
চুলিৰ খোপা দোন হেনা
বুবা নৰে তাঁত
মায়কে জেকৰ মাজতে
এখন মাত্ৰ তাঁত
মায়কে হ'ল ভাজিনী
জেকে ৰান্ধে ভাত।

জনজাতীয় সমাজৰ চিত্ৰ একোটিও বগেজাৰীত পোৱা হয়। হাবি জংগলৰ মাজত বাস কৰা জনজাতীয় লোকসকলে বহুতো বনৰীয়া জন্তুৰ সন্মুখীন হবলগীয়া হয়। মতা মানুহৰ অনুপস্থিতিত তিৰোতাই কেতিয়াবা হাতী খেদিব লগীয়া হয়। তেতিয়া এজনীয়ে আন এজনীক সতৰ্ক কৰি দি এইদৰে কয়—

চাবি অ' চাম্ফালি
হাতী উজাই যায়
কুবাবাকে খুজিলং
চিপ্ৰাৰী নাই।

অসমীয়া সমাজত কাপোৰ বৰ নজনা গাভৰুৰ সমাদৰ কম। মহাত্মাগান্ধীয়েও বৰ-কাটিব নজনা অসমীয়া গাভৰুৰ বিবাহ হোৱাটো কঠিন বুলি মন্তব্য কৰিছিল। ৰাভা তিৰোতা বা ছোৱালী সাধাৰণতে বোৱা-কটা, ধান বোৱা কটা আদি বিষয়ত নিপুণ। ভাল ধৰণে বোৱা-কটা নজনা বা ফুল বাচিব নজনা তিৰোতা বা ছোৱালীয়ে আক্ষেপ কৰে—

অব গছৰ তব
অব গাছৰ তব
এৰা গাছৰ কাটিলি শাল
বুবা পাৰিম হব।
গোৱা লাঙি দ'হ।
তাঁতৰ খুটা কাটি দি
বুবা জানং হব।

বগেজাৰী গীতৰ সুৰত নাচিব জনাটো সৰহভাগ ৰাভা তিৰোতা বা গাভৰুৰ স্বভাৱ। উৎসৱ, পৰ্ব্ব, নাইবা অন্য কোনো ৰঙৰ পৰিবেশত ৰাভাৰ মতা-তিৰোতাই নাচ-গান কৰে। বগেজাৰী গায়, নাচে। কোনো তিৰোতা বা গাভৰুই মনৰ জোখাৰে নাচিব নোৱাৰিলে আক্ষেপেৰে কয়—

ধুম্ টুক্ টুক্ টুক্
গছৰ আগিলি
নাচিবাকে নাজানং
থৰেং পাগিলী।

বিহু গীতত ডেকা গাভৰুৰ মনৰ কথা বিনিময় কৰাৰ নিচিনাকৈ বগেজাৰীৰো তেনে নিদৰ্শন আছে। বগেজাৰী গোৱাৰ ছলতেই ডেকা-গাভৰুৱে পৰস্পৰৰ মনৰ ভাব প্ৰকাশ কৰা আৰু তাৰেই অজুহাতত পলুৱাই নিয়া নাইবা বিবাহ পাশত আৱদ্ধ হোৱা ৰাভা সমাজত পৰিলক্ষিত হয়। গাভৰুক দেখি ডেকাই মনৰ ভাব ব্যক্ত কৰে এইদৰে—

'মান চেলেংকা টিউ টিউ
হিন্দল গাছৰ ডালত
তোকে দেখি মাছ মাৰং
মুকল পথাৰত



কি দিলুং নিদিলুং গাভৰু
কি বুলিলুং তোকে
ৰাতিও ঘুমটি নাহে
সপোন দেখং তোকে।'

উত্তৰত গাভৰুয়ে মনৰ ভাব প্ৰকাশ কৰে এইদৰে—

চেপা পাৰং ঘুনি পাৰং
মোৱা মাছৰ বাহা
বন কৰবা আহা যাৱা
মোকে চাবা আহা॥
ধুতি লেম্ লেম্ চোলা লেম্ লেম্
কুন্‌বা দেশৰ হাকিম
আমাৰ ফালে নাহিবি
চকু টিপাই ৰাখিম।

নোপোৱাৰ বেদনাত গা-মন ৰাইজাই কৰা ডেকাৰ হা-হুমুনিয়াই এইদৰে প্ৰকাশ পায়—

গাওঁবুঢ়াৰ বাৰীতে বিহুঢেকীয়া
চুকিদাৰৰ বেটিটা পাম কেতিয়া।
বয়স গেল মোৰ ভটিয়াই
পুকিল মূৰৰ চুলি,
বান্দৰ থোক দিলে মোক
বিয়া দিম দিম বুলি।

ভাল পোৱাৰ বিনিময়ত ডেকাই গাভৰুক মৰমৰ চিন স্বৰূপে বা উপঢৌকন স্বৰূপে আগবঢ়াব খোজে মৰমৰ বস্তু। বুকুৰ মৰম জনাই ডেকাই গায়—

গাছ কাটং টুং টাং
মাৰ্‌কী নদীৰ পাৰত

চকুত লগা খাৰু দিম
ধুপধৰীয়া হাটত।

বিনিময়ত গাভৰুৱেও ডেকাৰ মৰমত সঁহাৰি জনাই মনৰ মৰম যাচে আৰু গীতৰ মাজেৰেই দুয়োৰো বিবাহত সম্মতি দিয়ে।

একো শাক নাপাই নখাই
ৰান্ধি থৈ-চুং জিম্
কাৰো আগত নকৰি
ৰাঙা ফালি দিম।
কাকাৰাবে গাৰাতে
চেং বাহা লয়
তুই নিলে মই যাম
দাদাক নকৰং ভয়।

ডেকা-গাভৰুৱে পৰস্পৰক পলুৱাই নি বিবাহ পাশত আবদ্ধ হোৱা প্ৰথা ৰাভা সমাজত আছে। ডেকাই কোনো পধ্যে গাভৰুক মান্তি কৰাব নোৱাৰিলে আগৰ কালত আছুদি খুৱাই বা মন্ত্ৰপুত কৰি নিয়াৰ প্ৰবাদো আছে।

ৰাভাসমাজত ঘৰ জোঁৱাই ৰখা প্ৰথাৰ উমান পোৱা যায় বগেজাৰীৰ এফাঁকি গীতত। অকল ৰাভা সমাজতেই নহয়, অন্য উচ্চ হিন্দু নাইবা অন্য জাতিতো এই প্ৰথা আছে। বগেজাৰীত পোৱা হয়—

ভীম কলৰ পাত পাচলি
মালভোগ কলৰ পুলি
বাটে পথে বেৰাই ফুৰোং
জাঙয় ৰাখক বুলি।

ঢোকা ৰখা প্ৰথা ৰাভা সমাজত বিৰাজমান। বগেজাৰীত তাৰেই আভাস দিছে এইদৰে—



শাল পাতৰ কাচেৰাং
নলবাঁহৰ হোকা,
আমাৰ ফালে নাহিবি
ৰাখি ফেলাম ঢোকা।

গিৰিয়েক ঘৈণীয়েকৰ মনোমালিন্য ঘটিলে নাইবা তিৰোতাৰ প্ৰতি স্বামীৰ অৱহেলাৰ ভাব ঘণীভূত হ'লে তিৰোতাৰ মনত্ৰ বেজাৰ প্ৰকাশ পায় এইদৰে—

মাথা থোকা চৰে
কতৰ কতৰ কৰে
নালাগে বিয়াতা ভাতাৰ
ঢোকাই আদৰ কৰে।

দুই চাৰিজন পুৰুষে একেলগে জুহালত লগ লাগি ধপাত হুপি সাত ভাৰস্তৰ কথা পাগুলিওৱা দস্তুৰ নিশ্চয় পৃথিবীৰ প্ৰায় দেশতেই কম বেছি পৰিমাণে আছে। ঠিক তেনেদৰে ৰাভা সমাজো তাৰ ব্যতিক্ৰম নহয়। কথাৰ ৰাগীত নাকে মুখে ধোঁৱা সোমাই গৈ বিপাঙত পৰা ৰাভাই এইদৰে কয়—

ঢোং কৰি আফিলালুং
পানী খোৱা চুঙা,
নাকে মুখে সোমাই গেল
চোকা তাম্খুৰ ধোঁৱা।

সহজ সৰল ৰাভা সমাজত অতিথি পৰায়ণতাৰ সুন্দৰ নিদৰ্শন পোৱা যায়। বগেজাৰী গীতত কোৱা হয় এইদৰে—

মণ্ডলবাবু আহিছে
বৰ পিৰাত বহিছে
দোন ভৰাই দিছে গুৱা পাণ

আগলতি পাততে
এযোৰ গামছা
আগত দি কৰিছে মান।

বুঢ়া-বুঢ়ী বা কোনো বয়োজ্যেষ্ঠ লোকে গৃহস্থী তিৰোতাক ৰাতি-পুৱা দোকমোকালিতে উঠি নিজৰ কাম কৰিবলৈ উপদেশ দিয়ে। এইটো সুগৃহিনীৰ লক্ষণ। বগেজাৰী গীতত তাকেই পাওঁ এইদৰে—

অ' আপি জানিবি
অ' আপি শুনিবি
পহিল চৰেৰ ডাকতে
চ'তাল সাৰিবি।

এনেদৰে ৰাভা জনজাতীয় লোকসকলৰ মাজত বহুতো লোকগীত আছে। এইবোৰত তেওঁলোকৰ জাতীয় জীৱনৰ বহুতো ৰং বিৰঙৰ মনোমোহা ছবি প্ৰতিফলিত হয়। বগেজাৰী গীতৰ মাধ্যমেৰেও পাতিৰাভা সকলৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ প্ৰতিচ্ছবিৰ লগতেই তেওঁলোকৰ স্বভাৱজাত কৃষ্টি-সংস্কৃতিৰ উমান পোৱা যায়।

## খ) টুকুৰীয়াগীত ঃ

দক্ষিণ কামৰূপৰ বকো অঞ্চলত অৱস্থিত খাটলপাৰা নামৰ জনজাতীয় ৰাভা সম্প্ৰদায়ৰ গাঁও এখনত বনগাঁও মৌজা ভিত্তিত অনুষ্ঠিত বাৰ্ষিক ধৰ্ম্মীয় পৰ্ব্ব এটি হ'ল—টুকুৰীয়া পূজা। ধন-ধান বৃদ্ধি হোৱাৰ কামনাৰে শক্তিৰ অধিষ্ঠাত্ৰী ঘৰদেৱী মনসাৰ বুধবাৰৰ পৰা শনিবাৰলৈ চাৰিদিনীয়া পূজাৰ লগতে নাৰায়ণীৰ পূজাও দুদিনীয়া কাৰ্য্যসূচীৰে শুক্ৰবাৰে গধূলি আৰম্ভ কৰা হয় আৰু পিচদিনা শনিবাৰে গধূলি সমাপ্ত কৰা হয়।

কলগছ কাটি তাৰ দোনাৰে মজু সজায়। প্ৰায় তিনি বা চাৰিফুট ওখ আৰু পাঁচ বা ছয়ফুট ব্যাসেৰে ঘূৰণীয়াকৈ পাখা



কাটি এটি বৃত্তাকাৰ থাপনা সজোৱা হয়। ইয়াৰ মাজত কেন্দ্ৰ-স্থলত এটি প্ৰায় চাৰিফুট ওখ কলপুলি পুতি দিয়ে। বৃত্তটোৰ চাৰিওফালে কলদোনাৰে সাত ঠাক কৰি মজু নামৰ আসনখন সাজে। তাত কুৰিখন বাহুৰ সদৃশ আকৃতিৰ সৃষ্টি কৰে। মজুৰ একেবাৰে ওপৰত সৰ্পৰ প্ৰতীক আৰু তলৰ ফালে কেইবাটিও ছাগলিৰ মূৰৰ প্ৰতীক থাকে। ইয়াৰ লগতেই কুলগছেৰে এখনি ভেল (ভুৰ) তৈয়াৰ কৰে। মনসাদেৱীৰ ন-বৈনীৰ ভিতৰৰে অন্যতম সুপনীৰ বাবে। দেওধনিয়ে হাঁহ এটা মুছৰি মাৰি সুপনীৰ বাবে অৰ্পণ কৰে। মজুৰ ওচৰতে লাঙাবুঢ়া (শিৱ) আৰু অন্যান্য দেৱ-দেৱীৰ বাবে থাপনা সাঁজি পূজা কৰা হয়। থাপনাক মাল্লা বুলি কোৱা হয়। পূজাৰ প্ৰসাদৰ বাবে অনা চাউল, বুটমুগ (শুকান) প্ৰভৃতি টোপোলা বান্ধি আগবঢ়াই দিয়া হয়। বলিৰ বাবে অনা জীৱ-জন্তুবোৰ কলপাত পাৰি আগবঢ়াই দিয়া হয়। এই পূজাত বলি-বিধান হয়। এটা গাহৰি, দুযোৰ পাৰ, তিনিটা হাঁহ আৰু কুকুৰা তিনিৰ পৰা পাঁচযোৰ পৰ্য্যন্ত। পূজাৰ সময়ত যথাৰীতি মৌজাৰ লোকসকলে নিৰ্ব্বাচন কৰি দিয়া দেউৰীয়ে বলি কাটে।

টুকুৰীয়া গীতৰ মাধ্যমেৰে পূজা চলে। গীতৰ সুৰে সুৰে এজনী দেওধনীয়ে নৃত্য কৰি থাকে। দেওধনীয়ে নাচি নাচি ধূপ চাকি প্ৰভৃতি ভৰালৰ পৰা আনি থাপনাত দিয়ে।

ইয়াৰ পিছতেই পূজা আৰম্ভ হয়। ওজাপালিৰ নিচিনাকৈ খুটিতাল বজাই বহি বহি গীত গাই পূজাৰ কাৰ্য্য চলাই নিয়া হয়। এই পূজাত গীত গোৱা লোকসকলক টুকুৰীয়া বোলা হয়। টুকুৰীয়া সকলে পৰম শ্ৰদ্ধা আৰু ভক্তিভাৱে গীত জুৰি আই-গোসাঁনীৰ ন-বৈনীক আহ্বান জনায় আৰু গীতৰ মাধ্য-মেৰেই থাপনাত প্ৰতিষ্ঠিত কৰে। টুকুৰীয়া বন্দনা এই ধৰণৰ—

সবাক সবাক কৰে আই গোসাঁনী এ-হে ২
সবাক মাতু পালা পালা
আই নাৰায়ণী সবাক গোসাঁনী এ-২
সপুনী আই ৰে সবাক গোসাঁনী এ
ৰথাৱালী সবাক গোসাঁনী এ
কাছু কামৰী আই গোসাঁনী এ
ন বৈনী আই গোসাঁনী এ
হেৰকা পেটা সবাক গোসাঁনী এ
চৰিখা কামাখ্যা আই গোসাঁনী এ
বৰ দায়িনী যোগ-যোগিনী আই গোসাঁনী এ
বুঢ়া লাঙা সবাক আই গোসাঁনী এ
লাঙী বুঢ়ী সবাক আই গোসাঁনী এ
চন্দনা পুৰুক আই গোসাঁনী এ
ডেকা চাং সবাক আই গোসাঁনী এ
বীৰা বীৰাণীক সবাক আই গোসাঁনী এ
খাটিৰা ৰাজা সবাক আই গোসাঁনী এ
বগাই বুঢ়া সবাক আই গোসাঁনী এ
চুচুংকালী সবাক আই গোসাঁনী এ
ভদ্ৰকালী সবাক আই গোসাঁনী এ
ৰুদ্ৰকালী সবাক আই গোসাঁনী এ
ভৈৰা ৰাজা সবাক আই গোসাঁনী এ
খৰ্গ ৰাজা সবাক আই গোসাঁনী এ
জয়ে কালী সবাক আই গোসাঁনী এ
... ... ... ... ... প্ৰভৃতি

এইদৰে দেৱীসকলক আহ্বান কৰি থাপনাত বহুৱায়। দেৱীসকল উপবিষ্ট হোৱাৰ পিছত টুকুৰীয়া সকলে সৰস্বতী বন্দনা গায়।



কিবা বুলি মাতিলু
ধন মালা পাতিলু
গোসানী এ হে
আইতো সৰসতী মাতু
আই ও আই আই
তালতে আৰো খাটে
আই আই
আইতো বীণতে খাটে আই আই
আইতো মাও সৰসতী আই আই
আইতো লাউতে আৰো খাটে আই আই
আইতো মুখতে আৰো খাটে আই আই
আইতো গুজৰে ভোম্বৰা আই আই.......

তেতিয়া দেৱতা সকলো পূজা খাবলৈ আহে।

ধিং যাওঁ লাগে যাওঁ
লগে লগে যাওঁ
ফুল পাৰীয়া মেখেলা পিন্ধি
ময়ো আগে যাওঁ।
আই নাৰায়ণী বোলে ময়ো আগে যাওঁ
কাছুকামৰী বোলে ময়ো আগে যাওঁ
সুপনী আই বোলে ময়ো আগে যাওঁ
ঘৰ দেৱতী আই বোলে ময়ো আগে যাওঁ
ৰথৱালী আই বোলে ময়ো আগে যাওঁ
কাচাইখাইতী আই বোলে ময়ো আগে যাওঁ
দুধকুৱঁৰী আই বোলে ময়ো আগে যাওঁ
ফুলকুৱঁৰী আই বোলে ময়ো আগে যাওঁ
সুবচনী আই বোলে ময়ো আগে যাওঁ.........

এইদৰে সকলো দেৱ-দেৱী সমবেত হোৱাৰ পিছত গীতৰ মাধ্যমেৰে উত্তৰ পাৰৰ পৰা লাঙা বুঢ়াক আহ্বান কৰি আনে।

টিমু টিমু কৰে লাঙা ঢোলখিনি বায় (২)
উত্তৰ কুলৰ বুঢ়া লাঙা এ হে
দক্ষিণ দক্ষিণ কুলে যায়
উত্তৰ কুলৰ বুঢ়া লাঙা
দক্ষিণ কুলে যায়।
দক্ষিণ কুলত বুঢ়া লাঙা বাপু এ হে
এ হে কাকাৰা কুচিয়া খাবকে নাপায় এ হে
আগে আছিলু কোছ ছালি
ৰাভাত গেলুং জাতি
এতিয়াহে হৈছু মই বাপুহে
ৰাভাৰ গিয়াতী। ২
গৰঙে গৰঙে ফুৰে বাপুহে
এহে এহে
হানা হানা কাকাৰা ঘুকি হে

এইদৰে লাঙা বুঢ়াক আনি আসনত থাপনা কৰে। এইদৰে শিৱক থাপনা কৰি বিভিন্ন গীত মাতেৰে পূজা কৰাৰ পিছত বলি কটাৰ সময় হয়। বলিকটা সময়ত টুকুৰীয়াই গোৱা গীত—

পান খায় পান খায়
আই নাৰায়ণী পান খায় (২)
পান খায় পান খায়
ৰথাৱালী পান খায়
পান খায় পান খায়
ঘৰদেৱতী পান খায়। ইত্যাদি

এইদৰে ক্ৰমে কাচাইখাইতী, চুৰিখা-কামাখ্যা, কাচু-কামুৰী, সুবচনী প্ৰভৃতি দেৱীৰ ন-বৈনীলৈ পান অৰ্থাৎ জলপান আগবঢ়োৱাৰ পিছত বলিৰ বাবে আগবঢ়োৱা গাহৰি, কুকুৰা, পাৰ প্ৰভৃতিক ধৰ্মীয় নীতিৰে দেউৰীয়ে কোনো টুকুৰীয়াৰ সহায়ত বলি দিয়ে।



বলি শেষ হোৱাৰ পিছত টুকুৰীয়া পূজাৰ সামৰণি সমাগত হয়। পূজাৰ আৰম্ভণীতে ভিন্ ভিন্ দেৱ-দেৱীক গীতৰ জৰিয়তে আহ্বান কৰি অনাৰ নিচিনাকৈ পূজাৰ সামৰণিতো গীতৰ মাধ্যমেৰে সেই সকলক বিদায় সম্ভাষণ জনোৱা হয় এইদৰে—

গাই আহিলু বাই আহিলু
গাই আহিলু গীত
আই নাৰায়ণী যাওঁ হে
আপুনাৰ থানক লাগি

এইদৰে একেধৰণৰ গীতেৰে ভিন্ ভিন্ দেৱ-দেৱীৰ নাম উল্লেখ কৰি গীত গাই তেওঁলোকক বিদায় দিয়ে। সৰ্ব্বশেষত যম ৰাজক বিদায় দিয়ে এইদৰে—

সকল দেৱকে দিলু ফুল
মোৰ মনে আছে
যম ৰাজাক দিলু ফুল
হাগা কট্ৰিৰ পাছে।

এই বুলি পিচ ফাললৈ প্ৰসাদ দলিয়াই দি যম ৰজাক বিদায় দিয়া হয়। আৰু লগে লগে টুকুৰীয়া পূজাৰ সামৰণি পৰে। তেতিয়া সমবেত লোক সকলে প্ৰসাদ খাই বিদায় লয় আৰু কলদোনাৰে তৈয়াৰ কৰা মজু পানীত উটুৱাই দিয়ে।

## গ) মাৰে গীতঃ

দক্ষিণ কামৰূপৰ পাতিৰাভা সকলৰ মাজত শক্তি বা দেৱী পূজা অতি পুৰণি কালৰ পৰাই প্ৰচলিত হৈ আহিছে। মনসা, পদ্মাৱতী, বিষহৰি, বৰ্মাণী প্ৰভৃতি যি নামেৰেই নহওক, সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী গৰাকীৰ পূজা আৰু ইয়াৰ লগত চান্দ সদাগৰ আৰু পদ্মাদেৱীৰ মাজত হোৱা ধৰ্ম্মীয় বিবাদৰ কাহিনীক লৈ

ৰচিত বহুতো গীত পূজা উদ্‌যাপনত গোৱা হয়। ৰাইজৰ মাৰিমৰক আঁতৰোৱাৰ মানসেৰে আয়োজন কৰা এই পূজাক এই অঞ্চলত সাধাৰণতে 'মাৰে পূজা' কোৱা হয়। ৰাভাসকলৰ নিৰ্ব্বাচিত দেউৰীৰ পৰিচালনাত মাৰেগীতৰ ওজাপালিৰ গীতৰ মাধ্যমেৰে 'মাৰে পূজা' পৰিচালনা কৰা হয়। বকোৰ ওচৰৰ বামুণীগাঁও, খাটলপাৰা, বায়পাৰা, টেপচিয়া, ধনীয়াগাওঁ, পাগলাপাৰা প্ৰভৃতিৰ জনজাতীয় লোকেৰে পৰিপূৰ্ণ ঠাইত বিশেষ তাৎপৰ্য্যপূৰ্ণ ভাৱে অনুষ্ঠিত কৰা হয়। উক্ত এলেকাৰ মাৰৈ পূজাত তিবোতাই দেওধনী হৈ নাচি উৎসৱ গাম্ভীৰ্য্যপূৰ্ণ আৰু আকৰ্ষণীয় কৰি তোলে। জেঠ মাহৰ কোনো সুবিধাজনক শুক্ৰবাৰে গধূলি আয়োজন কৰা এই পূজা অঞ্চল বিশেষে তিনিৰ পৰা পাঁচদিনলৈ থাকে। এই উৎসৱত বাঁহ, ভোঠলা বা কুহিলাৰে 'মজু' তৈয়াৰ কৰাটো এটা বিশেষ তাৎপৰ্য্যপূৰ্ণ বিষয়। 'মজু'ত বেউলা-লখিন্দাৰৰ বিভিন্ন কাহিনী চিত্ৰাংকিত কৰি আঁকি দিয়া হয়। আৰম্ভণীৰ পৰা সামৰণিলৈ গীতৰ মাধ্যমেৰে পূজা সমাপ্ত কৰা হয়। ওজাপালিয়ে গোৱা এই বিধ গীতক 'মাৰেগীত' কোৱা হয়। কোনো কোনো ঠাইত 'মাৰেগান' বুলিও কোৱা হয়।

'মাৰেঘৰ'ত আয়োজন কৰা এই পূজাৰ আৰম্ভণীতে বহনি-গীত গোৱা হয়। বহনি সেৰষ্ঠি (সৃষ্টি) কোৱা গীতত সৰস্বতী-বন্দনা গোৱা হয়। ওজা আৰু পালিসকল আটায়ে বহি তাল বা অন্য বাদ্য নোহোৱাকৈ গোৱা এই গীতক বহনি-গীত কোৱা হয়। বহনি-গীতত গোৱা সৰস্বতী-বন্দনা এনে ধৰণৰ—

এ হৰি ৰামৰে ৰাম ৰাম ৰাম
অ' হৰি বোলা হৰি ৰাম ৰাম ৰাম
অ' হৰি ৰাম বোলা ৰাম ৰাম ৰাম
হৰি ৰামৰে ৰাম ৰাম ৰাম



অ' হৰি বোলা হৰি ৰাম ৰাম ৰাম।
মা মোৰ সৰস্বতী
কুন দিনা গাম গীত
আমাক শিখাই যাৱা গীত
(ত্ৰিলোকৰ) তিলখৰ নন্দিনী যোগতে আপুনি
স্বৰগৰ লিখিলা স্বৰগৰ তাৰা
মনিছত সৰজিলা গীত
তিবশালী (ত্ৰিশালী) দেৱগণ কৰিলে আলোচন
সাগৰৰ সন্তুল খীৰে
ই মা সাগৰে যাওঁ মা সৰসতী
তুই জনম্ভিলে।
জনম্ভিল লম্ভিল সাগৰ সন্তুলৰ মাঁজে
তুমাৰ ৰূপ দেখি পৈদায় (পদ্মাই) ধলিয়া পৰিল
মানিক লৈয়া গেল চুৰে।
লোকে বুলিলে সৰস্বতী
আমিনা বোলং আই
আমাৰ পন্থতে মাৱ মা সৰসতী
বাচিয়া লৈবং ঠাই।
আমাৰ পন্থ চাৰি
মাৱ মা সৰসতী
আনত নিদং কিৰা ধৰমৰ মাথা খাই।

সৰস্বতী বন্দনাৰ পিছত সৃষ্টি পাতনৰ গীত গোৱা হয়। ইয়াক অনাদি গোহাঁইৰ গীতো কোৱা হয়।

অনাথেৰ নাথ গোহাঁই
অনাথৰ পতি
একেলাই অনাথ গোহাঁই

নাই আগ্ৰেতি (আকৃতি)।
আকাশ আছে পাতাল আছে
নাই ময়দাম থল
নাহি জল নাহি থল
সবে একাকাৰ।
ধিয়ানৰ অনাদি গোহাঁই
ধিয়ান কৰি চায় ঐ
ধিয়ান কৰি চায়
সাতোখান পদুমৰ পাত
ধিয়ানত লাগাল পায়।
পন্দুৰ পাতত অনাদি শয়ান কৰে
সাতো ৰাতি সাতো দিন মেঘে আৱস্তিল
সাতো ৰাতি সাতো দিন বৰ্হিয়াবা ধৰিল।
সাতো ৰাতি সাতো দিন বৰ্হিয়ান পাতল
ঢেকীৰ নালায় বয় পানী বেলমান সাগৰ।
কায় আঙুলি জিকিল অনাদিৰ চেন্তন (চেতনা) লম্ভিল
পন্দূৰ পাতত অনাদি উঠিয়া বহিল।
ধেনুৰ কুমতি ছিঙি গগনে উৰায়
সেইমতে অনাদি সৃষ্টিখান ভাহিব ধৰিল।
ধিয়ানৰ অনাদি গোহাঁই ধিয়ান কৰি চায়
আকল নাই বুলি মোৰ ধিয়ানত লাগাল পায়।
নাই মোৰ আকল গোহাঁই নাই মোৰ গিয়ান
চাবা নাই মোৰ চকু শুনিবা নাই মোৰ কাণ।
উঠনিতে নাই মোৰ উঠনি গোপাল
বাসুকীৰে ৰাজা নাই সৰগে পাতাল।
পাতাল পুতা উত্তম নাই প্ৰথম নাৰায়ণ
গোকুলতে নাই ৰাতি পাণ্ডয় ভুৱন



পূৱ দিশো নাই মোৰ ভানু ভসঙ্কাৰ।
উধে গুৰি ৰথ নাই নাই পৰম ঘাট
মুলিয়াম গুৰি পাহাৰ নাই হাতী ঝনে ঝন।
পাহাৰে পৰ্ব্বতে নাই হনুমান বান্দৰ
দক্ষিণতে নাই ভৈ নদী সাগৰ
সাগৰৰ মাজত জলত নাই ই মাছ মগৰ
মাছৰ মাজত নাই শিহু ঘৰিয়াল।
গোহাঁয়ো নাই বলধেৰ উপাৰ
গোহাঁইৰ ভাগিনাক নাৰদ নাই শৃগালৰ উপাৰ।
চান্দ নাইকা সুৰুয নাইকা
লাইখো লাইখো তাৰা
গাঙা দুৰ্গাও নাই গোহাঁইৰ ভাৰযা।
নাৰদো নাই শৃগালৰ উপাৰ
মইৰা উপৰত নাই কাৰ্ত্তিক গণপতি
যমো নাই যম ভঁৰালত
মানুহ গৰু তৰু লতা বৃন্দাবন একো নাই
ধিয়ানৰ অনাদি গোহাঁই ধিয়ান কৰি চাই
দশ অৱতাৰ বুলি ধিয়ানত লাগাল পায়।

অনাদি গোহাঁয়ে ধ্যান কৰোঁতে দশ অৱতাৰৰ স্বৰূপ তলত লিখা ধৰণে পায়। অৱতাৰ সমূহ তলত বৰ্ণনা কৰা হ'ল।

প্ৰথমতে হ'ল অৱতাৰ প্ৰথম অৱতাৰ
গলে মালা লগুণ গাঠি বামুণ বেহ্বাৰ।
দুয়ো অৱতাৰ হ'ল পৰশু অৱতাৰ
কান্ধত তুলি ললে পৰশু কুঠাৰখান
তিনি অৱতাৰ হ'ল ভীম অৱতাৰ (?)
ভীমৰ অৱতাৰ নৰে বাইবা হাল

চাৰি অৱতাৰ হ'ল হিন্দু অৱতাৰ
গলে লৈলা খোল মৃদং হাতে কৰতাল ।
পাঁচ অৱতাৰত হৈলা মুছলমান
গাৱে পিন্ধে বস্ত্ৰ শাৰী হাতে চুৰিখান
ছয় অৱতাৰ হ'ল কাকাবা মৈৰালে
কাকাবাৰ পিঠিত ভৰি দি
অনাদি গেল পাতালপুৰী
হিৰণ্যাক্ষ ৰাজাৰ লগত
লাগে হুৰাহুৰি।
হিৰণ্যাক্ষ ৰাজাক মাৰি কৰে লুণ ঘুণ
পাতালৰ মাটি লেতি ল'ল গাওৰে উপৰ
সাত অৱতাৰ হ'ল কচ্ছপ অৱতাৰ
কচ্ছপৰ উপৰ ধৰি অনাদি বেৰায় পাতাল
আপুনি হয় উচ্চ গুৰু আপুনি হয় সাৰ
আপুনি হয় কৈৱৰ্ত্ত পাকাই মাৰে জাল।
আপুনি হয় উচ্চ গুৰু
আপুনি শিচ হৈ তুলিয়া গায় গীত।
আঠো অৱতাৰ হয় ৰাম অৱতাৰ
ই ভব বাৰিষা ৰামে বান্ধে সাগৰ।
সাগৰক বান্ধিবা ৰামে নকৰে সংশয়
বিভীষণক মাৰি ৰাৱণে লঙ্কা খায়।
নউ অৱতাৰত ইয়াত ৰাজাৰ
আপুনি কৰিব বেচা কিনা আপুনি ভাঙিব ডাল।
দশ অৱতাৰ হ'ল কল্কি অৱতাৰ
মেলেছ কাটি হব বুন্দামাৰ।

ইয়াৰ পিছত সৃষ্টিপাতনৰ গীত গোৱা হয়। সৃষ্টি শব্দটো সেৰষ্টি বুলি উচ্চাৰিত হয়।



সেৰসি পাতে গোহাঁই
মুখত হাত দি গোহাঁই গুণে মনেমন।
ভীম অৰ্জুনক (?) বুলি কৰে হাকুৰণ (আহ্বান)
গোহাঁই হাকুৰণ কৰা ভীম অৰ্জুন জানিলা
গোহাঁইৰ আগত ভীম অৰ্জুন সিৱিলাই চলিলা।
যাই ভীম অৰ্জুন গোহাঁইক কৰে নমস্কাৰ
কি কাৰণে বাপ তই আমাক হাকুৰণ।
তোকে বুলু ভীম আৰু অৰ্জুন মোৰে বচন ধৰ
পূৱৰ দিকি যাই পৃথিবীখন অলপ দাঙি ধৰ।
গোহাঁইৰ মুখে শুনি ভীম অৰ্জুন নাথাকিল বৈ
পূৱৰ কোণাখান ভীম অৰ্জুন দাঙি ধৰিল
চাৰি কোণাই চাৰিডাল গোহাঁই গাৰিলা খুটি
কচ্ছপৰ পিঠিত থাপালা বসুমতী।
চাৰিকোণা পৃথিবী বহিবা ধৰিলা নদী
পূৱত উঠে ভানু পশ্চিমে চলে ৰাতি
মধ্যমত স্থলত গোহাঁই মাৰে নিজ খুটি
আন্ধাৰ গুছি হৈ গেল দিন আৰু ৰাতি।
পৃথিবীকে সৰজি গোহাঁই নাপালা ওৰ
পইক্ষা আৰু পইক্ষাণী উপজিল তেতিক্ষণ।

অনাদি বোলে পইখা পইখানী মোৰ বচন ধৰ
ভাই বইনি দুয়ো তোহা বিয়া কৰাও।
পৃথিবীকে চাই পইখানী কাণে দিলা হাত
কি বাইক বুজিলে বাপ বৰ পালু লাজ।
কুন দিনা শুনিছা বাপ কুন দিনা জানিছা
ভাই বইনি তোহা বিয়া কৰাৱা?
অনাদি বোলে পইখা পইখানী মোৰ বচন ধৰ
যদি বিয়া নকৰাৱা চৰাণক (সাগৰক) যা

আটাইবোৰ হোৱাৰ পিছত গোঁহাইৰ মনত খোকোজা লাগিল। অৱতাৰত কিবা ভুল হৈ গ'ল নেকি বুলি নিজেই আশঙ্কা কৰিলে।

ৰাম ৰামৰে অৱতাৰ ভুল গোঁহাই

আৰু তৰু লতা বৃন্দাবন ভুল গোঁহাই

ঘট-গছা, চোঙৰ-চান্দোৱা, চণ্ডা-খাৰ, [illegible] নিচান, ঢোল-দগৰ, বেত-বিচন, জামা-পাগুৰী, দেধানী-বয়ৰাতী, ওজাপালি, সভাৰ লোক প্ৰভৃতিক শুদ্ধ কৰা হয়। ইয়াৰ পিছত গুৰু গুধনি বা গুৰু বন্দনা গোৱা হয়।

অনাদিৰ মুখে শুনি পইখা পইখানী নাথাকিল বৈয়া
অনাদিক পৰনাম কৰি উৰাণ কৰিলা।

পইখা-পইখানী (পক্ষী-পক্ষীয়ানী) সাগৰৰ পাৰলৈ গ'ল। পইখাই উজান ঘাটত মাছে মগৰে খালে। তেতিয়া তেওঁৰ কামভাব হোৱাত বীৰ্যস্খলন হ'ল। পইখানীয়ে একো খাবলৈ পোৱা নাছিল। পানীত বৈ অহা বগা বস্তু দেখি তাই খাই পেলালে। পইখানীয়ে গা গধুৰ হোৱা যেন অনুভৱ কৰিলে। পইখাক কোৱাত কলে 'তই দেৱৰে পইখানী, আগতে তই বিয়া নকৰাওঁ বুলি কৈছিলি, কেনেকৈ জানিলি গৰ্ভ হোৱা বুলি?' আলোচনা মৰ্মে দুয়োৰো বিবাহ হ'ল। ওচৰৰ বৃক্ষত বসবাস কৰিলে। সময়ত এটি এটিকৈ তিনিটা ডিমা পাৰিলে। প্ৰত্যেক বাৰেই দুয়ো ডিমা লৈ অনাদিৰ ওচৰত অৰ্পন কৰিলে। প্ৰথম ডিমাত গোহাঁয়ে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰক পালে। দ্বিতীয়ত গঙ্গা, দুৰ্গা, কাৰ্ত্তিক আৰু গণপতিক পালে। তৃতীয়ত সৃষ্টিখনত কি কি হব আটাইবোৰকে ধৰা পেলালে।

সেৰসি পাতিল দেও ৰে সেৰসি পাতিল
ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ তাত ধৰা পায়……
সেৰসি পাতিল দেওৰে সেৰসি পাতিল
গঙ্গা দুৰ্গা কাৰ্ত্তিক গণপতিক পায়
সেৰসি পাতিল দেওৰে সেৰসি পাতিল
তৰু লতা বৃন্দাবন তাত ধৰা পায়
যত আছে মাছ মগৰ তাত ধৰা পায়……

গোহাঁয়ে ডিমাৰ জৰিয়তে ভাগ চালে। যথা সময়ত ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, গঙ্গা, কাৰ্ত্তিক, গণপতি, তৰু তৃণ আটাইবোৰ জন্মিল। আটাইবোৰ হোৱাৰ পিছত গোহাঁইৰ মনত খোকোজা লাগিল। অৱতাৰত কিবা ভুল হৈ গ'ল নেকি বুলি নিজেই আশঙ্কা কৰিলে।

ৰাম ৰামৰে অৱতাৰ ভুল গোহাঁই
আৰু তৰু লতা বৃন্দাবন ভুল গোহাঁই



অৱতাৰ ভুল গোহাঁই ভুল মনে মন
জানকী আৰু দামোদৰ ধিয়ানত লাগাল পায়।

গোহাঁয়ে ধিয়ানত জানকী আৰু দামোদৰক পালে। যথাসময়ত দুয়োকে বিয়া কৰাবলৈ পৰামৰ্শ দিলে। গোহাঁইৰ পৰামৰ্শ ক্ৰমে দুয়ো বিয়া কৰালে। দুয়োৰে সান্নিধ্যত নাৰদৰ জন্ম হ'ল। অন্যান্য দেৱ-দেৱতা, সৰস্বতী প্ৰভৃতিও জন্মিল। ইয়াৰ পিছত ওজাপালিৰ বাবে আৱশ্যকীয় তাল, নেপুৰৰ জন্ম বৃত্তান্তও গোৱা হয়। সেই-দৰে জনম পায়। ইয়াৰ পিছত যথাক্ৰমে ঘট, গুৱা, তাঁতী, চান্দোৱা, পাটা, মালী, কামাৰ, ভোঠলা বা শোলা (কুহিলা), মজু প্ৰভৃতিৰ জন্ম বৃত্তান্ত গোৱা হয়। স্বৰ্গৰ বস্তু তুলসীক মৰ্ত্যলৈ নমোৱা বৃত্তান্ত গীতৰ জৰিয়তে প্ৰকাশ কৰা হয়।

ভাঙাৰাই বোলে শুনা তুলসী মোৰ বচন ধৰ
তুই তুলসী যাবা লাগে মনিচৰ নগৰ
তোক লৈয়ে শুদ্ধ কৰিব তিৰশালী দেৱগণ॥

স্বৰ্গৰ তুলসী মৰ্ত্যলৈ আহিবলৈ অসন্মত হ'ল। কিয়নো মৰ্ত্যৰ লোকে তুলসীৰ আদৰ নুবুজিব বুলি তেওঁৰ সন্দেহ হ'ল। অৱশেষত গোহাঁইৰ আক্ৰোশত তুলসী মনিচৰ নগৰলৈ আহিবলৈ বাধ্য হ'ল। তুলসী পৃথিবীত জন্ম লভিলে।

তুলসীক দেখি ওজা ৰং ভৈলা মন
তাল নেপুৰ শুধ কৰংবাক বুলিলা বচন।

গঙ্গা জলেৰে তুলসীক লগ লগাই তাল, নেপুৰ, থান, দেৱ-দেৱী, ঘট-গছা, চোঙৰ চান্দোৱা, চণ্ডী-খাৰা, মাণ্টা-ডালা, অৰ্দ্ধ-ঘণ্টা, নাগাৰা-নিচান, ঢোল-দগৰ, বেত-বিচন, জামা-পাগুৰী, দেধানী-বয়ৰাতী, ওজাপালি, সভাৰ লোক প্ৰভৃতিক শুদ্ধ কৰা হয়। ইয়াৰ পিছত গুৰু গুধনি বা গুৰু বন্দনা গোৱা হয়।

ৰাম সদায় বন্দোং ৰে
হৰি হৰি ৰাম ৰাম
গুৰু গুৰু বোলং
গুৰুৰে লৈবোং নাম
হাত গুৰু পাত গুৰু
শিক্ষা গুৰুৰ পাৱ
চৰণে ধৰোং বন্দোঙে তুয়ো পাৱ
তালে সৌৱৰো বন্দোং সৰস্বতী মাৱ
জুন গুৰু শিখায় শিখায় দান বাও
কাণ নালে শিখায় মুখ নালে বাহিৰ হৈয়া যায়
জুন গুৰুৱে শিখায় দাইন হাতে ধৰি
সি গুৰুৰো প্ৰণাম কৰো হাত যোৰ কৰি॥……

ইয়াৰ পিছত গীতৰ জৰিয়তে স্বৰ্গৰ পৰা দেৱ-দেৱতা সকলক স্থান অনুসৰি মান অনুসৰি নমাই অনা হয়।

অ বাপু দেৱৰা নামিল দেৱৰা ৰং কৰিবাৰ মন
দেৱৰাৰ বচন শুনি ধৰ্ম্মদেৱে নামাল ভৰি
নাম নাম বাপুহে মনিচৰ নগৰ
তোমাক পূজা কৰিব মাৰেয়া (দেউৰী) মণ্ডিপৰ ভিতৰ।
দেৱতাৰ বচন শুনি কৰ্ম্মদেৱে নামাল ভৰি
দেৱতাৰ বচন শুনি বুঢ়া ভাঙাৰা নামাল ভৰি
দেৱতাৰ বচন শুনি গাঙা দুৰ্গা নামাল ভৰি
দেৱতাৰ বচন শুনি নাৰদ নামাল ভৰি
দেৱতাৰ বচন শুনি বুঢ়াগোহাঁই নামাল ভৰি।……

এইদৰেই দেৱ-দেৱীক নমাই অনা হয়। যিমানেই দেৱ-দেৱতা, দেৱী-সতী আছে প্ৰত্যেকৰে নাম মাতি নমাই আনি নিজ নিজ আসনত উপবিষ্ট কৰোৱা হয়। ইয়াৰ পিছত দেৱতা সকলক কি কি দি পূজা কৰিব তাৰে গীত কাতৰ প্ৰাৰ্থনাৰে গায়।



কি দিয়া পূজিব নৰে দেহাই দৰিশন
ভেটিটো নাই আই পূজিম কি দিম মন
শালা গাছা নাই আই পূজিম কিমান
দ ছত্ৰ নাই আই পূজিম কি মন।
সৰজিল গোহাঁই মায়া ঘট আঠাৰে নাথাফুল
না-নাৰী না-পুৰুষ হুয়া নখাই চিকিতি পেৰচিব
তাৰ নাম থৈয়া যাওঁ জেৱা দেৱাৰে দেও
যায় বাপে ব্ৰহ্মাৰ তপত
ব্ৰহ্মাৰ তপতে যায় বাপে সুধিয়া চাই
হাতে বোৱা ফলৰে তাক খাইবা চাই ৰে
ফল খাইতে কিছু নাই ডৰ।
বিষ্ণুৰ তপত যায় বাপে সুধিয়া চাই
হাতে বোৱা ফলৰে তাক খাইবা চাইৰে
মহেশৰ তপত যায় বাপে সুধিয়া চাই
হাতে বোৱা ফলৰে তাক খাইবা চাইৰে।
তিনি ভাইকে কলা কথা
বাপে হৈ গেল হেছ মাথা
ঠাইখান মুছিলা পুৰি হুয়া
আগহাতে মুছিলা ঠাই বাওঁহাতে বহিলাৰে
মান্সা (মনসা) উপজিল সেই ঠাই। ……
ৰাম ৰাম ৰাম ঐ উপজিল মান্সা দেৱী
উপজিল মানসাদেৱী শূন্যে দিলে পাৱ ঐ শূন্যে দিলে পাৱ
গঙ্গাই উঠিয়া কয় আকাশ মিলাল ঐ
গঙ্গাকে লয় ভাঙাবা জটৰে ভিতৰত ঐ জটৰে ভিতৰ।
মাৰ্, ধৰ্, কৰি মানসাক মিলায় অথন্তৰ ঐ
তাৰ উপৰে মান্সা দেৱীক লৈ যায় খেদিয়া ঐ
পূবৰ কোণাতে যায় ঘেৰিয়া ধৰিল ঐ
পূবৰ কোণাতে যায় থাপনাত থাপিল ঐ

ভানু বুলি তাত সেৱাজিলা ঐ
তাৰ উপৰে মানসা দেৱীক লৈ যায় খেদিয়া ঐ
দখিনৰ কোণাতে যায় ঘেৰিয়া ধৰিল ঐ
দখিনৰ কোণাতে যায় থাপনাত পাতিলা ঐ
সাগৰ বুলিবা মান্সা তাত সেৰজিলা ঐ
তাৰ পৰা মান্সা দেৱী লৈ যায় খেদিয়া ঐ
পশ্চিমৰ কোণাতে যায় ধৰিলে ঘেৰিয়া
পাৰৱা নোকাম বুলি তাত সেৰজিলা ঐ
তাৰ পৰা মান্সা দেৱীক লৈ যায় খেদিয়া ঐ
উত্তৰৰ কোণাতে যায় ধৰিলে ঘেৰিয়া ঐ
উত্তৰৰ কোণাতে যায় থাপনাত থাপিল ঐ
আউলিয়া বুলিবা তাত সেৰজিলা ঐ
তাৰ পৰা মান্সা দেৱীক লৈ যায় খেদিয়া ঐ
মধ্যমৰ থলতে ধৰিলে ঘেৰিয়া ঐ
মধ্যমৰ থলতে থাপনাত থাপিলা ঐ
থান মান দেৱী দল তাত সেৰজিল ঐ
মান্সা দেৱীক ধৰি কাটি কৰে থান থান
মাংসবিলাক কাটি কুটি দলি মাৰি দিল আকাশক লাগিয়া ঐ
আকাশৰ চিলা-চিলনি গাঢ়ি ধৰিলা ঐ
চিলনি যায় হওঁ চিলনি চেঞ্চায়
মান্সাৰ মৰণ জীৱন তাত ধৰা পায়
হাড়ামাখা দলি মাৰি পাতালক লাগিয়া ঐ
পাতালৰ বীৰা বীৰাণী গাঢ়িয়া ধৰিলা ঐ
বীৰাই যুজায় হওঁ বীৰাণী চেঞ্চায় ঐ
মান্সাৰ জীৱন মৰণ তাত ধৰা পায়
যাৱে যাৱে মান্সা দেৱী তোক দিলুং বৰ ঐ
তই মান্সা জনম পাবি হেমা ঋষিৰ ঘৰ ঐ



যাৱে যাৱে অনল ঐ তোক দিলুং বৰ ঐ
মৰা মৃত হৈ ভাসিবি ভৈ নদীৰ সাগৰ
বড় বড় হব পাকা গৰ্ভৰ ভিতৰ ঐ
এক বাৰ দুই বাৰ পাচিলা তিনিবাৰ
সেইবেলা অনাদি গোহাঁই নামাতি ৰহিলা।

ইমানতে বহনি সেৰষ্টি বা বহনি গীত শেষ হয়। বহনিৰ পিছত দেও বৰণি। দেও বৰণিত ওজাপালি সকলো থিয় হব লাগে। তেতিয়া আগতে মাতি অনা দেৱ দেৱতা সকলক ওজাপালিয়ে গীতৰ জৰিয়তে বৰণ কৰিব। তেতিয়া দেওধনীও উঠে। দেওধনী ছোৱালী বা তিৰোতা সকলে হ'ব পাৰে। অৱশ্যে দেৱতাই লস্তা তিৰোতাইহে দেওধনী হৈ নাচে। দেওধনী যেতিয়া আঁঠু লয় তেতিয়া ওজাপালিয়ে দেও নমায়। তাৰ পিছত ধৰ্ম নমাব। মহেশ্বৰক নমাব। ভাঙাৰাক ভাং, ধতুৰা খুৱাই নচুৱাব। ভিন্ ভিন্ দেৱতাক ভিন্ ভিন্ গীতৰ মাধ্যমত পূজা কৰিব। দেউৰীয়ে গীতৰ কথাৰ লগে লগে পূজাৰ যাৱতীয় কাম কৰিব। পূজা শেষ হোৱাৰ পিছত অনাদি ভাহি আহিব। তেওঁক মহেশ্বৰে কাঠ সংস্কাৰ কৰে। অনাদি ধোৱাঁত উঠি স্বৰ্গলৈ অন্তৰ্দ্ধান হয়। মনসায়ো অনাদিৰ চিতাত জাপ দিয়ে। তেৱোঁ ধোৱাঁৰ কোবত সাগৰৰ পানীত পৰে। সাগৰৰ সোণৰ সফুঁৰাত সোমাই তেৱোঁ ভাহি যায়। ভাহি গৈ সোণৰ সফুঁৰা হেম ঋষিৰ ঘাটত লাগেগৈ। ঋষিয়ে সপোনত জানিলে সাগৰৰ ঘাটত ডুব মাৰিলে সোণৰ সফুঁৰা পাব। সপোনত দেখা মতে ঋষিয়ে ঘাটত ডুব মাৰি সোণৰ সফুঁৰা পালে। ঘৰলৈ আনি স্বামী স্ত্ৰীয়ে দুৰ্গাক পালে। দুৰ্গা ডাঙৰ হলত এদিনাখন ফুলৰ কৰণি লৈ মালঞ্চলৈ গৈ ফুল তুলি বিশ্ৰাম ললে। দেওধনীয়ে কিছু সময়ৰ বাবে অচেতন হৈ পৰি থাকে। এয়াই ফুলদকঁ। মহাদেৱে আহি দেৱীক জগোৱাত দকঁৰ অন্ত পৰে। পিছত দুয়ো গন্ধৰ্ব বিবাহ পাশত আৱদ্ধ হয়। ঋষিয়ে দুৰ্গাৰ পবিত্ৰতা পৰীক্ষা কৰি নিষ্কলুষতাৰ প্ৰমাণ পালে

যদিও সন্দেহ দূৰীভূত নোহোৱাত কাৱলীয়ালৈ বিয়া দিয়াৰ ইচ্ছা প্ৰকাশ কৰিলে। ইপিনে কাৱলীয়াৰূপী মহাদেৱে ভিক্ষা দিবলৈ অহা দুৰ্গালৈ মুখৰ ছোবা দলিয়াই দিয়াত লঘু লাঞ্চনা পালে। শেষত ঋষিয়ে শিৱৰ পৰিচয় পাই দুৰ্গাক তেওঁলৈ বিয়া দিবলৈ প্ৰতিশ্ৰুত হয় আৰু যথা সময়ত দুয়োৰো বিবাহ হ'ল। এদিনাখন মহাদেৱে ফুলনিলৈ গৈ পুখুৰীৰ পাৰত বহি ৰাজহাঁহৰ ক্ৰীড়া চাই থাকোঁতে তেজ নিক্ষিপ্ত হোৱাত পদুমৰ নলীয়েদি পাতাল পালে। ফলস্বৰূপে পাতালত বাসুকীৰ গৃহত পদ্মাৱতীৰ জন্ম হ'ল। যুৱতী পদ্মাই মাকক পিতৃ পৰিচয় সোধাত ফুলবাৰীত থকা বুলি কলে। পদ্মাই গৈ নিজ ৰূপ ধাৰণ কৰাত মহাদেৱে সকলো বুজিলে। জীয়েকে পিতৃগৃহলৈ আহিব খোজাত গঙ্গা দুৰ্গাৰ প্ৰতি ভীত হৈ ফুলৰ কৰণিত পদ্মাক লুকাই আনি কৰণি আতালত তুলি থলে আৰু দেৱগণৰ সভালৈ গুচি গ'ল। সন্দেহবশতঃ গঙ্গা আৰু দুৰ্গাই কৰণি চোৱাত পদ্মাক পালে আৰু মহাদেৱৰ তৃতীয়া স্ত্ৰী বুলি সন্দেহ কৰি মাৰধৰ কৰিলে। চকু এটাও কণা কৰিলে। পদ্মাই সৰ্পৰ ৰূপ ধাৰণ কৰি কচুবাৰীত সোমাল। অত্যাচাৰত ধৈৰ্য্যহীনা হৈ সৰ্পৰূপী পদ্মাই দুৰ্গাক দংশন কৰিলে। দুৰ্গাৰ প্ৰাণবায়ু উৰি গ'ল। লগে লগে দেওধনী পৰি গ'ল আৰু মূৰ্চ্ছিতা হ'ল। এয়াই দুৰ্গাদঁক। তাৰ পিছত ওজাপালিয়ে পিছৰ পদ সমূহ গাই ওজাই জৰা-ফুকা কৰি দুৰ্গাক জীয়াই তোলে। ইয়াকে দকঁ তোলা বোলে। মহাদেৱে সমুদ্ৰ মন্থনত বাহিৰ হোৱা বিষ পান কৰি মাজ সাগৰতেই অচেতন হৈ পৰে। এইবাৰ দেওধনীয়ে মহাদেৱৰ ভূমিকাত পুনৰ দকঁত পৰে। ইয়াকে গোহাঁই দকঁ বোলে। ওজাপালিয়ে গীতৰ মাধ্যমেৰে দকঁ তোলে।

গোহাঁই দকঁৰ পিছত পদ্মাৰ বিয়া, চান্দৰ জন্ম, বণিজ, লখাইৰ জন্ম, বিবাহ, ছায়াঁ দকঁ, লখাই দঁক, ভেল-ভাসানি প্ৰভৃতি বহুতো কাহিনীৰ গীতেৰে মাৰে পূজাৰ সামৰণি মৰা হয়।



মুঠতে কবলৈ গলে 'মাৰে গীত' মাৰে পূজা আৰু ইয়াৰ লগত জড়িত বহুতো কাহিনী আৰু উপ-কাহিনীক গীতৰ মাধ্যমেৰে বৰ্ণনা কৰা কিছুমান গীতৰ সমষ্টি। দক্ষিণ কামৰূপৰ বিশেষকৈ বকো বামুণীগাওঁ অঞ্চলত বসবাস কৰা পাতিৰাভা সকলৰ মাজত বহু পুৰণি কালৰে পৰা প্ৰচলিত ধৰ্মীয় গীত। আগতে সাতদিন সাতৰাতি একেৰাহে গীত গাই মাৰেপূজা সমাপ্ত কৰিছিল। বৰ্তমানে তিনি বা চাৰি দিনীয়াকৈ মাৰে পূজা কৰা হয়।

মাৰেগীতবোৰ কোনো লিখিত সংকলন নহয়। ওজাপালি সকলৰ মুখবাগৰা আৰু পৰম্পৰা ৰক্ষা কৰা প্ৰচলিত গীত। দক্ষিণ গোৱালপাৰাতো পাতিৰাভা সম্প্ৰদায়ৰ মাজত বেচ জনপ্ৰিয় আৰু আদৰণীয় হৈ মায়াবন্তী বিষহৰিৰ পূজাত মাৰেগান বা মাৰেগীত আজিকোপতি প্ৰচলিত হৈ আছে। দক্ষিণ গোৱালপাৰা আৰু দক্ষিণ কামৰূপৰ মাৰেপূজাৰ কাহিনী আৰু উপলক্ষ্য একেই যদিও ভাষাগত পাৰ্থক্য মন কৰিব লগীয়া।

# দুটা বিশেষ অনুষ্ঠান

**ৰাজাঢোল ঃ**

সাংস্কৃতিক পৰম্পৰা অনুধাৱন কৰিলে জনা যায় যে দক্ষিণ কামৰূপৰ লোহাৰঘাট অঞ্চলত প্ৰচলিত ৰাজাঢোল পাতিৰাভা সকলৰ অন্যতম জাতীয় কৃষ্টি। সৰ্ব্বসাধাৰণৰ মাজত বহুল ভাৱে প্ৰচলিত নহ'লেও এই বাদ্যৰ প্ৰচলন পাতিৰাভাৰ মাজৰ নিৰ্দ্ধাৰিত কিছু সংখ্যক লোকৰ মাজত আৱদ্ধ আৰু সৰ্ব্বসাধাৰণ জড়িত উৎসৱ পাৰ্বনত ৰাজহুৱা ভাৱে পৰিৱেশিত।

বহু পুৰণি কালৰেপৰা দক্ষিণ কামৰূপৰ বৰদুৱাৰ মৌজাত ৰাজাঢোলৰ প্ৰচলন আছে। বৰ্ত্তমানৰ বৰদুৱাৰ মৌজা আৰু ইয়াৰ আশে পাশে থকা বিস্তৃত অঞ্চল এটি তাহানিৰ বৰদুৱাৰ ৰাজ্য আছিল। পাহাৰ অঞ্চলত থকা ৰজাই হেনো ভৈয়ামলৈ আহি বৰ্ত্তমানে লোহাৰঘাট ৰাজ্যিক পশু চিকিৎসালয় স্থাপিত হোৱা ঠাইত বাহৰ পাতি থাকি কৰ-কাটল আদায় কৰিছিল। সেই ঠাইক ৰাজাবাট কোৱা হৈছিল। ৰজা ৰাজাবাটলৈ আহোঁতে আদৰণি সম্ভাষণ জনোৱাত আৰু বিভিন্ন সময়ত ভিন্ ভিন্ তালৰ ঢোলৰ বাজনাৰে ৰজাক আপ্যায়িত কৰিছিল। ৰজাক আদৰাত আৰু ৰজাক দোকমোকালিতে জাগন বাদ্য বা প্ৰভাতী বাদ্য বজাই নিদ্ৰাৰ পৰা জগাই তুলিছিল। অন্যান্য সময়তো ৰজাৰ সন্মানৰ অৰ্থে বিভিন্ন তাল আৰু লয়েৰে ঢোল বাদ্য বজাইছিল। বিশেষকৈ ৰাজকীয় কাৰ্য উপলক্ষে বজোৱা এই ঢোলক ৰাজাঢোল কোৱা হৈছিল।

ৰাজাঢোলত চাৰিটা ঢোল, এযোৰ কাৰা ( দীঘলপেটী বা দীঘল ঢোল ), এটা ডুগুৰী আৰু এযোৰ কালি থাকে। এই চাৰি-



বিধ বাদ্যৰ সমন্বয়ত গঢ়ি উঠা ঐক্যতাল সমলয়েই হৈছে ৰাজাঢোল। বিভিন্ন বাদ্য আৰু অন্য প্ৰকাৰে সহযোগী মুঠ ঢুলীয়াৰ সংখ্যা বাৰজন। তাহানিৰ ৰাজা ঢুলীয়াৰ বাসস্থান আছিল বৰ্ত্তমানৰ কামাৰপাৰা গাওঁ। ঢুলীয়াসকল আছিল ৰাজঢুলীয়া অৰ্থাৎ ৰজাৰ কৰ্ম্মচাৰী সদৃশ। তেওঁলোকে জীৱিকাৰ বাবে ৰজাৰ পৰা খোৰাকী পাইছিল আৰু মাটিৰ খাজনা ৰেহাই পাইছিল। সেই মৰ্ম্মে তেওঁ-লোকে নিৰ্দ্ধাৰিত সময় সাপেক্ষে ঢোলবাদ্য বজাই কৰ্ত্তব্য পালন কৰিছিল।

আন এটি জনবিশ্বাসমতে ৰাজাঢোল সৰ্বপ্ৰথমে দেৱালয় আৰু থানৰ প্ৰধান বাদ্য আছিল। দেৱালয়ত বা গোসাঁনীথানত তিথি উৎসৱ, পূজা-পাৰ্বন, প্ৰভৃতিত নীতি-নিয়ম অনুসৰি বিভিন্ন প্ৰকাৰৰ বাদ্য পৰিৱেশন কৰাৰ দায়িত্ব আছিল ৰাজাঢুলীয়াৰ। সেই সময়ত কেৱল দেৱবাদ্য হিচাপে ধৰ্মীয় স্থানতেই এই ঢোল বাদ্যৰ ব্যৱহাৰ অব্যাহত আছিল। বৰ্ত্তমানেও দেখা যায় অন্য ঢুলীয়াবোৰেও কোনো ধৰ্মীয় অনুষ্ঠানলৈ আহিয়েই জাগন বাদ্য বজায় আৰু ঢোল বাদ্য লৈ কৰবালৈ অহা-যোৱা কৰিলে কোনো ধৰ্মীয় অনুষ্ঠানৰ দাঁতি-লৈ য়েদি গলে ঢুলীয়াই এনেই সেই স্থানত কেইচেও মানকৈ হ'লেও ঢোল বজাইহে সেই ঠাই অতিক্ৰম কৰে। পূজা উৎসৱ, বিবাহ আদিত গ'লেও ঢুলীয়াই সেই স্থানত গৈয়েই এটা জাগন বাদ্য বজায় আৰু সম্পূৰ্ণ সময় ছোৱাৰ ভিতৰত কাৰ্য অনুসৰি বাদ্য বজোৱাৰ উপৰিও যাবৰ সময়ত আন এটি সামৰণি বাজনা বজায়। যি হওক, থান বা দেৱালয়ৰ দেৱবাদ্যই সময়ৰ সোঁতত ৰাজকীয় মৰ্য্যাদা লাভ কৰি ৰজাৰ ঘৰত ঠাই পালে।

আন এটি কিম্বদন্তী মতে জনা যায় যে এসময়ত বৰদুৱাৰ ৰাজ্য তথা বৰদুৱাৰ মৌজাৰ অন্তৰ্গত লোহাৰঘাটত সামাজিক প্ৰতিপত্তি থকা, ধনী আৰু সমৃদ্ধিশালী লোক এজনে বসবাস-

# দুটা বিশেষ অনুষ্ঠান

**ৰাজাঢোল :**

সাংস্কৃতিক পৰম্পৰা অনুধাৱন কৰিলে জনা যায় যে দক্ষিণ কামৰূপৰ লোহাৰঘাট অঞ্চলত প্ৰচলিত ৰাজাঢোল পাতিৰাভা সকলৰ অন্যতম জাতীয় কৃষ্টি। সৰ্ব্বসাধাৰণৰ মাজত বহুল ভাৱে প্ৰচলিত নহ'লেও এই বাদ্যৰ প্ৰচলন পাতিৰাভাৰ মাজৰ নিৰ্দ্ধাৰিত কিছু সংখ্যক লোকৰ মাজত আৱদ্ধ আৰু সৰ্ব্বসাধাৰণ জড়িত উৎসৱ পাৰ্বনত ৰাজহুৱা ভাৱে পৰিবেশিত।

বহু পুৰণি কালৰেপৰা দক্ষিণ কামৰূপৰ বৰদুৱাৰ মৌজাত ৰাজাঢোলৰ প্ৰচলন আছে। বৰ্ত্তমানৰ বৰদুৱাৰ মৌজা আৰু ইয়াৰ আশে পাশে থকা বিস্তৃত অঞ্চল এটি তাহানিৰ বৰদুৱাৰ ৰাজ্য আছিল। পাহাৰ অঞ্চলত থকা ৰজাই হেনো ভৈয়ামলৈ আহি বৰ্ত্তমানে লোহাৰঘাট ৰাজ্যিক পশু চিকিৎসালয় স্থাপিত হোৱা ঠাইত বাহৰ পাতি থাকি কৰ-কাটল আদায় কৰিছিল। সেই ঠাইক ৰাজাবাট কোৱা হৈছিল। ৰজা ৰাজাবাটলৈ আহোঁতে আদৰণি সম্ভাষণ জনোৱাত আৰু বিভিন্ন সময়ত ভিন্ ভিন্ তালৰ ঢোলৰ বাজনাৰে ৰজাক আপ্যায়িত কৰিছিল। ৰজাক আদৰাত আৰু ৰজাক দোকমোকালিতে জাগন বাদ্য বা প্ৰভাতী বাদ্য বজাই নিদ্ৰাৰ পৰা জগাই তুলিছিল। অন্যান্য সময়তো ৰজাৰ সন্মানৰ অৰ্থে বিভিন্ন তাল আৰু লয়েৰে ঢোল বাদ্য বজাইছিল। বিশেষকৈ ৰাজকীয় কাৰ্য উপলক্ষে বজোৱা এই ঢোলক ৰাজাঢোল কোৱা হৈছিল।

ৰাজাঢোলত চাৰিটা ঢোল, এযোৰ কাৰা (দীঘলপেটী বা দীঘল ঢোল), এটা দুগুৰী আৰু এযোৰ কালি থাকে। এই চাৰি-



বিধ বাদ্যৰ সমন্বয়ত গঢ়ি উঠা ঐক্যতাল সমলয়েই হৈছে ৰাজাঢোল। বিভিন্ন বাদ্য আৰু অন্য প্ৰকাৰে সহযোগী মুঠ ঢুলীয়াৰ সংখ্যা বাৰজন। তাহানিৰ ৰাজা ঢুলীয়াৰ বাসস্থান আছিল বৰ্ত্তমানৰ কামাৰপাৰা গাওঁ। ঢুলীয়াসকল আছিল ৰাজঢুলীয়া অৰ্থাৎ ৰজাৰ কৰ্ম্মচাৰী সদৃশ। তেওঁলোকে জীৱিকাৰ বাবে ৰজাৰ পৰা খোৰাকী পাইছিল আৰু মাটিৰ খাজনা ৰেহাই পাইছিল। সেই মৰ্ম্মে তেওঁ-লোকে নিৰ্দ্ধাৰিত সময় সাপেক্ষে ঢোলবাদ্য বজাই কৰ্ত্তব্য পালন কৰিছিল।

আন এটি জনবিশ্বাসমতে ৰাজাঢোল সৰ্বপ্ৰথমে দেৱালয় আৰু থানৰ প্ৰধান বাদ্য আছিল। দেৱালয়ত বা গোসাঁনীথানত তিথি উৎসৱ, পূজা-পাৰ্বন, প্ৰভৃতিত নীতি-নিয়ম অনুসৰি বিভিন্ন প্ৰকাৰৰ বাদ্য পৰিবেশন কৰাৰ দায়িত্ব আছিল ৰাজাঢুলীয়াৰ। সেই সময়ত কেৱল দেৱবাদ্য হিচাপে ধৰ্মীয় স্থানতেই এই ঢোল বাদ্যৰ ব্যৱহাৰ অব্যাহত আছিল। বৰ্ত্তমানেও দেখা যায় অন্য ঢুলীয়াবোৰেও কোনো ধৰ্মীয় অনুষ্ঠানলৈ আহিয়েই জাগন বাদ্য বজায় আৰু ঢোল বাদ্য লৈ কৰবালৈ অহা-যোৱা কৰিলে কোনো ধৰ্মীয় অনুষ্ঠানৰ দাঁতি-লৈ যেদি গলে ঢুলীয়াই এনেই সেই স্থানত কেইচেও মানকৈ হ'লেও ঢোল বজাইহে সেই ঠাই অতিক্ৰম কৰে। পূজা উৎসৱ, বিবাহ আদিত গ'লেও ঢুলীয়াই সেই স্থানত গৈয়েই এটা জাগন বাদ্য বজায় আৰু সম্পূৰ্ণ সময় ছোৱাৰ ভিতৰত কাৰ্য অনুসৰি বাদ্য বজোৱাৰ উপৰিও যাবৰ সময়ত আন এটি সামৰণি বাজনা বজায়। যি হওক, থান বা দেৱালয়ৰ দেৱবাদ্যই সময়ৰ সোঁতত ৰাজকীয় মৰ্য্যাদা লাভ কৰি ৰজাৰ ঘৰত ঠাই পালে।

আন এটি কিম্বদন্তী মতে জনা যায় যে এসময়ত বৰদুৱাৰ ৰাজ্য তথা বৰদুৱাৰ মৌজাৰ অন্তৰ্গত লোহাৰঘাটত সামাজিক প্ৰতিপত্তি থকা, ধনী আৰু সমৃদ্ধিশালী লোক এজনে বসবাস-

কৰিছিল। তেওঁৰ নাম আছিল নিমাই সদাগৰ। তেওঁ ৰাভা সম্প্ৰদায়ৰ লোক আছিল। তেওঁ হেনো বৰ্ত্তমানে মদনমোহন মাটিফুটা দেৱালয় থকা থানত মহাপয়োভৰেৰে নিজাববীয়াকৈ বৰমান্নীৰ পূজা কৰিছিল। দৌল-উৎসৱো বিস্তৃত ভাৱে উলহ মালহেৰে উদ্‌যাপন কৰা হৈছিল। এই জনা সদাগৰেও ৰাজাঢুলীয়াৰ পৃষ্ঠপোষকতা কৰিছিল। আগৰ ৰজাৰ বাহৰত বা ৰাজগৃহত যথানিয়মে ৰাজাঢোল বজোৱাৰ নিচিনাকৈ ৰাজাঢুলীয়াৰ দলে নিমাই সদাগৰৰ ঘৰতো ৰাজাঢোল বজাইছিল আৰু তেওঁৰ ইচ্ছা আৰু পৰিচালনাত অনুষ্ঠিত বৰমান্নীৰ পূজাত আৰু দৌল উৎসৱত ধৰ্মীয় ৰীতি-নীতিৰে ৰাজাঢোল বজাইছিল। সেয়েহে সদাগৰে একেৰাহে বহুবছৰ ধৰি ঢুলীয়া সকলক ভৰণ-পোষণ দিছিল। সদাগৰে নিজৰ ধৰ্ম্মপৰায়ণতা আৰু বদন্যতাৰ বাবেই দৌল উৎসৱত সমূহ ৰাইজলৈ ভোজনৰ খোৰাকি (সিধা) যোগাইছিল। কথিত আছে—সময়ৰ সোঁতত মাটিফুটা দেৱালয়ত বৈষ্ণৱীয় প্ৰভাৱ পৰাত নিমাই সদাগৰে কুলচীৰ ওচৰত থকা তিয়াঁমাৰী গোসাঁনী থানত বৰমান্নীৰ পূজা ভাগ সমজাই দিয়ে আৰু তেতিয়াৰ পৰাই তিয়াঁমাৰী থানত আজিকোপতি বৰমান্নী বা মনসা পূজাৰ প্ৰচলন নিয়মিত ভাৱে চলি আছে।

তাহানি ৰাজা বাটত ৰাতিৰ শেষ প্ৰহৰত ৰজাক জগাই তোলা জাগৰণ বা জাগন বাদ্য আৰু দেৱালয়ৰ গোসাঁই জাগৃত কৰা ঢোল বজোৱা সুৰধ্বনি এনে ধৰণৰ—

টুক্ টুক্ টুক্ টুক্ টুক্ টুক্
গ্ৰিম্ গুৰু গেন্‌জং গুৰু গেন্‌জং
চাং গুৰু গেন্‌জং গুৰু গেন্‌জং গ্ৰিম্
চাং গুৰু গেন্‌জং গুৰু গেন্‌জং গ্ৰিম্
টুক্ টুক্ টুক্



গুৰু গেন্‌জং গ্ৰিম্
টুক্ টুক্ টুক্
গুৰু গেন্‌জং গ্ৰিম্…………

দেৱ দেৱীক দেৱালয় বা থানৰ পৰা লৈ যাওঁতে বা আদৰি আনোঁতে নাইবা ৰজাক আদৰি আনোঁতে বা আগবঢ়াই থবলৈ যাওঁতে বুলন বাদ্য বা বাট বুলনি বাদ্য বজাইছিল এইদৰে—

গেন্ গেন্ গেন্ গেন্
গেন্‌জং গেন্‌জং
গেনেট ট্ৰে গেন্‌জং
চুং চুং চুং………ইত্যাদি।

ৰজাৰ আমোল যোৱাত আৰু নিমাই সদাগৰৰ আভিজাত্যৰ পৰিবেশ বিলুপ্ত হোৱাত ৰাজাঢোলৰ প্ৰাধান্য তথা অস্তিত্ব বা স্থায়ীত্ব বজাই থাকিল দেৱালয় আৰু গোসাঁনী থানত। মাটিফুটা দেৱালয়ত দৌল উৎসৱত, তিয়াঁমাৰী থানত গোসাঁনী পূজা আৰু বৰমান্নী পূজাত আৰু মৌজা ভিত্তিত অনুষ্ঠিত ৰাজহুৱা সবাহ উৎসৱ আদিত বৰ্ত্তমানলৈ ৰাজাঢোল অপৰিহাৰ্য হৈ আছে। উক্ত সকলোবোৰ উৎসৱ পাৰ্বন কেৱল পাতিৰাভাৰ মাজতেই সীমাবদ্ধ হৈ থকা নাই। সকলো সম্প্ৰদায়ৰ লোক লগলাগি উৎসৱ পৰ্ব বোৰ পালন কৰে যদিও ৰাজাঢোল বজোৱাত অংশ গ্ৰহণ কৰি আহিছে ৰাভা সম্প্ৰদায়ৰ লোকেহে।

দৌলযাত্ৰাত গোসাঁই দৌলত তোলতে নাইবা গোসাঁইক দৌলত পৰিভ্ৰমণ কৰোঁতে গহীন গম্ভীৰ পৰিবেশৰ সৃষ্টি কৰি ৰাজাঢোল বজোৱা হয়।

গুৰু গেন্ গুৰু গেন্
খুট্ টুং
গুৰু গেন্ গুৰু গেন্
খুট্ টুং খুট্ টুং ইত্যাদি।

সেইদৰে বৰমান্নীৰ থানতো বৰমান্নী বা মনসা পূজাৰ সময়তো গুৰু গম্ভীৰ তালৰ লহৰ তুলি শক্তি উপাসনাৰ ভক্তি, শ্ৰদ্ধা আৰু গাম্ভীৰ্য্যৰ পৰিবেশ সৃষ্টি কৰে এই ৰাজাঢোলৰ বাদ্যই –

ক্ৰিম্ টুক্ টুক্ টুক্
ক্ৰিম্ টুক্ টুক্ টুক্
ক্ৰিম্ ক্ৰিম্ ক্ৰিম্ টুক্ টুক্ টুক্
ক্ৰিম্ ক্ৰিম্ ক্ৰিম্ টুক্ টুক্ টুক্ ····ইত্যাদি

তাহানি ৰাজকীয় মৰ্য্যাদা পোৱা আৰু থান দেৱালয়ত দেৱবাদ্যৰ স্থান পোৱা ৰাজাঢোল সকলোৰে সন্মানীয় আৰু আদৰণীয়। সৰ্ব্বসাধাৰণে বজোৱা বা স্পৰ্শ কৰা নিষেধ। আইন বিৰুদ্ধ। বজাওঁতাৰ বাহিৰে আনে স্পৰ্শ কৰিব নোৱাৰে। ভুলবশতঃ স্পৰ্শ কৰিলেও দণ্ড ভৰিব লাগিব। সেয়েহে উৎসৱ আদিৰ সমাপ্তিৰ পিছত বাদ্যবোৰ কোনোৱে ছুব নোৱাৰাকৈ চাঙৰ ওপৰত তুলি থোৱা হয়।

## বাদ্যপূজা :

গোসাঁনী পূজাৰ আগতে বাদ্যপূজা কৰা হয়। 'কাচালাও' নামৰ কাল্পনিক দেৱতাক আৰাধনা কৰা হয়। এটি গাহৰি পোৱালি মাৰি তাৰ মাংস চাউল পানীৰে লগলগাই ভোগ ৰন্ধা হয়। ভোগ ভাত, মদ-মাংস, তামোল প্ৰভৃতি একেলগে বান্ধি দিয়া হয়। উপবাসে থাকি পূজা কৰা হয়। তিনি গছি বন্তি প্ৰজ্বলন কৰি কাৰা কালিয়াৰ বাবে এগছি আৰু ঢোল ডুগুৰীৰ বাবে দুগছি দিয়া হয়। পূজাৰ শেষত মদ খোৱাটো এক সামাজিক ব্যৱস্থা।

দৌল উৎসৱ, শাৰদীয় দুৰ্গা পূজা আৰু বহাগ বিহুৰ সময়ত ৰাজাঢোলৰ পূজা হয় আৰু সেই সেই সময়তেই বজোৱাও হয়। কবলৈ গলে ৰাজাঢোল কেৱল ৰাভা সম্প্ৰদায়ৰে কৃষ্টি নহয়, সুবৃহৎ অসমীয়া সংস্কৃতিৰেই অঙ্গ স্বৰূপ।



## খ) দেওধনী :

দক্ষিণ কামৰূপৰ পাতিৰাভা সকলৰ মাজত শ্ৰদ্ধা, ভক্তি আৰু আন্তৰিকতাৰে পালন কৰি অহা মাৰে পূজা বা মনসা পূজাত দেওধনীৰ উপস্থিতি একান্তই অপৰিহাৰ্য। বহু পুৰণি কালৰে পৰা দক্ষিণ কামৰূপৰ পশ্চিম অঞ্চলত বসবাস কৰা পাতিৰাভা আৰু বড়ো সম্প্ৰদায়ৰ লোকৰ মাজত প্ৰচলিত মাৰে পূজা বা মনসা পূজাৰ উপৰিও অন্যান্য হিন্দু সম্প্ৰদায়ৰ মাজতো ঠাইবিশেষে আছে। মহাতীৰ্থ কামাখ্যা, মিৰ্জাৰ শ্ৰীশ্ৰীনিজেশ্বৰীৰ থান, ৰঙামাটি পাহাৰৰ শ্ৰীশ্ৰীচুধকুঁৱৰীৰ থান, হুচুমপুৰৰ শ্ৰীশ্ৰীলাহেশ্বৰীৰ থান, দখলা পাহাৰৰ শ্ৰীশ্ৰীবুঢ়াগোহাঁইৰ থান, মনিয়েৰী তিনি আলিৰ বৰকঞাৰ থান প্ৰভৃতিতো মাৰে পূজা হয়। উক্ত থান সমূহত ভাদ মাহৰ প্ৰথম আৰু দ্বিতীয় দিনা মনসা পূজা বা মাৰে পূজা অনুষ্ঠিত হয়। এইবোৰ ঠাইত পূজা উপলক্ষে মতা মানুহে নাচে। নাচোঁতা সকলক দেওধা নাইবা জঁকী বোলে। দেওধা বা জঁকী হোৱা মানুহক শিৱ, চণ্ডী, মনসা, কেঁচাইখাইতী প্ৰভৃতি দেৱতা বা দেৱীয়ে লম্ভে। যিজনা দেৱতা বা দেৱীয়ে লম্ভে সেইজনাৰ ঘোঁৰা বা বাহন স্বৰূপে তেওঁ জঁকে। সেই অনুসৰি ভগৱতীৰ জঁকী, মহাদেৱৰ জঁকী, কেঁচাইখাইতীৰ জঁকী, গণেশৰ জঁকী প্ৰভৃতি নামাকৰণেৰে জঁকীবোৰক আখ্যা দিয়া হয়। এই জঁকী বোৰক ঢোল-তাল, নাগাৰা প্ৰভৃতিৰে উত্তেজনাপূৰ্ণ বাজনা বজাই নচুওৱা হয়। জঁকীবোৰে বাজনাৰ তালে তালে হাতত বেত, বলিকটা খৰ্গ প্ৰভৃতি লৈ তাণ্ডৱ মূৰ্ত্তিৰে নাচে। এনেধৰণে হোৱা জঁকীবোৰে স্বেচ্ছাই জঁকী হ'ব নোৱাৰে বুলি এটা লোকবিশ্বাস আছে। দেৱ-দেৱী সকলে হেনো এমাহ কাল আগৰে পৰা জঁকী হোৱা মানুহজনক সপোন দেখুৱায় আৰু সেইমতে মানুহজনে তেতিয়াৰে পৰা পূজাৰ সময়লৈকে নিজ নিজ ইষ্টদেৱতা বা দেৱীৰ থানৰ লগত সম্পৰ্ক ৰক্ষা কৰি নীতি-নিয়মৰ মাজত সংযত হৈ থাকি

ব্ৰত পালন কৰে। পূজাৰ কেইদিন পূজাৰ লগত সম্পৰ্ক ৰাখি জংকী সকলে দেওধনী নাচ নাচে। ব্যক্তিগত ভাৱেও বহুতো লোকে মনসা পূজা কৰে। কিন্তু সকলোতে জংকী বা দেওধনীয়ে নানাচে।

ৰাভা বা বড়ো সম্প্ৰদায়ৰ মাজত অনুষ্ঠিত মাৰে পূজা বা মনসা পূজা সাধাৰণতে জেঠ মাহত কৰা হয়। ৰাজহুৱাভাৱে মাৰে ঘৰত আৰু ব্যক্তিগতভাৱে কৰিলে নিজৰ সুবিধাজনক ঠাইত কৰে। মনসা, পদ্মাৱতী, বিষহৰি, বৰমান্নী প্ৰভৃতি বিভিন্ন নামেৰে সৰ্পৰ অধিষ্ঠাত্ৰী দেৱীক পূজা কৰিলেও এই অঞ্চলত এই পূজা 'মাৰে পূজা' বুলিহে সৰ্ব্বাধিক জনপ্ৰিয়। এই অঞ্চলত অনুষ্ঠিত মাৰে পূজাত তিৰোতা বা ছোৱালীয়ে দেওধনী হৈ নাচে। লোক বিশ্বাসমতে কোনো তিৰোতা বা গাভৰু ছোৱালীয়ে ইচ্ছাকৃতভাৱে বা বংশ পৰম্পৰা মতে দেওধনী হ'ব নোৱাৰে। দেৱীয়ে লম্ভা তিৰোতা বা ছোৱালীয়ে কোনো ওজাৰ তলত নাচগান শিক্ষা কৰি দেওধনী হয়। মাৰে পূজাত ওজাপালিয়ে পৰিবেশন কৰা মাৰে গীতৰ লগত সমন্বয় ৰাখি দেওধনীয়ে নাচ আৰু কাৰ্য্য সম্পন্ন কৰে।

দেওধনী শব্দৰ অৰ্থ তলত লিখা ধৰণে ব্যাখ্যা কৰা হয়। কিছুমান পণ্ডিতৰ মতে—'দেওধনী নাচ হ'ল তান্ত্ৰিক পূজাৰ শাস্ত্ৰীয় নৃত্য। এওঁলোকৰ ব্যাখ্যা মতে 'দেও' মানে হ'ল দেৱ বা দেৱতা আৰু 'ধনী মানে হ'ল তিৰোতা বা গাভৰু। এতেকে যিসকল ধনী অৰ্থাৎ তিৰোতা বা গাভৰু ছোৱালীয়ে নিজক দেৱতাৰ নামত উচৰ্গা কৰে নাইবা দেৱতাৰ কামত বিশেষ অংশ গ্ৰহণ কৰে তেওঁলোকক দেওধনী বোলে। সেয়েহে দেওধনী নৃত্য মানে হ'ল দেওধনী নামৰ এক বিশেষ শ্ৰেণীৰ গাভৰুৱে নচা নাচ" (ডঃ হেমন্ত কুমাৰ শৰ্মা)।



ৰাজহুৱা ভাৱে কৰা পূজাই হওক বা ব্যক্তিগতভাৱে কৰা পূজাই হওক, মনসা পূজাত দেওধনীয়ে নাচে। আগতে হেনো ৰাজহুৱা ভাৱে আয়োজন কৰা মাৰে পূজা সাতদিন সাতৰাতি চলিছিল। আটাইকেইদিনতে ওজাপালি আৰু দেওধনীয়ে মাৰে নৃত্য-গীত পৰিবেশন কৰিছিল। বৰ্ত্তমানে সামাজিক পৰিবৰ্ত্তন আৰু আৰ্থিক দিশত অনাটনৰ সৃষ্টি হোৱা বাবে তিনিদিন তিনি ৰাতিলৈ হ্ৰাস কৰা হৈছে। ব্যক্তিগতভাৱে কৰা পূজা এদিনৰ পৰা তিনি-দিনলৈ চলে। এই পূজাত ওজাপালি আৰু দেওধনী অপৰিহাৰ্য্য।

কবলৈ গলে ওজাপালিয়ে গীতৰ মাধ্যমেৰে আদিৰ পৰা অন্তলৈকে বিভিন্ন গীত গাই পূজাৰ ভিন্ ভিন্ পৰিবেশ ফুটাই তোলাৰ লগতে পূজা সম্পাদনত পুৰোহিতৰ লেখীয়াকৈ কাম কৰে। পৰিবেশ সাপেক্ষে দেওধনীও নাচে। দেওধনীৰ উপস্থিতিয়ে পূজাৰ পৰিবেশ অধিক গাম্ভীৰ্য্যপূৰ্ণ আৰু আকৰ্ষণীয় কৰি তোলে। মুকলি চুলিৰে আউলী বাউলী হৈ ঢোল-তালৰ বাজনাৰ তালে তালে দেওধনীয়ে উগ্ৰমূৰ্ত্তি ধাৰণ কৰি চুলিকোছা ঘূৰাই ঘূৰাই আৰু জপিয়াই জপিয়াই নাচে। তাৰ উপৰি দেওধনীয়ে নাচৰ মাজে মাজে জীয়া হাঁহ পাৰ মুচৰি যেতিয়া তেজ পি খায় আৰু বলি কটা তৰোৱালৰ ওপৰত থিয় হৈ নাচে তেতিয়া এই দৃশ্য অধিক ভয়াবহ হৈ পৰে। আজিকালি দেওধনীৰ সাজপাৰ প্ৰায় স্বাভাৱিক আৰু সাধাৰণ। আগতে তমো গুণ সম্পন্ন আছিল। এই সাজ-পাৰত দেওধনীৰ তাণ্ডৱীয় ৰূপ প্ৰকাশ পাইছিল। পিন্ধন উৰণ আছিল এনে ধৰণৰ—'গাত ৰঙা, ভোমোকাফুলীয়া মেখেলা আৰু ফুটুকা ফুটুকী আগুৱাণ, বুকুত ফুলাম বিহাৰ মেঠনি, ককাঁলত টঙালি, কপালত সেন্দূৰৰ দীঘল ৰেখা, শৰীৰৰ বিভিন্ন অঙ্গত কেৰু, নাকফুল, খাৰু, গলপাতা, মাদলি আদি অলংকাৰ"—(ডঃ হেমন্ত কুমাৰ শৰ্মা)।

দেওধনীৰ নাচৰ লগত ওজাপালিয়ে কালিকা পুৰাণ পদ্ম পুৰাণ, দেৱী ভাগৱত আদিৰ কাহিনীৰ আধাৰত কিছুমান গীত গায়। এই গীতৰ লগতে চান্দ সদাগৰ, বেউলা-লখিন্দাৰৰ কাহিনী প্ৰভৃতিও সন্নিবিষ্ট কৰা হয়। এই গীতবোৰ অসমীয়া ভাষা আৰু স্থানীয় কথিত ভাষা মিশ্ৰিত। লিপিৱদ্ধ কৰা গ্ৰন্থ বা পুস্তিকা নহয়। ওজাৰ মুখে মুখে বাগৰি অহা লোক সাহিত্যৰ বা ধৰ্মীয় গীতৰ আহিত প্ৰচলিত কিছুমান গীত। থুনুক-থানাককৈ থলুৱা কথিত ভাষাৰে গোৱা গীত আৰু কথাবোৰ শুনি বেছ আমোদ লাগে। ক্ৰমাগত ভাৱে প্ৰবাহিত মনোৰম কাহিনী শুনি শ্ৰোতা বিমুগ্ধ হয় আৰু আকৰ্ষণীয় কাহিনীৰ প্ৰতি আকৃষ্ট হৈ শ্ৰোতাসকল ভক্তিত গদ্ গদ্ হৈ পৰে। উক্ত কাহিনীবোৰক দেওধনীৰ কাৰ্য্যাৱলীয়ে অধিক মনোগ্ৰাহী আৰু মৰ্মস্পৰ্শী কৰি তোলে।

মাৰে পূজাত দেওধনী দকঁত পৰাটো এটা বিশেষ ভাৱে মন কৰিব লগীয়া কথা। পূজাৰ দ্বিতীয় নিশা দেওধনীয়ে তিনিবাৰ অচেতন হৈ মৃত সদৃশ অৱস্থাত থাকে। ইয়াকে দকঁত পৰা বোলে। প্ৰথমতে 'ফুলদকঁ', দ্বিতীয়তে 'তুৰ্গাদকঁ', আৰু তৃতীয়তে 'গোসাঁইদকঁ'। এই সম্পৰ্কে ইতিমধ্যে 'মাৰেগীত' প্ৰৱন্ধত বিৱৰণ দিয়া হৈছে। তথাপি তাৰ সামান্য আভাস আকৌ দাঙি ধৰা হ'ল। তুৰ্গাদেৱীয়ে গোঁহাইৰ মালঞ্চত প্ৰৱেশ কৰি ফুল ছিঙি ভাগৰি পৰাত বিশ্ৰাম লওঁতে কিছুসময়ৰ বাবে অচেতন হৈ পৰে। তাক 'ফুলদকঁ' বোলে। পিছত মহাদেৱ আহি দেৱীক টোপনিৰ পৰা জগাই তোলাত দকঁৰ অন্ত পৰে আৰু দেওধনী জাগি উঠে। দ্বিতীয়তে তুৰ্গাই পদ্মাৱতীক অত্যাচাৰ কৰি চকু এটাও কণা কৰাত পদ্মাই ক্ৰোধৰ বশৱৰ্তী হৈ সৰ্পৰূপ ধাৰণ কৰি তুৰ্গাক দংশন কৰে। তুৰ্গাৰ প্ৰাণবায়ু উৰি যায়। এই দৃশ্যৰ বাস্তৱ ৰূপত অৱতাৰণা কৰিবলৈ দেওধনীয়ে তুৰ্গাৰ ভূমিকাত দ্বিতীয়বাৰৰ বাবে দকঁত পৰে ইয়াকে তুৰ্গাদকঁ বোলে। ওজাপালিয়ে জীৱদান গীত গাই গাই



বিষ নমাই তুৰ্গাক পুনৰ জীয়াই তোলে। ইয়াকে 'দকঁতোলা' বোলে। তৃতীয়বাৰ দেওধনী দকঁত পৰে যেতিয়া সমুদ্ৰ মন্থনত বিষ বাহিৰ হোৱাত মহাদেৱে বিষ পান কৰি চেতনা হেৰুৱাই মাজ সাগৰত পৰি থাকে। এইবাৰ দেওধনীয়ে মহাদেৱৰ ভূমিকা লৈ দকঁত পৰে। ইয়াকে 'গোহাঁইদকঁ' বোলে। ওজাপালিয়ে আগৰদৰেই গীত গাই মহাদেৱক জীয়াই তুলি দকঁৰ অন্ত কৰে।

তৃতীয় নিশাত অৰ্থাৎ ভৰমাৰেৰ নিশা বেউলা-লখিন্দাৰৰ কাহিনীত লখাইৰ জন্মৰ পৰা আৰম্ভ কৰি বিবাহ, সৰ্পদংশন, ভেলভটিয়নী আৰু বেউলাই দেৱপুৰীলৈ গৈ লখাইক জীয়াই তোলালৈকে দীঘলীয়া বৰ্ণনাৰে গীত পৰিবেশন কৰা কালতে দেওধনী আকৌ তুবাৰ দকঁত পৰিবলগীয়া হয়। প্ৰথমবাৰ ছাঁয়াদকঁ। বেউলা লখিন্দাৰৰ বিবাহ স্থলীত পদ্মাৱতীয়ে মায়াসৰ্প দেখুৱাই লখাইক অচেতন কৰে। তেতিয়া দেওধনীয়ে লখাইৰ ভূমিকাত দকঁত পৰে। তাৰ পিছত মেৰঘৰৰ ভিতৰত থকা সময়ত লখাইক সৰ্পদংশন কৰাত মৃত লখাইৰ ভূমিকাত আকৌ শেষবাৰৰ বাবে দেওধনীয়ে দকঁত পৰে। ইয়াকে ভৰদকঁ বা লখাইদকঁ বোলে। এইবেলি লখাইক জীয়াই তোলতে বহু সময় লাগে। সেয়েহে লখাইৰূপী দেওধনীও বহু সময় অচেতন হৈ পৰি থাকে। ভৰদকঁ তোলাৰ পিছত চান্দৰ ছয়পুত্ৰক জীয়াই তোলা, বাৰ ডিঙা উদ্ধাৰ, ঘৰলৈ প্ৰত্যাৱৰ্ত্তন প্ৰভৃতি গীতৰ পিছত বলিবিধান হয়। সেই সময়ত দেওধনীৰ কাৰ্য্য ভয়াবহ। তেওঁ ৰণমূৰ্ত্তি ধাৰণ কৰি খোলা চুলিৰে আউল বাউল হৈ উন্মাদিনী বেশেৰে নাচিবলৈ ধৰে। বলিৰ শেষত বিসৰ্জন হয়। বিসৰ্জনৰ পিছত ডুমুনীবেশী দেওধনীয়ে নাচে। এইখিনিলৈকে দেওধনীৰ কাৰ্য্য মাৰে পূজাত থাকে। অৱশ্যে চান্দই পদ্মাৱতীক পূজা কৰাৰ পিছতহে ভৰমাৰেৰ সামৰণি পৰে।

বৰ্ত্তমানে জনমানসত পুৰণি ধাৰণা কিছুমান আঁতৰিছে। ফলস্বৰূপে দেওধনীৰ অলৌকিকতা নাইবা অপৰিসীম কাৰ্য্যৰ প্ৰতি

মানুহৰ বিশ্বাস বেলেগ হৈ পৰিছে। আৰ্থিক দিশতো জনসাধাৰণ জুৰুলা হৈছে। সেয়েহে প্ৰত্যেক বছৰে মাৰে পূজা কৰাটোও কঠিন হৈছে। প্ৰতি তিনি বছৰৰ মূৰে মূৰেহে ঠাই বিশেষে মাৰে পূজা কৰে। সেইদৰে দেওধনীৰ সংখ্যাও প্ৰায় হ্ৰাস হৈ পৰিছে। তথাপি বকো, বামুণীগাওঁ অঞ্চলৰ ৰাভাসমাজত মাৰেপূজা, মাৰে-গীত আৰু দেওধনীৰ প্ৰভাৱ তেনেই লোপ পোৱা নাই। সময় থাকোঁতেই এই সকলোবোৰ তথ্য সংগ্ৰহ আৰু সংকলন কৰিব পাৰিলে লোক সাহিত্য সংস্কৃতিৰ এটি মহৎ সমল সংৰক্ষিত হব।

সমাপ্ত

[ এই গ্ৰন্থ প্ৰণয়নত উল্লেখিত লেখক সকলৰ গ্ৰন্থৰাজিৰ সহায় লোৱা হৈছে—
ৰাভা জনজাতি—শ্ৰীৰাজেন ৰাভা
বহুৰঙী ৰাভা লোকগীত—শ্ৰীপ্ৰভাত ৰাভা
অসম সাহিত্য সভা পত্ৰিকা—ডঃ হেমন্ত কুমাৰ শৰ্মাৰ 'দেওধনী নৃত্য' প্ৰবন্ধ
স্মৃতিগ্ৰন্থ : নিখিল ৰাভা জাতীয় পৰিষদ, ১৯৮২
সমন্বয়—কামৰূপ জিলাৰ বিভিন্ন জন গোষ্ঠীৰ সাংস্কৃতিক সমাৰোহৰ মুখপত্ৰ, ১৯৮৭ ]